www.asombarta.in

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ডাঙৰ আৰু যথেষ্ট সংখ্যক ভুলৰ মাজেদি নহাকৈ কোনো এজন মানুহেই মহান তথা সফল হ'ব নোৱাৰে। - উইলিয়াম শ্বেইক্সপীয়েৰ।

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১০৫ | দেওবাৰ | ১৮ জানুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 105 | Sunday | 18th January, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8








■ 'ভূপেন হাজৰিকাক ভাৰত ৰত্ন দিয়াৰ বিৰোধিতা কৰিছিল কংগ্ৰেছে' ■

## 'বাগুৰুম্বা হায়ে বাগুৰুম্বা....'

# বিশ্ব দৰবাৰত জিলিকিল 'বাগুৰুম্বা'

"কংগ্ৰেছৰ দিনত কেইবা লাখ বিঘা ভূমি দখল কৰিলে অনুপ্ৰৱেশকাৰীয়ে, বিজেপি চৰকাৰে সেই ভূমি দখলমুক্ত কৰিবলৈ আৰম্ভ কৰিছে"

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জানুৱাৰী ঃ** অসমৰ সাংস্কৃতিক ইতিহাসত এক অভূতপূৰ্ব আৰু ঐতিহাসিক ক্ষণ সংঘটিত হ'ল। শনিবাৰে সন্ধিয়া প্ৰায় ৭: ২৭ বজাত সৰুসজাইত ১০ হাজাৰৰো অধিক শিল্পীয়ে একেলগে পৰিৱেশন কৰা বাগুৰুম্বা নৃত্যই সমগ্ৰ বিশ্বক মোহিত কৰিলে। লেজাৰ লাইট শ্ব'ৰে ৭: ৪৪ বজাত এই অপৰূপ অনুষ্ঠানৰ অন্ত পৰাত উপস্থিত সকলোৰে এই মহান ক্ষণৰ সাক্ষী হৈ ৰ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাক কাষত বহুৱাই আনন্দিত মনে এই বাগুৰুম্বা দহোঁ উপভোগ কৰে। ▸▸৬ পৃষ্ঠাত

### ৬, ৯৫০ কোটি টকা ব্যয়সাপেক্ষে কাজিৰঙা এলিভেটেড কৰিডৰৰ ভূমি পূজন



## আজি কলিয়াবৰৰ নিজ চিলাবন্ধা মৌচন্দা পথাৰত প্ৰধানমন্ত্ৰী মোদীৰ বিশাল জনসভা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জানুৱাৰী ঃ** আজি কলিয়াবৰৰ নিজ চিলাবন্ধা মৌচন্দা পথাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সম্বোধন কৰিবলগীয়া বিশাল জনসভাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই অনুষ্ঠানক কেন্দ্ৰ কৰি নগাঁও জিলা প্ৰশাসনে ব্যাপক নিৰাপত্তা ব্যৱস্থা আৰু লজিষ্টিক প্ৰস্তুতি গ্ৰহণ কৰিছে। ইতিমধ্যে ৫ হাজাৰৰো অধিক আৰক্ষী বিষয়া-কৰ্মচাৰীক নিয়োজিত কৰা হৈছে আৰু ▸▸৬ পৃষ্ঠাত

▫ প্ৰধানমন্ত্ৰী মোদীৰ ফ্লেগ অফ ▫

## গুৱাহাটী-কলকাতাৰ মাজত আৰম্ভ হ'ল প্ৰথম বন্দে ভাৰত শ্লিপাৰ এক্সপ্ৰেছ

৯৭২ কিলোমিটাৰ দূৰত্ব মাত্ৰ ১৪ ঘণ্টাত অতিক্ৰম



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ জানুৱাৰী ঃ** ভাৰতীয় ৰেলৰেৰ ইতিহাসত এক নতুন অধ্যায় যোগ হ'ল। আজিৰ পৰা গুৱাহাটীৰ কামাখ্যা জংচন আৰু কলকাতাৰ হাওড়াৰ মাজত আৰম্ভ হ'ল দেশৰ প্ৰথম বন্দে ভাৰত শ্লিপাৰ এক্সপ্ৰেছ। ▸▸৬ পৃষ্ঠাত

▫ শিক্ষা জেহাদ, লাভ জেহাদ, লেণ্ড জেহাদৰ দৰে শব্দই দুই নম্বৰী কাৰ্যকলাপ বুজায় ▫

## 'জেহাদ' শব্দ ব্যৱহাৰ অব্যাহত ৰাখিলে জে'লত ভৰোৱা হ'ব; ৰেজাউল কৰিম সৰকাৰক কঠোৰ সকীয়নি মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন আমছু (অল আছম মাইনৰিটি ষ্টুডেণ্টছ ইউনিয়ন) সভাপতি ৰেজাউল কৰিম সৰকাৰক কঠোৰ সকীয়নি দিছে। শনিবাৰে ▸▸৬ পৃষ্ঠাত



### বাহিৰৰ বণিক গোষ্ঠীয়ে জ্যোতিপ্ৰসাদ-চন্দ্ৰ কুমাৰৰ আদৰ্শ গ্ৰহণ কৰক; পলাশ চাংমাইৰ আহ্বান

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমায়ে ▸▸৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ সোঁৱে-বাৱে থকা মানুহবোৰ কণী, ব্ৰইলাৰ চিণ্ডিকেটৰে জড়িত ঃ গৌৰৱ

## বৰ অসম গঢ়িবলৈ হিমন্ত বিশ্ব শৰ্মাক বিদায় দিয়াৰ আহ্বান গৌৰৱ গগৈৰ



**অসম বাৰ্তা, নলবাৰী, ১৭ জানুৱাৰী ঃ** ঠায়ে-ঠায়ে মেডিকেল কলেজ খুলিছে যদিও কোনো সুবিধা নাপাই ৰোগীয়ে। কেবা শতাধিক চৰকাৰী বিদ্যালয় বন্ধ হৈ পৰিছে। হৰ ঘৰ নল, ▸▸৬ পৃষ্ঠাত

### বাগানপাৰাত কেন্দ্ৰীয় শিল্পী দিৱস; 'জ্যোতিৰ্ময় বাগানপাৰা' স্মাৰকগ্ৰন্থ উন্মোচন আৰু শিল্পীসকলক সম্বৰ্ধনা

## জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামত ৰাষ্ট্ৰীয় স্তৰৰ বঁটা প্ৰদানৰ দাবী উত্থাপন আছুৰ

**অসম বাৰ্তা, বাক্সা, ১৭ জানুৱাৰী ঃ** সদৌ অসম ছাত্ৰ সন্থা (আছু)ই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামত ৰাষ্ট্ৰীয় স্তৰৰ এটা প্ৰতিষ্ঠিত বঁটা প্ৰদান কৰাৰ বাবে ৰাজ্য চৰকাৰ ▸▸৬ পৃষ্ঠাত




## অৰুণাচলৰ চেলা হ্ৰদত শোকাৱহ দুৰ্ঘটনা; বৰফত ডুব গৈ দুজন পৰ্যটকৰ মৃত্যু

এজনক জীৱন্তে উদ্ধাৰ; ভাৰতীয় সেনাৰ তীব্ৰ উদ্ধাৰ অভিযান

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জানুৱাৰী ঃ** অৰুণাচল প্ৰদেশৰ তাওৱাং জিলাৰ চেলা পাছৰ ওচৰৰ বিখ্যাত চেলা হ্ৰদ ▸▸৬ পৃষ্ঠাত

পৰিবাৰৰ ধন-সম্পত্তি বঢ়োৱাত ব্ৰতী হৈছে মুখ্যমন্ত্ৰী ঃ গৌৰৱ

## হিমন্ত বিশ্ব শৰ্মাই '২৬ত পৰাজয়ৰ উমান পাই উত্তৰপ্ৰদেশ, বিহাৰৰ মানুহ আনি ভোটাৰ তালিকাত সুমুৱাই দিছে



**অসম বাৰ্তা, দৌলাশাল, ১৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ মুকালমুৱাত আজি গৌৰৱ গগৈ উপস্থিত হৈ বুথ আৰু বিএলএ সন্মিলন এখনত অংশগ্ৰহণ ▸▸৬ পৃষ্ঠাত

▫ বিৰসিং জুৰুৱাত বিশাল গণসমাবেশত অখিল গগৈ ▫

## সাম্প্ৰদায়িক দল বিজেপি, এআইইউডিএফক ব্ৰহ্মপুত্ৰত উটুৱাই দিব লাগিব ঃ অখিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ধুবুৰী, ১৭ জানুৱাৰী ঃ** ধুবুৰী ▸▸৬ পৃষ্ঠাত

সংখ্যালঘু অধ্যুষিত অঞ্চলত অসম্প্ৰদায়িক চৰকাৰ গঠনৰ আহ্বান



পাঁচ অভিযুক্তৰ জামিন বিচাৰি আৱেদন দাখিল

## ছিংগাপুৰৰ য়টত থকা প্ৰতিজনেই দোষী, আওতালৈ অনা হওক ঃ গৰিমা গাৰ্গ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জানুৱাৰী ঃ** অভিনেতা-গায়ক জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত হত্যা গোচৰৰ ▸▸৬ পৃষ্ঠাত



### ইংৰাজী ২০, ২১, ২২ জানুৱাৰী তাৰিখৰ পৰা আৰম্ভ হ'ব এই মহোৎসৱ

## অৰুণাচল প্ৰদেশৰ নামপুঙত পাংচাও পাছ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱৰ আয়োজন

### বহু সংখ্যক দেশী বিদেশী পৰ্যটকৰ আগমন ঘটাৰ সম্ভাৱনা



**অসম বাৰ্তা বিশেষ, জাগুন, ১৬ জানুৱাৰী ঃ** অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ নামপুং বিধান সভা সমষ্টিৰ অন্তৰ্গত নামপুংত দশম বাৰ্ষিক পাংচাও পাছ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ আয়োজনৰ প্ৰস্তুতি তুংগত। ইংৰাজী ২০, ২১ আৰু ২২ জানুৱাৰী তাৰিখে তিনিদিনীয়া বৃষ্তিত কাৰ্যসূচীৰে অনুষ্ঠিত হব এই আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ। অৰুণাচল প্ৰদেশৰ বাৰ্ষিক কেলেণ্ডাৰৰ এক কাৰ্যসূচী হিচাপে অৰুণাচল প্ৰদেশ চৰকাৰ আৰু নামপুং বিধান সভা সমষ্টিৰ বিধায়ক লাইচাম চিমাইৰ উদ্যোগত ৰাজ্যখনৰ সকলো জনগোষ্ঠীয় লোকৰ সহযোগত আয়োজন কৰা হৈছে এই মহোৎসৱৰ। অৰুণাচল প্ৰদেশৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে অংশগ্ৰহণ কৰাৰ উপৰিও চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰৰ অংশগ্ৰহণ প্ৰায় নিশ্চিত হোৱাৰ কথা প্ৰকাশ কৰিছে আয়োজক সমিতিয়ে। এই আন্তঃৰাষ্ট্ৰীয় মহোৎসৱৰ বিগত বৰ্ষসমূহৰ অভিজ্ঞতাৰ দ্বাৰা এই বৰ্ষটো বহু সংখ্যক দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটাৰ সম্ভাৱনা আছে উক্ত মহোৎসৱত। উত্তৰ পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীকে এই মহোৎসৱত অংশ গ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱাৰ উপৰিও অৰুণাচল প্ৰদেশৰ টাংছা জনগোষ্ঠীৰ প্ৰায় ৫০ টাকৈ সম্প্ৰদায়ে তেওঁলোকৰ পৰম্পৰাগত সমৃদ্ধি শালী সাংস্কৃতিক পৰম্পৰা, জনগোষ্ঠীয় খাদ্য সম্ভাৰ, সাঁজ পোছাক, বাসস্থান আৰু জীৱনশৈলীৰ উপস্থাপন কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। এই মহোৎসৱ পূৰ্বতে আয়োজন কৰা ঠাইৰ পৰিৱৰ্তে এই বাৰ প্ৰথম বাৰৰ বাবে মহোৎসৱৰ স্থায়ী স্থান হেলিপেড গ্ৰাউণ্ডত এক বৃহৎ অঞ্চল সামৰি আয়োজন কৰাৰ বাবে সাজু কৰি তোলা হৈছে মহোৎসৱস্থলী। সকলো পৰ্যটকৰ সুবিধা হোৱাকৈ এক বৃহৎ এলেকাত একে সময়তে প্ৰায় পাঁচশখন যান-বাহন ৰাখিব পৰাকৈ পাৰ্কিংৰ ব্যৱস্থা কৰি তোলা হৈছে। প্ৰায় হাজাৰৰো অধিক বিভিন্ন জনজাতীয় বিপনীৰ বাবে ইতিমধ্যে নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠিছে। পূৰ্বৰ তুলনাতকৈ এই বৰ্ষৰ পাংচাও পাছ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ আৰু অধিক আকৰ্ষণীয় হোৱাৰ সম্ভাৱনা থকাৰ কথা আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

## কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ মৰিগাঁও জিলা কলিতা জনগোষ্ঠীৰ ষষ্ঠ দ্বি-বাৰ্ষিক জিলা অধিৱেশনৰ পূৰ্ণ প্ৰস্তুতি তুংগত

**অসম বাৰ্তা, মৰিগাঁও, ১৬ জানুৱাৰী ঃ** ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ প্ৰচীনতম খিলঞ্জীয়া ভূমিপুত্ৰ কলিতা জনগোষ্ঠীৰ লোক সকল, যাৰ উদাহৰণ পুৰণি প্ৰাগজ্যোতিপুৰৰ ৰজা ভগদত্ত, ব্ৰজ্বদত্ত, বীৰদত্ত আৰু ভৰদত্তৰ উপৰিও মহাৰাজ পৃথু আৰু বুৰঞ্জী প্ৰসিদ্ধ কুমাৰ ভাস্কৰ বৰ্মা হল কলিতা জনগোষ্ঠীৰ আদিপুৰুষ। সেয়েলৈ এই ঐতিহাসিক ভূমিপুত্ৰ জনগোষ্ঠীটোৰ পুৰ্বৰ যি ঐতিহ্য, তাক অক্ষুণ্ণ ৰখাৰ হেতু নতুন প্ৰজন্মই এতিয়া অসমৰ সৰ্বত্ৰে জনগোষ্ঠীটোৰ প্ৰতিবাদৰ জোৱাৰ উঠা পৰিলক্ষিত হৈছে। বৃহত্তৰ জনগোষ্ঠীটোৰ ছাত্ৰছাত্ৰীৰ লগতে ভূমিপুত্ৰৰ কলিতা সকল সম অধিকাৰ আৰু সম মৰ্যাদা বিচাৰি এদিনীয়া কাৰ্যসুচীৰে মৰিগাঁও জিলা কলিতা জনগোষ্ঠী আৰু স্থানীয় ৰাইজৰ সহযোগত ১৯ জানুৱাৰীৰ দিনটোত মৰিগাঁও গান্ধী ভৱন প্ৰেক্ষাগৃহত বহুকেইটা গুৰুত্বপুৰ্ণ কাৰ্যসুচী লৈ অধিৱেশন অনুষ্ঠিত কৰিবলৈ প্ৰস্তুত প্ৰায় সমাপ্ত কৰিছে। মৰিগাঁও জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ মুখ্য আহ্বায়ক দুলুমণি বৰা, আহ্বায়ক মণ্ডলী দীপন কুমাৰ বৰা, বসন্ত কাকতি, হেমন্ত বৰা আৰু অকন কলিতাকে ধৰি বহুকেইজন জনগোষ্ঠীটোৰ সন্মিলনীৰ বিষয়ববীয়াৰ তত্বাৱধানত হব লগিয়া উক্ত অধিৱেশনৰ দিনটোত পুৱাই সন্মিলনৰ মুখ্য আহ্বায়ক দুলুমণি বৰাই উত্তোলন কৰিব পতাকা। আহ্বায়ক দীপন কুমাৰ বৰাই শ্বহীদ তৰ্পণ কৰিবলগীয়া অনুষ্ঠানটোত স্মৃতি তৰ্পণ কৰিব বসন্ত কাকতিয়ে। ইয়াৰ পিছতে পুৱা ১০ বজাত হাৰ্টথ্ৰব জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰিব জনগোষ্ঠী সন্মিলনৰ আহ্বায়ক লোচন শইকীয়াই, মাল্যাৰ্পণ কৰিব মায়ঙৰ বিশিষ্ট সমাজ সেৱক দীপাংকৰ কলিতাই। কলিতা জাতিৰ ইতিবৃত্তি ৰচক ড° বাণীকান্ত কাকতিৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব প্ৰাক্তন অভিযন্তা গিৰিন্দ্ৰ বৰাই। ইয়াৰ পিছতে প্ৰতিনিধি সভা উদ্বোধন কৰিব মৰিগাঁও জিলা গ্ৰাম্য পুঠিভৰাঁল সন্থাৰ সভাপতি ৰমেশ চন্দ্ৰ কাকতিয়ে। ১ বজাত আৰম্ভ হ্ব মুকলি সভা আৰু মুকলি সভাত সভাপতিত্ব কৰিব সদৌ অসম গ্ৰাম্য পুঠিভৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাই। আনহাতে মুকলি সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ সভাপতি ড° সোণেশ্বৰ কলিতা আৰু সন্মানীয় অতিথি তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, বিৰিঞ্চি কুমাৰ শৰ্মা আৰু বাবুল বৰা। সেয়ে সকলো কাৰ্যসুচী সফল কৰিবলৈ মৰিগাঁও বাসীৰ সহায় সহযোগিতা বিচাৰিছে উদ্যোগতাসকলে।

## সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত সৰুপথাৰ সমষ্টি

**অসম বাৰ্তা, সৰুপথাৰ, ১৬ জানুৱাৰী ঃ** ২০২৬ চনৰ বিধানসভা নিৰ্বাচন। গোলাঘাট জিলাৰ অন্যতম এটা বিধানসভা সমষ্টি সৰুপথাৰ। পূৰ্বতে কংগ্ৰেছ আৰু অসম গণ পৰিষদৰ দুৰ্গ হিচাপে খ্যাত সমষ্টিটোত শেহতীয়াকৈ ভাৰতীয় জনতা পাৰ্টীৰ দখলত। পূৰ্বৰ ৯৪ নং সৰুপথাৰ সমষ্টিৰ পুনৰ নিৰ্ধাৰণৰ পিছত ১০৭ নং সৰুপথাৰ সমষ্টিলৈ পৰিৱৰ্তন হয়। সমষ্টিটোৰ পুবে অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাট অঞ্চলত অৱস্থিত দৈয়াং নদী আৰু পশ্চিমে ধনশিৰি নৈৰ মধ্যত অৱস্থিত সৰুপথাৰ সমষ্টি। শেহতীয়াকৈ সমষ্টিটোৰ উৰিয়ামঘাট অঞ্চলৰ পৰা বনাঞ্চলৰ ভূমি বেদখলকাৰী লোকক উচ্ছেদৰ পিছতেই সমষ্টিটো অসমৰ ভিতৰতেই চিনাকি। সৰুপথাৰ সমষ্টিটোত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত বৃহত্তৰ মৰঙী অঞ্চল খুমটাই সমষ্টিত অন্তৰ্ভূক্ত হৈছে। পূৰ্বতে সৰুপথাৰ সমষ্টি অসম-নাগালেণ্ড সীমান্তৱৰ্তী চুঙাজান অঞ্চলৰ পৰা মৰঙীৰ নুমলীগড় কানাইঘাটলৈ আছিল। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছতেই ধনশিৰি নৈক কেন্দ্ৰ কৰিয়েই বিভক্ত কৰা হৈছে। ইপিনে ১০৭ নং সৰুপথাৰ সমষ্টিৰ ২০২৬ বৰ্ষৰ খচৰা ভোটাৰ তালিকা অনুসৰি মুঠ ভোটাৰ ১, ৯৮, ০৮২ জন। ইয়াৰে পুৰুষ ভোটাৰ ৯৮, ৮৭০ জন, ৯৯, ২১০ গৰাকী মহিলা ভোটাৰ আৰু ২ গৰাকী ভোটাৰ তৃতীয় লিঙ্গ। উল্লেখযোগ্য যে, সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ২১খন গাওঁ পঞ্চায়তক সামৰি আছে ৪টা জিলা পৰিষদ ক্ৰমে- সৰুপথাৰ, বৰপথাৰ, চুঙাজান আৰু নৱজ্যোতি। ইপিনে সৰুপথাৰ বিধাসভা সমষ্টিত দুটাকৈ পৌৰসভা ক্ৰমে সৰুপথাৰ আৰু বৰপথাৰ। দুয়োটা পৌৰসভাতেই আছে ১০ টাকৈ ৱাৰ্ড। সমষ্টিটোত বৰ্তমানৰ বিধায়ক বিশ্বজিৎ ফুকন। পূৰ্বতে কংগ্ৰেছ আৰু অগপৰ হাতত থকা সমষ্টিটোত ২০২১ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি দলৰ বিশ্বজিৎ ফুকনে জয়লাভ কৰিবলৈ সক্ষম হয়। ২০২১ চনৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ - বিশ্বজিৎ ফুকন (বিজেপি), ৰজলীনা তিৰ্কী (কংগ্ৰেছ), ৰাজু ফুকন (অসম জাতীয় পৰিষদ), গোপাল গগৈ (নিৰ্দলীয়)।

### বিজেপি দল কংগ্ৰেছৰ দৰে পৰিয়ালকেন্দ্ৰিক নহয় ঃ বিধায়ক মানৱ ডেকা

## পুৰণিগুদাম হালোৱাগাঁৱত বিজেপিৰ "নাৰী বন্দন অভিযান" সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ হালোৱাগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত কলিতাচুকত ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশ মহিলা মৰ্চাৰ উদ্যোগত তথা জিলা মহিলা মৰ্চাৰ সহযোগত আজিৰে পৰা আৰম্ভ হোৱা এটি বিশেষ এমহীয়া কাৰ্যসূচী "নাৰী বন্দন অভিযান"ৰ শুভাৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অসম চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক মানৱ ডেকা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত থাকি সমাজৰ মহিলাসকলক সন্মান প্ৰদৰ্শন কৰে। এই কাৰ্যসূচীত নাৰী সবলীকৰণ, মহিলা মৰ্চাৰ সদস্যাসকলৰ দায়বদ্ধতা তথা "আত্মনিৰ্ভৰশীল নাৰী"ৰ বিভিন্ন বিষয় সামৰি আলোচনা কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি বিধায়ক



মানৱ ডেকাই কয় যে, "ৰেজাউল কৰিম জাতীয় মানুহখিনিৰ পৰিকল্পনাই হৈছে গোটেই অসমখন গ্ৰাস কৰা।" সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ডেকাই আৰু কয় যে, "কংগ্ৰেছে যাৰ কথা ভালকৈ কয়, তেওঁ বেয়া মানুহ আৰু যাৰ কথা বেয়াকৈ কয়, তেওঁ এশ শতাংশই ভাল মানুহ বুলি চিহ্নিত হৈ আহিছে।" আগন্তুক বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীত্বৰ ক্ষেত্ৰত নতুন কোনোৱে স্থান পাবনে বুলি সোধা এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে, "বিজেপি দল কংগ্ৰেছৰ দৰে পৰিয়ালকেন্দ্ৰিক নহয়, গতিকে বিজেপি দলত নতুন মুখে স্থান পাবই বুলি দৃঢ়তাৰে উল্লেখ কৰে।"

### উদীয়মান কণ্ঠশিল্পী প্ৰাণজিৎ ভূঞাৰ গীতৰ শৰাই অন্যতম আকৰ্ষণ

## মাজুলীৰ নামকাটনী নৱজ্যোতি কৃষ্টি সংঘৰ ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠান



**অসম বাৰ্তা, মাজুলী, ১৬ জানুৱাৰী ঃ** অসমীয়া জাতিৰ বাপতি সাহোন ভোগালী বিহুৰ দিনা মাজুলী কমলাবাৰী নামকাটনী নৱজ্যোতি কৃষ্টি সংঘৰ ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠানটি এদিনীয়া বৰ্ণাঢ্য কাৰ্যসুচীৰে উদ্‌যাপন কৰা হয়। কৃষ্টি সংঘ আৰু লগতে থকা নতুন কমলাবাৰী নাৰায়ণ চন্দ্ৰ দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত আয়োজিত অনুষ্ঠানটিত পুৱা পৰিবেশ নিকাকৰণৰ পাচতে গছপুলি ৰোপণ কৰে মাজুলীৰ বিশিষ্ট পৰিবেশকৰ্মী অতুল হাজৰিকা আৰু সংঘৰ উপসভাপতি নীলিম জ্যোতি বৰাই। তাৰ পাচতে সংঘৰ পতাকা উত্তোলন কৰে প্ৰতিষ্ঠাপক সম্পাদক তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেন শইকীয়াই আৰু বন্তি প্ৰজ্বালন কৰে অৱসৰী শিক্ষক তথা সংঘৰ উপ সভাপতি যোগেন বৰাই। দুপৰীয়া ছাত্ৰছাত্ৰী সকলৰ মাজত চিত্ৰাংকণ আৰু মহিলা সকলৰ মাজত ৰচী টনা, হাঁহ ধৰা, সংগীত চকী আদি পৰম্পৰাগত খেলধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি নামকাটনী গাঁও উন্নয়ন সমিতিৰ সভাপতি দেৱেন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত সংঘটিৰ অৰ্ধনিৰ্মিত গৃহটি বৰ্তমানৰ ঠাইতে পুনৰ নিৰ্মাণৰ বাবে ৰাইজৰ পৰা এটি পৰামৰ্শসুচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সন্ধিয়া প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণী ভোগালীৰ এসন্ধ্যা সাংস্কৃতিক অনুষ্ঠানটো উদ্বোধন কৰে সদৌ অসম মইনা পাৰিজাতৰ উপ সভাপতি তথা অৱসৰী শিক্ষক লোহিত বৰাই। ইয়াতেই সদৌ অসম মইনা পাৰিজাতৰ "শিশু মহীয়ান" সন্মান লাভ কৰাৰ বাবে সংঘ পৰিচালনা সমিতি, নামকাটনী মহিলা সমিতি, নামকাটনী নৱজ্যোতি শাখা মইনা পাৰিজাতৰ তৰফৰ পৰা তেখেতক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। সাংস্কৃতিক সন্ধ্যাৰ মুখ্য আকৰ্ষণ আছিল ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ শাস্ত্ৰীয় সংগীত বিভাগৰ পৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মাজুলীৰ উদীয়মান কণ্ঠশিল্পী প্ৰাণজিৎ ভূঞাৰ গীতৰ শৰাইত অভিভূত দৰ্শকে ভোগালীৰ মাদকতা উপলব্ধি কৰে লগতে কণ্ঠশিল্পী অঞ্জন জ্যোতি বৰা, ৰাজশ্ৰী শইকীয়াই গীত পৰিবেশন কৰে। অনুষ্ঠানত ৰানুমাই বিহু দলৰ শিল্পী সকল আৰু নামকাটনী নৱজ্যোতি মইনা পাৰিজাতৰ শিল্পী সকলে অনুষ্ঠান পৰিবেশন কৰি দৰ্শকক আমোদ দিয়ে। অনুষ্ঠানৰ আঁত ধৰে ৰাতুল বৰাই। সমগ্ৰ অনুষ্ঠানটিত ৰাইজৰ বিপুল সঁহাৰি আৰু উপস্থিতিৰ বাবে নামকাটনী নৱজ্যোতি কৃষ্টি সংঘৰ সভাপতি ৰাতুল বৰা আৰু সম্পাদক মনোজ বৰাই সকলোকে ধন্যবাদ জনায়।

## নামঘৰ হ'ল অসমীয়া সমাজৰ অপৰিহাৰ্য অংগ-দেওহাটী কুঞ্জগড় নামঘৰৰ প্ৰতিষ্ঠা দিৱসত সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১৬ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী অঞ্চলৰ দেওহাটী কুঞ্জগড় নামঘৰৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি নাম প্ৰসংগ আদি ভক্তিমূলক অনুষ্ঠানৰ মাজেৰে এক উদুলি-মুদুলি পৰিবেশেৰে অনুষ্ঠিত কৰে। পুৱাৰ ভাগতে ধৰ্মপুৰৰ সঞ্জীৱ অধিকাৰী আৰু নিৰ্মল ৰায়ৰ ভাগৱত পাঠেৰে অঞ্চলটোৰ বাপ-ভকত, আই-মাতৃসকলৰ উপস্থিতিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আৰম্ভ কৰে। দুপৰীয়াৰ ভাগত আইসকলৰ দ্বাৰা নাম-প্ৰশংগ অনুষ্ঠিত হোৱাৰ লগতে বড়িগাঁৱৰ বীৰনাম দলে নিৰন্তৰেভাৱে বিয়লিলৈকে হৰিনাম পৰিবেশন কৰে। সন্ধিয়া প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি হিচাবে উপস্থিত থাকি অভয়াপুৰীৰ সমাজকৰ্মী তথা গুৰুজনাৰ আদৰ্শৰ একান্ত অনুগামী ৰুদ্ৰ কুমাৰ পাঠকে অসমীয়া সমাজ জীৱনৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে মুকলি কৰে। ইয়াৰ পাচতে নীলমনি নাথ, সমাজকৰ্মীমনোজ দাস, তাপস দাস, নামঘৰ পৰিচালনা সমিতিৰ সভাপতি ফণীন্দ্ৰ বিশ্বাস, সম্পাদক জগদীশ সিংহ, দুৰ্গেশ্বৰ বৰুৱা, ভবেন



দাস, গজেন সিংহ, কৰুণাসাগৰ দাস, বলোৰাম দত্ত, চন্দন বৰুৱা, হিতুমনি দাস আদিৰ উপস্থিতিত সমাজকৰ্মী পাঠকে কয় যে, গুৰুজনাই বৰদোৱাত নামঘৰ প্ৰতিষ্ঠা কৰি ভক্তিৰসৰ সঞ্চাৰ কৰাৰ পাচত একে আদৰ্শৰে সৰ্বত্ৰতে প্ৰতিষ্ঠা হয়। নামঘৰ হ'ল অসমীয়া সমাজ জীৱনৰ এক অপৰিহাৰ্য আধ্যাত্মিক, সামাজিক, সাংস্কৃতিক কেন্দ্ৰ। ভাষণ প্ৰসংগত পাঠকে আকৌ কয় যে, বহুমুখী প্ৰতিভাসম্পন্ন শিল্পী জুবিন গাৰ্গৰ কণ্ঠত গুৰু দুজনাৰ অপুৰ্ব সৃষ্টি বৰগীতে বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত অধিক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে সমাজকৰ্মী পাঠকক নামঘৰ সমিতিয়ে নাম-প্ৰসংগৰে আদৰি নিয়ে। তাৰ পাচতে বাতাবাৰীৰ বীৰনাম দলে নিৰন্তৰভাৱে নিশালৈকে নাম-প্ৰসংগ অনুষ্ঠিত কৰে।

### সহজ জয়ৰে দন্দুৱা স্পৰ্টচ ক্লাৱৰ অগ্ৰগতি

## অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৭ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ সৌজন্যত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগিতাত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ৮ম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপৰ মৰিগাঁও জিলা মণ্ডলৰ আজি অনুষ্ঠিত চতুৰ্থখন খেলত দন্দুৱা স্পৰ্টচ ক্লাৱে বৰঙাবাৰী উদয় জ্যোতি সংঘক ৯ উইকেটৰ ব্যৱধানত পৰাভূত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট উপসমিতিৰ তত্ত্বাৱধানত অনুষ্ঠিত আজিৰ খেলখনত প্ৰথমে বেটিং কৰি বৰঙাবাৰী উদয় জ্যোতি সংঘই দন্দুৱাৰ আকৰ্ষণীয় বলিং-ফিল্ডিঙৰ সন্মুখত নতশিৰ হৈ সুমিত বাচফোৰৰ ২৫ ৰাণৰ অৱদানেৰে ২১- ৫ অভাৰত সকলো উইকেট হেৰুৱাই ৬০ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বলিঙত দন্দুৱাৰ হৈ কাৰ্তিক ডেকা আৰু যশুৱন্ত ডেকাই ৪ টাকৈ উইকেট দখল কৰাৰ লগতে শীতল লোধীয়ে ২টা উইকেট লাভ কৰে। প্ৰত্যুত্যৰত সহজ লক্ষ্য অনুসৰণ কৰি দন্দুৱা দলে ৯-৪ অভাৰত পৱন কুমাৱটৰ ৩৫ আৰু ভৰদ্বাজ পাতৰৰ ১৩ ৰাণৰ অৱদানৰে ১টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। বলিঙত বৰঙাবাৰীৰ হৈ চিন্ময় বৰাই একমাত্ৰ উইকেটটো দখল কৰে। নজৰুল ইছলাম আৰু আজিজ উল্লা খানেস পৰিচালনা কৰা আজিৰ খেলখনত স্ক'ৰাৰৰ দায়িত্ব নৱাজুৰ ৰহমানে পালন কৰে। দন্দুৱা স্পৰ্টচ ক্লাৱৰ যশু ডেকাক মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি ৰমেন নাথে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰে।

### অৰুণাচলৰ পৰা উত্তৰ প্ৰদেশলৈ নিয়াৰ পথতে আৰক্ষীৰ জালত পৰিল চন্দন আৰু সুমন্ত

## নিউ বঙাইগাঁও ষ্টেচনত আৰপিএফৰ অভিযান; ৭২ বটল অবৈধ সুৰাসহ আটক দুই সৰবৰাহকাৰী

**অসম বাৰ্তা, বঙাইগাঁও, ১৬ জানুৱাৰী ঃ** ৰে'লপথৰে চলি থকা অবৈধ সুৰাৰ সৰবৰাহৰ বিৰুদ্ধে নিউ বঙাইগাঁও ৰে'লৱে ষ্টেচনত এক সফল অভিযান চলাই বৃহৎ পৰিমাণৰ সুৰা জব্দ কৰে আৰক্ষীয়ে। নিউ বঙাইগাঁও ৰেলৱে সুৰক্ষা বাহিনী (RPF) আৰু ৰঙিয়াৰ চিপিডিএছ (CPDS) দলে চলোৱা এক যুটীয়া অভিযানত মুঠ ৭২ বটল অবৈধ সুৰা উদ্ধাৰ কৰাৰ লগতে দুজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। আটক কৰা যুৱক দুজনৰ নাম ক্ৰমে চন্দন কুমাৰ আৰু সুমন্ত কুমাৰ বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, সৰবৰাহকাৰী দুজনে অৰুণাচল প্ৰদেশৰ নাহৰলগুনৰ পৰা এই বৃহৎ পৰিমাণৰ সুৰাখিনি সংগ্ৰহ কৰিছিল। সুৰাখিনি নিউ বঙাইগাঁও ষ্টেচনৰ মাজেৰে উত্তৰ প্ৰদেশৰ আৱা অভিমুখে নিবলৈ চেষ্টা চলাইছিল। কিন্তু গোপন সূত্ৰৰ খবৰৰ ভিত্তিত ৰেলৱে আৰক্ষীৰ যুটীয়া দলটোৱে ষ্টেচনত তালাচী চলাই সুৰাসহ যুৱক দুজনক হাতে-লোটে ধৰা পেলায়। ইতিমধ্যে জব্দকৃত সুৰাখিনিৰ লগতে অভিযুক্ত দুই যুৱকক অধিক তদন্তৰ বাবে ৰেলৱে আৰক্ষীয়ে নিজৰ জিম্মাত লৈছে। নিউ বঙাইগাঁও ষ্টেচনত আৰক্ষীৰ এনে তৎপৰতাই এতিয়া সৰবৰাহকাৰী চক্ৰৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে।

### কমতাপুৰ স্বায়ত্ত্বশাসিত পৰিষদৰ সংগ্ৰহালয় আৰু প্ৰত্নতত্ত্ব বিভাগৰ উদ্যোগত সামাজিক দায়িত্ববোধৰ অনন্য পদক্ষেপ

## ভোগালীৰ আনন্দৰ মাজতে মানৱতাৰ নিদৰ্শন; দৰিদ্ৰৰ মাজত কম্বল বিতৰণ কে. এ. চি.ৰ ই.এম. পূৰৱী সৰকাৰৰ

**অসম বাৰ্তা বঙাইগাঁও, ১৬ জানুৱাৰী ঃ** চেনেহৰ ভোগালী বিহুলৈ মাজত মাত্ৰ কেইটামান ক্ষণ বাকী। সমগ্ৰ ৰাজ্যবাসীয়ে উৰুকাৰ প্ৰস্তুতিত ব্যস্ত থকাৰ সময়তে সমাজৰ নিঃকিন লোকসকলৰ কাষত থিয় দি এক মহানুভৱতাৰ পৰিচয় দিলে কমতাপুৰ স্বায়ত্ত্বশাসিত পৰিষদৰ (KAC) কাৰ্যবাহী সদস্যা (EM) পূৰৱী সৰকাৰে। বিহুৰ প্ৰাগক্ষণত কমতাপুৰ স্বায়ত্ত্বশাসিত পৰিষদৰ সংগ্ৰহালয় আৰু প্ৰত্নতত্ত্ব বিভাগৰ বিশেষ উদ্যোগত এক সামাজিক দায়িত্ববোধৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ দৰিদ্ৰ আৰু অসহায় লোকসকলৰ মাজত শীত নিবাৰণৰ বাবে কম্বল বিতৰণ কৰা হয়। কনকনীয়া শীতত কঁপি থকা লোকসকলক বিহুৰ প্ৰাক-মুহূৰ্তত এইদৰে সহায়ৰ হাত আগবঢ়োৱা কাৰ্যই সৰ্বত্ৰে প্ৰশংসা বুটলিছে। এই সন্দৰ্ভত ই. এম. পূৰৱী সৰকাৰে সংবাদ মাধ্যমৰ আগত কয় যে, ভোগালী বিহু হ'ল আনন্দ আৰু ভগাই খোৱাৰ উৎসৱ। সমাজৰ সকলো শ্ৰেণীৰ লোকে যাতে এই বিহুৰ আনন্দ ল'ব পাৰে আৰু শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পায়, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে। এই পদক্ষেপে ভোগালী বিহুৰ আনন্দক দুখীয়া পৰিয়ালসমূহৰ বাবে অধিক অৰ্থপূৰ্ণ কৰি তুলিছে। পৰিষদৰ এই মহানুভৱতাক স্থানীয় ৰাইজে আদৰণি জনাইছে।

## মাজুলীৰ খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দশম শ্ৰেণীৰ বিদায় সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ জানুৱাৰী ঃ** মাজুলীৰ শিক্ষাখণ্ডৰ অন্তৰ্গত খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ বিদায় সভা আজি বিদ্যালয়খনত অনুষ্ঠিত হয়। উক্ত বিদায় সভাত এক আবেগ বিহ্বল পৰিৱেশত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক সকলক আশিস বিচাৰে আৰু সকলো শিক্ষকক সম্বৰ্ধনা জনায়। বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীণ সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত বিদায় সভাত বিদ্যালয়ৰ উপাধ্যক্ষ ৰাজীৱ দত্ত ভূঞা, সহ শিক্ষয়িত্ৰী সুস্মিতা দত্তই দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যত জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ ফালৰ পৰা কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ভাষণ দিয়ে। এক আবেগ বিহ্বল পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলে উক্ত বিদায় সভাত কান্দি-কান্দি ছয় বছৰ অধ্যয়ন কৰা বিদ্যালয়খনৰ পৰা বিদায় লয়।

## উত্তৰ তেলাহী মণ্ডলত হিন্দু সন্মিলনৰ আয়োজন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৭ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সমগ্ৰ দেশতে প্ৰতিখন গাঁও পঞ্চায়ত এলেকা সামৰি প্ৰতিটো মণ্ডলতে একোখনকৈ হিন্দু সন্মিলনৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যেৰে লখিমপুৰ জিলাৰ উত্তৰ তেলাহী মণ্ডলতো অহা ১ ফেব্ৰুৱাৰীত আজাদৰ ডঃ ভূপেন হাজৰিকা মুকলি মঞ্চ, নৱজ্যোতি ৰংগমঞ্চ প্ৰাংগণত হিন্দু সন্মিলন অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে উত্তৰ তেলাহী মণ্ডল হিন্দু সন্মিলন আয়োজক সমিতিয়ে। সেইদিনা পুৱা পৰিবেশ নিকাকৰণ, গছপুলি ৰোপণ, সাংস্কৃতিক অনুষ্ঠানৰ লগতে দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব মুকলি সভা। হিন্দু সন্মিলনত উপস্থিত থাকি সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ লগতে ৰাষ্ট্ৰসেৱাত বহুমূলীয়া অৰিহণা যোগাবৰ বাবে উত্তৰ তেলাহী মণ্ডল হিন্দু সন্মিলন আয়োজক সমিতিৰ সভাপতি ঘনকান্ত দত্ত, সংযোজক ধীৰুমণি শইকীয়া, সম্পাদক চক্ৰ মহন্ত, কোষাধ্যক্ষ পংকজ হাজৰিকাই আহ্বান জনাইছে।

## জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জনীয়া, ১৭ জানুৱাৰী ঃ** আজি জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত শিল্পী দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী মতে পুৱা ৯ বজাত প্ৰভাতফেৰি আৰু ১০ বজাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন কৰা হয়। মাল্যাৰ্পণ অনুষ্ঠানত ক্ৰমে জনীয়া সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ৰবেন দাস, সাংস্কৃতিক কৰ্মী সঞ্জীৱ দাস, অধ্যক্ষ ছানোৱাৰ ৰহমান, পিজিটি আৰু ছাত্ৰ-ছাত্ৰী সকলে ভাগ লয়। মাল্যাৰ্পণৰ অন্তত জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পিজিটি তথা অন্যতম উদ্যোক্তা দেৱান দানেচ আলীয়ে আত ধৰা মুকলি সভাত সভাপতিত্ব কৰে জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ছানোৱাৰ ৰহমানে। সভাত আমন্ত্ৰিত অতিথি হিচাপে জনীয়া সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ৰবেন দাস আৰু জনীয়া আঞ্চলিক হাইস্কুলৰ সহকাৰী শিক্ষক তথা সাংস্কৃতিককৰ্মী সঞ্জীৱ কুমাৰ দাসে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনাদৰ্শৰ ওপৰত তত্ত্বগধুৰ বক্তব্য দাঙি ধৰে। উল্লেখ্য যে শিল্পী দিৱসৰ লগত সংগতি ৰাখি গীত-মাত, নৃত্য পৰিবেশন কৰা হয়। অন্তত শলাগৰ শৰাই আগবঢ়ায় পি জি টি ছাহজাহান আলীয়ে।

### মূল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব অসমৰ ভিন্ন প্ৰান্তৰ ২০ ভাওনা দলে

# পাঁচশ সূত্ৰধাৰৰ দ্বাৰা সূত্ৰ নৃত্য পৰিৱেশনেৰে আজিৰে পৰা মাজুলীৰ আউনীআটী সত্ৰত আৰম্ভ হ'ব অসম ভাওনা সমাৰোহ-২০২৬

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ জানুৱাৰী ঃ** কাইলৈ পৰা আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত ১১ দিনীয়াকৈ অনুষ্ঠিত হ'ব অসম ভাওনা সমাৰোহ-২০২৬। সমাৰোহৰ কাৰ্যসূচী অনুসৰি কাইলৈ ক্ৰমে প্ৰভাতী কীৰ্ত্তনৰ পিছতেই পুৱা ৮.৩০ বজাত অসম ভাওনা সমাৰোহ-২০২৬ ৰ উদ্‌যাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে ধৰ্মধ্বজা উত্তোলন কৰিব। ইয়াৰ পিছত ক্ৰমে মণিকূটৰ দ্বাৰ উন্মোচন, ভোজনালয় দ্বাৰ উদ্‌ঘাটন, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সোঁৱৰণি প্ৰদৰ্শনী ক্ষেত্ৰ উদঘাটনৰ পিছতেই পুৱা ১১ বজাৰ পৰা অসম ভাওনা সমাৰোহ-২০২৬ ৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। মাজুলীৰ লগতে অসমৰ বিভিন্ন জিলাৰ পৰা অংশগ্ৰহণ কৰা ৫ শ সূত্ৰধাৰৰ দ্বাৰা সূত্ৰ নৃত্য পৰিৱেশনেৰে অসম ভাওনা সমাৰোহ-২০২৬ শুভাৰম্ভ হ'ব। ইতিমধ্যে সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত সূত্ৰ নৃত্য পৰিৱেশনৰ বাবে আজিয়েই অসমৰ বিভিন্ন জিলাৰ পৰা অংশগ্ৰহণকাৰী সকল আহি আউনীআটী সত্ৰৰ ভাওনা সমাৰোহ থলীত উপস্থিত হৈ শেষ আখৰা কৰা পৰিলক্ষিত হ'ল। সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, বৈদেশিক পৰিক্ৰমাৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, কৃষি মন্ত্ৰী অতুল বৰাকে ধৰি অসম মন্ত্ৰী সভাৰ ভালেকেইগৰাকী মন্ত্ৰী, সাংসদ তথা বিধায়ক, বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা। সমাৰোহৰ ১১ দিনীয়া কাৰ্যসূচীৰ ভিতৰত বহুকেইটা উল্লেখযোগ্য কাৰ্যসূচীও অনুষ্ঠিত হ'ব। সেই অনুসৰি পূৰ্বৰ দৰেই এইবাৰো দুটা ভাগত বিভক্ত কৰি প্ৰতিযোগিতাৰ ভিত্তিত ভাওনা সূৰ্য্য আৰু ভাওনা চন্দ্ৰ বঁটা প্ৰদান কৰিব। ৪ বছৰৰ পৰা ১৫ বছৰৰ বয়সৰ লোকক ভাওনা চন্দ্ৰ আৰু ১৬ বছৰৰ পৰা ৮০ বছৰ বয়সৰ লোকক ভাওনা সূৰ্য্য স্বৰ্ণ পদক প্ৰদান কৰিব। ইফালে সমাৰোহৰ সৰ্বোচ্চ সন্মান ভাওনা ৰত্ন বঁটা এইবাৰ দুলীয়াজানৰ বিশিষ্ট অভিনেতা, সাংস্কৃতিক কৰ্মী মাণিক গোস্বামীক প্ৰদান কৰাৰ লগতে ভাওনা মহিয়ান বঁটা এইবাৰ যোৰহাটৰ বলিষ্ঠ অভিনেতা ৰাকেশ লোচন বৰাক প্ৰদান কৰিব। কাইলৈ উদ্বোধনী অনুষ্ঠানতে ৩০০ পৃষ্ঠাৰ সমাৰোহৰ স্মৃতি গ্ৰন্থ 'ভক্তিৰংগ' আনুষ্ঠানিকভাৱে উন্মোচন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। আনহাতে ৩২ খন ব্ৰজাৱলী ভাষাৰ নাটৰ এহেজাৰ পৃষ্ঠাৰ এখন একত্ৰ সংকলনো আউনীআটী সত্ৰৰ অসম ভাওনা সমাৰোহে ছপা কৰি উলিয়াই এইবাৰ প্ৰকাশৰ দিহা কৰিছে। সমাৰোহৰ ১১টা দিনত ২০খন প্ৰতিযোগিতামূলক ভাওনা আৰু ৩খন প্ৰদৰ্শনীমূলক ভাওনা অনুষ্ঠিত হ'ব। সেই অনুসৰি ইয়াৰ ভিতৰত কাইলৈ বিয়লি ২.৩০ বজাত সমাৰোহৰ উদ্বোধনী ভাওনা আউনীআটী সাংস্কৃতিক সেৱা সমিতিৰ বৈষ্ণৱ শিল্পী বৃন্দই ৰাম বিজয় অংকীয়া নাট প্ৰদৰ্শন কৰিব। ইফালে এইবাৰ দুগৰাকী বিশিষ্ট ব্যক্তিক ভাওনা হিতৈষী বঁটাৰে সন্মানিত কৰাৰ কথাও উদ্‌যাপন সমিতিয়ে জানিবলৈ দিয়ে। ভাওনা সমাৰোহখনিৰ সৈতে একাত্ম হৈ বিভিন্ন সময়ত সহযোগিতা আগবঢ়াই অহা শিৱসাগৰৰ বিশিষ্ট ব্যৱসায়ী প্ৰসন্ন দত্ত আৰু সমাজকৰ্মী ঋষিৰাজ বৰকটকীক এই বাৰ সমাৰোহত ভাওনা হিতৈষী বঁটাৰে সন্মানিত কৰা হ'ব। কাইলৈ প্ৰতিযোগিতাৰ প্ৰথম নাট জগন্নাথ শিল্পী সমাজ, নাম হাবুঙিয়া ৰবৈয়া, যোৰহাটৰ 'জন্মেজয়ৰ সৰ্পমেধ যজ্ঞ, কলিৰ পৰাভৱ', দ্বিতীয় নাট এনাই আধ্যাত্মিক কলা কেন্দ্ৰ, এনাই ঘৰীয়া, কাকডোঙাৰ 'শ্ৰুতশ্ৰৱানন্দৰ বৈকুণ্ঠাৰোহণ', ১৯ জানুৱাৰীত সুৰথৰ শ্ৰীৰাম দৰ্শন: অবিৰত সাংস্কৃতিক গোষ্ঠী,



১নং বৰগএৰা, মাজুলী, দ্বিতীয় নাট অনসুয়াৰ স্বামী ভক্তি, দত্তাত্ৰেয় অৱতাৰ: সুৰুযমুখী সাংস্কৃতিক গোষ্ঠী, চিৰাখুন্দা, শিৱসাগৰ, ২০ জানুৱাৰীত প্ৰথম নাট ইন্দ্ৰৰ পৰাভৱ, শিৱ-শিৱাংশৰ ৰণ: ভকতচাপৰি শিল্পী সমাজ, ভকতচাপৰি মাজুলী, দ্বিতীয় নাট ভাগৱত বিস্তাৰ: সত্ৰীয়া ৰংগালয়, নাৰায়ণপুৰ, ২১ জানুৱাৰীত প্ৰথম নাট মচুকুন্দৰ জনাৰ্দ্দন দৰ্শন, জৰাসন্ধৰ মুক্তি লাভ: প্ৰগতিশীল সাংস্কৃতিক যুৱ সংঘ, টীয়ক, দ্বিতীয় নাট শ্ৰীৰামৰ বৈকুণ্ঠ যাত্ৰা: নবাৰুণ সাংস্কৃতিক গোষ্ঠী, ন-কাটনি, শিৱসাগৰ, ২২ জানুৱাৰীত প্ৰথম নাট ৰুক্মাংগদৰ ধৰ্ম পৰীক্ষা: সিন্ধুৰা শিল্পী সমাজ, মাজুলী, দ্বিতীয় নাট ভীমাসুৰৰ মুক্তি লাভ: নৱৰংগ শিল্পী সমাজ, গোলাঘাট, ২৩ জানুৱাৰীত প্ৰথম নাট দশৰথৰ জন্ম ৰহস্য, মালি ইন্দুমতিৰ মুক্তি লাভ: শংখনাদ শিল্পী সমাজ, খনামুখ, শিৱসাগৰ, দ্বিতীয় নাট সীতাহৰণ, জতায়ু মোক্ষম: পাৰিজাত সাংস্কৃতিক গোষ্ঠী, ৰূপনগৰ ডিব্ৰুগড়, ২৪ জানুৱাৰীত প্ৰথম নাট ভীষ্ম পৰ্ব: বনমালি সাংস্কৃতিক গোষ্ঠী, মাজুলী, দ্বিতীয় নাট বিভাণ্ডকৰ পণ ভঞ্জন, ঋষ্যশৃংগ আখ্যান: চতুৰ্থী সংগম শিল্পী সমাজ, গোলাঘাট, ২৫ জানুৱাৰীত প্ৰথম নাট কদলি বৃক্ষৰ জন্ম ৰহস্য, দুৰ্ব্বাসা ঋষিৰ গৰ্ব খৰ্ব: সুদৰ্শন সাংস্কৃতিক গোষ্ঠী, নিলখ, ধেমাজি, দ্বিতীয় নাট চক্ৰবেহুত অভিমন্যু, সিন্ধুৰাজ পতন: মণিকাঞ্চন ভাওনা দল, আমগুৰি, শিৱসাগৰ, ২৬ জানুৱাৰী প্ৰথম নাট মৰুৎ যজ্ঞ: নটবৰ সাংস্কৃতিক সমাজ, মাজুলী, দ্বিতীয় নাট কাম্যক নন্দিনী: কলাগুৰু শিল্পী সমাজ, গোহাঁই টেকেলা গাঁও যোৰহাট, ২৭ জানুৱাৰীত প্ৰথম নাট কৈকেশী নন্দনৰ লংকা লাভ, বেদৱতী অভিশাপ: সপ্তৰথী শিল্পী সমাজ, তিতাবৰ, দ্বিতীয় নাট শ্ৰীৰামৰ তাৰকা নিধন: গুৰু শংকৰ নাট্য গোষ্ঠী, কলাচুক, ৰংদৈ। ইফালে ২৮ জানুৱাৰীত বঁটা বিতৰণী সভা অনুষ্ঠিত হোৱাৰ লগতে নিশালৈ বোকাবিল মিচিং গাঁৱৰ শিল্পী সমাজে মিচিং ভাষাত সীতা হৰণ বালি বধ ভাওনা প্ৰদৰ্শন কৰিব। এইবাৰ প্ৰতিখন নাটৰ সময় চাৰি ঘণ্টাকৈ নিৰ্ধাৰণ কৰাৰ লগতে প্ৰথমখন নাট প্ৰদৰ্শনৰ সময় বিয়লি ৩-৩০ বজাৰ পৰা আৰু দ্বিতীয়খন নাট সন্ধিয়া ৮-৩০ বজাৰ পৰা আৰম্ভ হ'ব। আনহাতে আজি সমাৰোহ খনিৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হোৱাৰ লগতে কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া সমাৰোহ খনিত সকলো স্তৰৰ ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি উদযাপন সমিতিয়ে কামনা কৰিছে।

## কাৰিবিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, গহপুৰ, ১৭ জানুৱাৰী ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত কাৰিবিল গাঁও পঞ্চায়তৰ এলেকাধীন কাৰিবিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন বিদ্যালয় গৃহৰ নিৰ্মাণৰ বাবে কালি আনুষ্ঠানিকভাৱে ভাবে আধাৰশিলা স্থাপন কৰা হয়। শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই স্থানীয় ৰাইজৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰাৰ লগতে এখন ৰাজহুৱা সভাতো অংশগ্ৰহণ কৰে। বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াৰ উপস্থিতিত অসম চৰকাৰৰ RIDF XXX আঁচনিৰ অধীনত প্ৰায় ৭ কোটি ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বিদ্যালয় গৃহটোৰ আধাৰশিলা স্থাপন কৰা হয়। উক্ত কাৰ্য্যসূচীত বিশ্বনাথ



জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, বিশ্বনাথ জিলা এচ চি মৰ্চাৰ উপ-সভাপতি মুনীন্দ্ৰ দাস, লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা ৰতন মোচাহাৰী, সহকাৰী অভিযন্তা, কাৰিবিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰ ছেত্ৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ঋষিৰাম ৰিজাল, বাসুদেৱ নেপাল, বুৰৈ মণ্ডলৰ অন্তৰ্গত গাঁও পঞ্চায়ত সমূহৰ সকলো জনপ্ৰতিনিধি উপস্থিত থাকে। ৰাজহুৱা সভাখনত ভাষণ প্ৰদান কৰি সাংসদ ৰঞ্জিত দত্তই বিজেপি চৰকাৰখনে অসমৰ শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে গ্ৰহণ কৰি অহা বিভিন্ন পদক্ষেপ আৰু অভিলাষী আঁচনিৰ বিষয়ে উল্লেখ কৰি চৰকাৰখনে অসমৰ সৰ্বাংগীণ উন্নয়নৰ বাবে গ্ৰহণ কৰি অহা কাৰ্য্য প্ৰণালীৰ বিষয়ে বহল ব্যাখ্যা আগবঢ়াই। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মপটুতাক শলাগ লয় সাংসদ ৰঞ্জিত দত্তই।

## ভগামুখত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে শিল্পী দিৱস পালন

**অসম বাৰ্তা, জাঁজী, ১৭ জানুৱাৰী ঃ** আজি ভগামুখ আদৰ্শ বিদ্যা মন্দিৰত উলহ-মালহেৰে শিল্পী দিৱস অনুষ্ঠিত কৰা হয়। এই উপলক্ষে জ্যোতিপ্ৰসাদ আগৰৱালাক স্মৰণ কৰি বিদ্যালয়ৰ অধ্যক্ষ ৰবিন চন্দ্ৰ হাজৰিকাই বন্তি প্ৰজ্বলন কৰে আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে সাৱলীল বক্তব্য আগবঢ়ায়। আনহাতে বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভানেত্ৰী সাবিত্ৰী দত্ত গগৈ আৰু সহ শিক্ষয়িত্ৰী অপৰাজিতা চুতীয়া বৰুৱাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে সুমধুৰ ভাষণ আগবঢ়ায়। ইয়াৰোপৰি এই অনুষ্ঠানতেই ছাত্ৰ-ছাত্ৰীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত গীত মাত পৰিবেশন কৰি অনুষ্ঠানটো জীপাল কৰি তুলে।

### স্থানীয় যান-বাহনৰ চলাচল বিনামূলীয়া কৰাৰ দাবী

## দেৰগাঁৱৰ ৰঙামাটি টোলগেটত প্ৰতিবাদ

**অসম বাৰ্তা, দেৰগাঁও, ১৭ জানুৱাৰী ঃ** দেৰগাঁৱৰ ৰঙামাটিত টোলগেট মুকলি কৰাক লৈ সৃষ্টি হৈ আহিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। বৃহস্পতিবাৰে উক্ত স্থানীয় ৰঙামাটি, মিছামৰা বৃহত্তৰ অঞ্চলৰ ৰাইজ, কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তিৰ উপৰি ৰাইজৰ দলৰ সদস্যসকলে টোলগেট বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ নীতি অনুসৰি পৌৰসভাৰ এলেকাৰ পৰা ৯ কিল'মিটাৰ দূৰত্বৰ ভিতৰত কোনো টোলগেট স্থাপন কৰিব নোৱাৰে। কিন্তু দেৰগাঁও পৌৰ এলেকাৰ সীমাৰ পৰা মাত্ৰ ৭ কিল'মিটাৰ দূৰত্বৰ ভিতৰত নীতিবহিৰ্ভূতভাৱে ৰঙামাটিৰ টোলগেট নিৰ্মাণ কৰা বুলি অভিযোগ কৰিছে। আনহাতে, টোলগেটত চিকিৎসা সেৱাৰ ব্যৱস্থা নথকা, আনকি মহিলা-পুৰুষৰ বাবে প্ৰস্ৰাৱাগাৰ নথকাৰ অভিযোগ তোলে প্ৰতিবাদকাৰীসকলে। মাঘবিহুৰ উৰুকাৰ আগদিনাৰে পৰা কৰ সংগ্ৰহৰ বাবে সাজু হোৱা টোলগেটখনৰ সন্মুখত সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিবাদত বন্ধ হৈ পৰে যদিও পুনৰ টোল কৰ সংগ্ৰহ আৰম্ভ হয়। প্ৰতিবাদকাৰীসকলে ২০ কিল'মিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ স্থানীয় কোনো যান-বাহনৰ পৰা কৰ ল'ব নোৱাৰিব বুলি দাবী জনায়। কাৰ্যসূচীত সমাজকৰ্মী গোপাল কৃষ্ণ খাওন্দ, ব্যৱসায়ী তথা সমাজ সচেতক ব্যক্তি দিলীপ আগৰৱালা, স্থানীয় সচেতন যুৱক সঞ্জীৱ হাজৰিকা, দিব্যজ্যোতি বৰুৱা, ললিত পুৰোহিত, ছাত্ৰমুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলাৰ সাধাৰণ সম্পাদক জ্যোতিস্মান বৰা, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা ৰিপুণ মহন্ত, ৰাইজৰ দলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক চাকিল আহমেদ আদিয়ে অংশগ্ৰহণ কৰে।

## ৰহা পশ্চিম সৰাগাঁও সন্মিলিত যুৱক সংঘৰ সৌজন্যত ভোগালী উৎসৱ উদ্‌যাপন




**অসম বাৰ্তা, ৰহা, ১৭ জানুৱাৰী ঃ** অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু টি সমগ্ৰ অসমৰ লগতে ৰহা সৰাগাঁৱত অতি আধ্যাত্মিক ৰীতি নীতিৰে পৰম্পৰাগত ভাৱে পালন কৰে। উক্ত অনুষ্ঠানত পুৱা বিহুৱান উত্তোলন কৰে অনুষ্ঠানটিৰ সভাপতি পংকজ বৰদলৈ। ইয়াৰ পিছত নামঘৰৰ মূল বন্তিগছি প্ৰজ্বলন কৰে নামঘৰীয়া বিৰেণ ডেকা আৰু ৰাজেন ডেকাই। তাৰ পিছত সকলো ভকত বৈষ্ণৱ মিলিত হৈ নাম প্ৰসংগ অনুষ্ঠিত হৈ প্ৰসাদ বিতৰণ কৰা হয়। ইয়াৰ লগতে পৰম্পৰাগত খেল ধেমালি আৰু চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হৈ বিজয়ী সকলক সন্ধিয়া পুৰস্কাৰ বিতৰণ কৰা হয়। এই পুৰস্কাৰ বিতৰণ অনুষ্ঠানটিৰ আঁত ধৰে সম্পাদক ডিম্পল ডেকাই। অনুষ্ঠান টিৰ সভাপতি পংকজ কুমাৰ বৰদলৈ আত ধৰা অনুষ্ঠানটি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজসেৱক তথা অৱশৰপ্ৰাপ্ত অধ্যাপক ঘনকান্ত ডেকাই। তাৰ পাছতে ভাস্কৰ্য শিল্পী প্ৰদীপ কুমাৰ নাথ, মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰাতুল কুমাৰ ৰাজবংশী, সাংবাদিক নৱজ্যোতি ভূএগ আৰু বহু কেইজন আমন্ত্ৰিত অতিথিক সম্বৰ্দ্ধনা জ্ঞাপন কৰি হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ প্ৰতিচ্ছৱিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে যুৱ নাট্যকাৰ গৌতম প্ৰসাদ ডেকাই। ইয়াৰ পিছত সাংস্কৃতিক অনুষ্ঠানৰ ভোগালী এনিশা অনুষ্ঠানটি শুভ উদ্বোধন কৰে সমাজসেৱক হেমন্ত কুমাৰ নাথে। ইয়াৰ পিছতে স্থানীয় লোক সকলৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা পিছত এক সুৰীয়া অন্তৰঙ্গ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰি বহুজন স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ গীতৰ শৰাই অনুষ্ঠানটিৰ সফল সামৰণি পৰে। উক্ত অনুষ্ঠানটিত বহু দৰ্শকৰ সমাগমে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

### ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন বিধায়ক পৃথ্বিৰাজ ৰাভাৰ

## তেজপুৰ জ্যোতি ভাৰতী (পকী)ত শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৭ জানুৱাৰী ঃ** অসমীয়া সংস্কৃতিৰ উজ্জ্বল নক্ষত্ৰ ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ পুণ্য স্মৃতিত আজি তেজপুৰ জ্যোতি ভাৰতী (পকী)ত যথাযোগ্য মৰ্যাদাৰে শিল্পী দিৱস উদ্‌যাপন কৰা হয়। সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জ্যোতি ভাৰতী (পকী), তেজপুৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত শিল্পীজনাৰ সৃষ্টিশীল অৱদান আৰু অসমৰ সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অনন্য সেৱাৰ কথা গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। শিল্পী দিৱস উপলক্ষে অনুষ্ঠিত মূল অনুষ্ঠানত আজি দিনৰ প্ৰায় ১১ বজাত উপস্থিত হয় তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভা। বিধায়কগৰাকীয়ে জ্যোতি ভাৰতী (পকী)ত উপস্থিত হৈ প্ৰথমে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছত তেওঁ মহান শিল্পীজনাৰ জীৱন, আদৰ্শ আৰু সৃষ্টিৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। বিধায়ক পৃথ্বিৰাজ ৰাভাই তেওঁৰ বক্তব্যত কয় যে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱ অসমীয়া সংস্কৃতিৰ আত্মা। সংগীত, নাটক, চলচ্চিত্ৰ, সাহিত্য আদি বিভিন্ন ক্ষেত্ৰত তেওঁৰ অৱদান আজিও নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ আছে। শিল্পী দিৱসৰ জৰিয়তে নতুন প্ৰজন্মক ৰূপকোঁৱৰৰ আদৰ্শ আৰু সৃষ্টিৰ সৈতে পৰিচিত কৰাটো অতি প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জ্যোতি ভাৰতীৰ কৰ্তৃপক্ষ, সাংস্কৃতিক কৰ্মী, শিল্পী, ছাত্ৰ-ছাত্ৰী তথা বহু সংখ্যক সংস্কৃতিপ্ৰেমী লোক উপস্থিত থাকে। সমগ্ৰ অনুষ্ঠানটোতে এক গাম্ভীৰ্যপূৰ্ণ আৰু শ্ৰদ্ধাভাজন পৰিবেশ বিৰাজ কৰে।


## গৰৈমাৰী চায়েন্স একাডেমীত শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, গৰৈমাৰী, ১৭ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ চায়েন্স একাডেমীত আজি শিল্পী দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি অনুষ্ঠানৰ আৰম্ভণিতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট শিল্পী কৈলাস কলিতাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বক্তব্য আগবঢ়োৱাৰ লগতে শিক্ষাৰ্থীসকলে গীত-নৃত্য আদি পৰিৱেশন কৰে। ইপিনে চায়েন্স একাডেমীৰ অধ্যক্ষ দোস্ত হাবিবুৰ ৰহমানে শিল্পী দিৱসৰ তাৎপৰ্য আৰু তেওঁৰ আদৰ্শ আজিৰ প্ৰজন্মৰ বাবে কিমান প্ৰাসংগিক, সেই বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত গৰৈমাৰী আঞ্জুমানী চিৰাতুন্নবী পুঁথিভঁড়ালৰ সভাপতি তথা সাংবাদিক আজিজুৰ ৰহমান চৌধুৰী, চায়েন্স একাডেমীৰ উপাধ্যক্ষ ড° আতোৱাৰ ৰহমান, পৰিচালন সঞ্চালক নূৰ মহম্মদ আলী, আব্দুছ ছালামে প্ৰমুখ্য কৰি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণে শিল্পী দিৱসৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে।

### দৈৱক্ৰমে ৰক্ষা পৰিল কেচুৱা সহ এগৰাকী মাতৃ; দামৰা খুংখ্ৰাজানীত এগৰাকী মহিলা আহত

## ৰংজুলি বনাঞ্চলৰ অন্তৰ্গত উদমাৰী গাৰোপাৰাত বনৰীয়া হাতীৰ সন্ত্ৰাস

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৭ জানুৱাৰী ঃ** এফালে ভোগালীৰ আনন্দ উলাহ আনপিনে বনৰীয়া হাতীৰ সন্ত্ৰাস। গোৱালপাৰা জিলাত হাতী মানুহৰ সংঘাতে তীব্ৰতৰ ৰূপ ধাৰণ কৰা দেখিবলৈ পোৱা গৈছে। প্ৰতিদিনে বনৰীয়া হাতীয়ে গোৱালপাৰা জিলাৰ গ্ৰামাঞ্চলত নিশাৰ ভাগত চলাই গৈছে সন্ত্ৰাস। শুকুৰবাৰে নিশাৰ ভাগত ৰংজুলি বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত তথা ৰংজুলি আৰক্ষী থানাৰ অধীনষ্ঠ উদমাৰী গাৰোপাৰা, তিনকোণীয়াত দিনহাজিৰা কৰি জীৱন নিৰ্বাহ কৰা কেবাটাও পৰিয়ালৰ বাসগৃহ বনৰীয়া হাতীয়ে ভাঙি তচনচ কৰে। ৪০-৪৫টা বনৰীয়া হাতীৰ এটা জাকে খাদ্যৰ সন্ধানত তিনকোণীয়াত প্ৰবেশ কৰি দুৰ্যোধন বসুমতাৰীৰ এটা ঘৰ ধ্বংস কৰাৰ পিচত উদমাৰী গাৰোপাৰাত প্ৰৱেশ কৰে আৰু ভ্ৰেদিং চাংমাৰ এটা পকী ঘৰ আৰু বাঁহৰ বেৰ দিয়া ঘৰ, ব্ৰেজিঠা চাংমা আৰু বালজু চাংমাৰ পৰিয়ালৰ



কেবাটাও ঘৰ ধ্বংসস্তুপত পৰিণত কৰে। বনৰীয়া হাতীয়ে আক্ৰমণ কৰা সময়ত সকলো ব্যক্তি গভীৰ নিদ্ৰাত আছিল। কিন্তু দৈৱক্ৰমে ৰক্ষা পৰিল কেচুৱাসহ এগৰাকী মাতৃ আৰু কেবাটাও শিশু। নিশাই বনবিভাগৰ লোকে ঘটনা স্থলীলৈ আহি ফায়াৰিং কৰি হাতীৰ জাকটোক খেদি পঠিয়ায় যদিও বিগত কেবামাহো ধৰি ৰংজুলি আৰু কৃষ্ণাই বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত গাঁও সমূহত বৃহৎ বৃহৎ বনৰীয়া হাতীৰ জাকে দিনৰ ভাগত মুক্ত বিচৰণ আৰু নিশাৰ ভাগত গাঁওবাসীৰ ঘৰেঘৰে খাদ্য বিচাৰি সন্ত্ৰাস চলায়। তাৰ সমান্তৰালকৈ এটা অকলশৰীয়া বনৰীয়া হাতীৰ নিশাৰ ভাগত বিচৰণ কৰি মানুহৰ ঘৰ ভঙাৰ লগতে মানুহক আক্ৰমণ কৰা নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে। গাঁওবাসী ৰাইজে ভোগালীৰ আনন্দ উলাহ সকলো বাদ দি নিশাৰ ভাগত এটা জ্বলা নজ্বলা টৰ্চলাইত হাতত লৈ বিপদজনক ভাৱে হাতীক পৰ দিব লগা হৈছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ পৰিৱেশ নোহোৱা হৈছে। আনহাতে একে নিশাই দুধনৈৰ নিকটৱৰ্তী গুৱাবাৰী গাঁৱৰ নৱ কলিতাৰ বাসগৃহটো বনৰীয়া হাতীয়ে আক্ৰমণ কৰি লণ্ডভণ্ড কৰাৰ লগতে দামৰা খুংখ্ৰাজানী গাঁৱত ৰেলিশ জি মোমিন নামৰ এগৰাকী মহিলাক আক্ৰমণ কৰি গুৰুতৰ ভাৱে আহত কৰে। যিকোনো ঘটনা সংঘটিত হ'লে বনবিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ ক্ষতিগ্ৰস্ত পৰিয়ালৰ ফটো লৈ গুছি যায়। তাৎক্ষণিক ভাৱে পৰিয়ালটোৰে সকাহ পোৱাৰ বাবে বনবিভাগে একো নকৰে। কেৱল জিলাখনৰ ইমূৰৰ পৰা সিমূৰলৈ ঢপলিয়াই ফুৰে। অথচ বনৰীয়া হাতীক নিয়ন্ত্ৰণ কৰা বাবে একো নকৰে। এয়াই বন বিভাগক কাম। এতিয়া প্ৰচণ্ড শীতত উজাগৰী নিশা কটাই মুকলি আকাশৰ তলত অনাহাৰে অনিদ্ৰাই থাকিব লাগিব লগা হৈছে। ভুক্তভোগী তথা ক্ষোভিত দুখীয়া পৰিয়াল কেইটাই বিভাগীয় মন্ত্ৰী আৰু গোৱালপাৰা জিলা বন বিভাগক অতি সোনকালে ক্ষতিপুৰণ দিবলৈ আহ্বান জনাইছে।

### শিল্পী নৰেন পূজাৰীক সম্বৰ্ধনা

## পশ্চিম যোৰহাটৰ ভিন্ন স্থানত জ্যোতি দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৭ জানুৱাৰী ঃ** ১৯০৩ চনত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক মৃত্যু দিন জ্যোতি দিৱসৰূপে ৰাজ্যৰ লগতে পশ্চিম যোৰহাট অঞ্চলৰ বহু স্থানত অনুষ্ঠানসমূহত পালন কৰে। পুলিবৰত নৱপ্ৰতিষ্ঠিত অৰ্পণা আৰু সুশীলা দেৱী সাংস্কৃতিক প্ৰকল্পত প্ৰথম জ্যোতি দিৱস পালন কৰাৰ লগতে শিল্পী নৰেন পূজাৰীক সম্বৰ্ধনা জনায়। নৰেন পূজাৰীয়ে মাতৃ আৰু পত্নীৰ সোঁৱৰণত সাংস্কৃতিক প্ৰকল্প প্ৰতিষ্ঠাৰ বাবে নিজ পট্টাৰ তিনি কঠা ভূমি দানৰূপে ৰাইজক প্ৰদান কৰিছিল। আৰম্ভণিতে প্ৰকল্পৰ উপ-সভাপতি প্ৰভাত তামোলীয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি ধূপ-দীপ প্ৰজ্বলন কৰাৰ লগতে উপস্থিত থকাসকলে পুষ্পাঞ্জলি অৰ্পণ কৰে। স্থানীয় মহিলাসকলে জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা গীত সমূহীয়াকৈ পৰিৱেশন কৰাৰ পাছতে সন্তোষ ৰঞ্জন তামোলীয়ে আঁতধৰা, প্ৰকল্পৰ মুখ্য সম্পাদক অচিন্ত্য শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু প্ৰকল্পৰ সভাপতি বীৰেন্দ্ৰনাথ পূজাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ সভাপতি প্ৰশান্তজ্যোতি গোস্বামী, লেখক-সমালোচক হেমচন্দ্ৰ শইকীয়া, পুলিবৰ শাখা সাহিত্য সভাৰ সভানেত্ৰী ৰীতা গোস্বামীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়োৱাৰ লগতে সম্বৰ্ধনা গ্ৰহণ কৰি নৰেন পূজাৰীয়ে মনৰ ভাৱ ব্যক্ত কৰে। গজেন তামোলী প্ৰমুখ্যে ভালেকেইগৰাকীয়ে বক্তব্য প্ৰদান কৰা অনুষ্ঠানত স্থানীয় শিশুৰপৰা বৃদ্ধলৈকে সাংস্কৃতিক প্ৰকল্পটোৰ সৈতে জড়িতসকলে জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা গীত-কবিতা একক আৰু দলীয়ভাৱে পৰিৱেশন কৰে। অনুষ্ঠানত স্থানীয় লোকসকল উপস্থিত থাকে। পুলিবৰ শাখা সাহিত্য সভাই জ্যোতি দিৱসত সহযোগিতা কৰে। ইফালে, সাংস্কৃতিক মহাসভা, অসমৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিৰ লগতে পশ্চিম যোৰহাট সাংবাদিক সংস্থা, পশ্চিম যোৰহাট শাখা সাহিত্য সভা, পশ্চিম যোৰহাট শংকৰ-মাধৱ নাট্যগোষ্ঠী, কৈলাসপতি ভৱন লখিমী, নৃত্যাংগনা, স্মৃতিৰক্ষা পুথিভঁৰাল, যোৰহাট জিলা গ্ৰাম্য পুথিভঁৰাল সন্থা, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সংকল্প শিখা, সৃষ্টি আদিয়ে তিলিকিআম বেজগাঁৱৰ নৃত্যাংগনাত জ্যোতি দিৱস পালন কৰে। সাংস্কৃতিক মহাসভা আঞ্চলিকৰ সম্পাদক অৱন গোস্বামীয়ে আঁতধৰা অনুষ্ঠানত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত ভৱেন তামোলীয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছতে অনুষ্ঠানকেইটাৰ হৈ প্ৰকাশ চন্দ্ৰ বৰা, ৰমেন শইকীয়া, চুচেন বৰুৱা, ৰঞ্জিত কাকতি, মীৰা বৰা শইকীয়া, মৃদুল তামোলীয়ে ধূপ প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন, কৰ্ম, সাহিত্য, সমাজ, সংস্কৃতিলৈ আগবঢ়াই থৈ যোৱা অৱদানৰ সম্পৰ্কত ভৱেন তামোলীয়ে বক্তব্য আগবঢ়োৱাৰ পাছতে বহুকেইগৰাকীয়ে শিল্পীজনাই ৰচনা কৰা গীত পৰিৱেশন, গীতৰ আধাৰত নৃত্য প্ৰদৰ্শন, কবিতা আবৃত্তি কৰাৰ লগতে শিল্পীজনাৰ বহুমুখী প্ৰতিভা ব্যাখ্যা কৰে। অনুষ্ঠানত স্থানীয় লোকসকল উপস্থিত থাকে। অঞ্চলটোৰ শিক্ষানুষ্ঠান, অঙ্গনৱাড়ী কেন্দ্ৰ, পুথিভঁৰাল, সাংস্কৃতিক অনুষ্ঠানসমূহত আজি জ্যোতি দিৱস পাৱন কৰা হয়।

## সম্পাদকীয়

# উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ; ছাত্ৰ জীৱনৰ সুৰক্ষা আৰু দায়বদ্ধতা

**ভা**ৰতৰ উচ্চতম ন্যায়ালয়ে উচ্চ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ আত্মহত্যা আৰু অস্বাভাৱিক মৃত্যুৰ বৃদ্ধি পোৱাত গুৰুত্ব আৰোপ কৰি সময়োপযোগী আৰু কঠোৰ নিৰ্দেশনা জাৰি কৰিলে। আদালতৰ এই হস্তক্ষেপে শিক্ষানুষ্ঠানৰ প্ৰতি এক সুস্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে: ছাত্ৰ-ছাত্ৰীৰ জীৱন আৰু সুৰক্ষাৰ প্ৰতি দায়িত্ব এৰাই চলাৰ কোনো অৱকাশ নাই। তৎক্ষণাৎ FIR দাখিল কৰাৰ নিৰ্দেশ, ঘটনা গোপন কৰাৰ প্ৰৱণতালৈ কঠোৰ ভাষা, ২৪ ঘণ্টীয়া চিকিৎসা সেৱা, পদ পূৰণ আৰু বৃত্তিৰ ধন সময়মতে পৰিশোধৰ আদেশ-এইবোৰে এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে। কিন্তু, এই আদেশবোৰ কিমানদূৰ বাস্তৱায়ন হ'ব? সাধাৰণ নাগৰিকৰ মনত এই বিষয়ে প্ৰশ্নই দেখা দিবই।

প্ৰথম প্ৰশ্নটো হ'ব- এই নিৰ্দেশনাৰ প্ৰতি শিক্ষানুষ্ঠানসমূহৰ মনোভাৱ। বহু প্ৰতিষ্ঠানে ইয়াৰ আগতেও ৰেগিং বিৰোধী নিয়মাৱলী বা মানসিক স্বাস্থ্য নীতি থাকিলেও প্ৰয়োগ কৰাত ঢিলা ভাৱ প্ৰদৰ্শন কৰা দেখা গৈছে। এতিয়া FIR দাখিলৰ দায়বদ্ধতা প্ৰতিষ্ঠানে সঁচাকৈ সহযোগিতাৰ মনোভাৱ দেখুৱাব নে দায়িত্ব এৰাই চলিবলৈ নতুন পথ সন্ধান কৰিব? আনহাতে, আৰক্ষীৰ ভূমিকা কেনেকুৱা হ'ব? উচ্চ শিক্ষানুষ্ঠান, বিশেষকৈ ডাঙৰ প্ৰতিষ্ঠানসমূহৰ লগত থকা সম্বন্ধৰ বাবে FIR ৰুজু কৰোঁতে সিহঁতৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষ চাপ আহিব নেকি?

দ্বিতীয়তে, মানসিক স্বাস্থ্য সেৱা আৰু চিকিৎসা সুবিধাৰ কথা চাব লাগিব। আদালতে কোৱা ২৪ ঘণ্টীয়া চিকিৎসা সেৱা আৰু মানসিক কাউন্সেলিংৰ ব্যৱস্থা কৰাটো প্ৰত্যেকটো প্ৰতিষ্ঠানৰ বাবে এক বৃহৎ পৰিচালনামূলক আৰু অৰ্থনৈতিক চেলেঞ্জ। চৰকাৰী বিশ্ববিদ্যালয়সমূহত ইয়াৰ বাবে যথেষ্ট ধনৰ সংকট থাকে। ব্যক্তিগত প্ৰতিষ্ঠানসমূহে নীতি প্ৰণয়ন কৰিলেও কিমানখিনি আন্তৰিকতাৰে বাস্তৱায়ন কৰিব? ছাত্ৰ-শিক্ষক অনুপাত শুদ্ধ ৰাখি খালী পদবোৰ চাৰি মাহৰ ভিতৰত পূৰণ কৰাটোৱেও এক ডাঙৰ প্ৰশ্ন। নিয়োগ প্ৰক্ৰিয়াৰ জটিলতা আৰু ৰাজহুৱা খণ্ডৰ গতিশীলতা ইয়াৰ বাবে প্ৰধান বাধা হৈ উঠিব পাৰে।


তৃতীয়ত, বৃত্তিৰ ধন সময়মতে পৰিশোধৰ আদেশে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ কৰ্মপদ্ধতিলৈ এক ডাঙৰ আঘাত। বৃত্তি বিতৰণত বিলম্ব হোৱাটো এটা পুৰণি সমস্যা। চৰকাৰী যান্ত্ৰিকতাই ইয়াৰ বাবে দ্ৰুত সমাধান উলিয়াব পাৰিব নে?

অৱশেষত, সকলোতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল- ইয়াৰ পৰিণতি কি? আদালতে কঠোৰ নিৰ্দেশ দিলেও, ইয়াৰ নিৰীক্ষণ আৰু তদাৰকিৰ দায়িত্ব কাৰ ওপৰত? নিয়ন্ত্ৰক সংস্থাসমূহ (UGC, AICTE আদি) এই বিষয়ত কঠোৰ হ'ব পাৰিব নে? নিৰ্দেশ উলংঘাৰ বাবে প্ৰতিষ্ঠান বা কৰ্তৃপক্ষক কিমান দূৰ জবাবদিহি কৰোৱা হ'ব?

উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশনা নিশ্চয়ই এক স্বাগত মানদণ্ড স্থাপন কৰিছে। কিন্তু ইয়াৰ সফলতা নিৰ্ভৰ কৰিব প্ৰতিষ্ঠান, চৰকাৰ, নিয়ন্ত্ৰক আৰু সমাজৰ যুটীয়া সঁহাৰিৰ ওপৰত। ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ মূল্য সকলোতকৈ ওপৰত থকাটো নিশ্চিত কৰাটো কেৱল আদালতৰ নিৰ্দেশেৰে সম্ভৱ নহয়; ইয়াৰ বাবে প্ৰয়োজন সামগ্ৰিক সচেতনতা, ৰাজনৈতিক সদিচ্ছা আৰু প্ৰশাসনিক নিৰ্ভীকতা। ছাত্ৰজীৱন যাতে ভয়, হতাশা আৰু অনিশ্চয়তাৰে নাৰাখি জ্ঞান, সুৰক্ষা আৰু সুস্থ পৰিবেশেৰে ভৰপূৰ হয়, সেই দিশত এই নিৰ্দেশনা এক শক্তিশালী পদক্ষেপ হ'ব পাৰে- যদি আমি ইয়াক সঁচাকৈয়ে গুৰুত্ব দিয়ে।



## প্ৰকৃতি সংৰক্ষণৰ কথা বনাম প্ৰকৃতি ধ্বংসৰ বাস্তৱতা




**এ**ফালে চৰকাৰ, সামাজিক সংগঠন আৰু শিক্ষানুষ্ঠানসমূহে প্ৰকৃতি সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতনতা অভিযান চলাই আছে আৰু আনফালে, অসমে গৰ্ব কৰি ক'ব পৰা এজন প্ৰকৃতিবিদ, যাদৱ পায়েং দেৱে জীৱনৰ আধা ভাগ সময় উৎসৰ্গা কৰি সৃষ্টি কৰা ঐতিহাসিক "মূলাই কাঠনি"কৈই দুৰ্বৃত্তই জুই লগাই ধ্বংস কৰাৰ ঘটনাই আমাৰ সমাজৰ চিন্তাধাৰাক প্ৰশ্নবিদ্ধ কৰিছে।

যাদৱ পায়েং দেৱে ব্ৰহ্মপুত্ৰৰ বুকুৰ শুকান বালিচাপৰিত একেলগে লক্ষাধিক গছ ৰোপণ কৰি যি সেউজ বিপ্লৱৰ সূচনা কৰিছিল, সেয়া কেৱল এখন অৰণ্য নহয়; সেয়া আছিল এক দৃঢ় সংকল্প, এক সপোন আৰু এক জীৱন্ত উদাহৰণ যে এজন সাধাৰণ মানুহেও পৃথিৱীখন সলনি কৰিব পাৰে। কিন্তু সেই সপোনক জুইত জ্বলাই দিয়া ঘটনাই দেখুৱাই দিলে যে আমাৰ সমাজৰ একাংশ এতিয়াও প্ৰকৃতিৰ মূল্য উপলব্ধি কৰিবলৈ অক্ষম।

প্ৰশ্ন উঠে- যেতিয়া বিদ্যালয়ত শিশুসমূহে গছ ৰোপণৰ গুৰুত্ব শিকি আছে, যেতিয়া সভা-সমিতিত প্ৰকৃতি সংৰক্ষণৰ ভাষণ চলিছে, তেতিয়া এনে ঘৃণনীয় কাণ্ড কেনেকৈ সম্ভৱ হয়? এয়া কেৱল এখন অৰণ্য ধ্বংস নহয়; ই হৈছে মানৱতাৰ ওপৰত আক্ৰমণ, ভৱিষ্যৎ প্ৰজন্মৰ অধিকাৰৰ ওপৰত আঘাত।

প্ৰকৃতি সংৰক্ষণ কেৱল শ্লোগান, অনুষ্ঠান বা এদিনীয়া অভিযান নহয়। ই হৈছে দৈনন্দিন জীৱনৰ এক দায়িত্ববোধ। মূলাই কাঠনিৰ দৰে সম্পদক ৰক্ষা কৰা মানে কেৱল এজন ব্যক্তিৰ পৰিশ্ৰম ৰক্ষা কৰা নহয়; ই আমাৰ জলবায়ু, জৈৱ-বৈচিত্ৰ্য আৰু অসমীয়া সমাজৰ আত্মসন্মান ৰক্ষা কৰা।

এনে ঘটনা সংঘটিত হোৱাটো এক লজ্জাজনক বিষয়। একে সময়তে সমাজৰ প্ৰতিজন নাগৰিকে উপলব্ধি কৰিব লাগিব যে প্ৰকৃতি ধ্বংস কৰিলে আমি নিজৰেই ভৱিষ্যৎ ধ্বংস কৰোঁ।

যাদৱ পায়েং দেৱে সপোন দেখুৱাই দিছিল এখন সেউজ অসমৰ। সেই সপোন জ্বলাই দিব নোৱাৰিব, আমি সেই সপোনক সুৰক্ষিত কৰি ৰাখিব লাগিব- এইটোৱে হওক এই ঘটনাৰ পৰা আমি শিকা শিক্ষা।

*মৌচুম কৌশিক*
*দেৰগাঁও*

**◀◀** উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন শিক্ষানীতিয়ে সংস্কাৰৰ পৰিকল্পনা কৰিছে। বহু-প্ৰৱেশ আৰু বহু-প্ৰস্থানৰ ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ্থীক নমনীয়তা প্ৰদান কৰা হৈছে। এই ব্যৱস্থাই শিক্ষাৰ্থীক নিজৰ সুবিধা অনুসৰি শিক্ষাৰ পথ বাছি ল'বলৈ সুবিধা জনাব। ইয়াৰ উপৰিও, গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাৰ জৰিয়তে দেশৰ গৱেষণাৰ মান উন্নত কৰাৰ পৰিকল্পনা কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ সৈতে সামঞ্জস্য ৰক্ষা কৰাৰ লক্ষ্য ৰখা হৈছে, যাতে ভাৰতীয় শিক্ষাৰ্থী বিশ্বৰ প্ৰতিযোগিতামূলক পৰিৱেশত সফলতা লাভ কৰিব পাৰে। কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত অৰ্থনৈতিক বিনিয়োগ, অৱকাঠামোৰ উন্নয়ন আৰু শিক্ষকৰ সামৰ্থ্যৰ প্ৰশ্ন গুৰুত্বপূৰ্ণ হৈ পৰিছে। **▶▶**

# নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু আমাৰ শিক্ষা ব্যৱস্থা

হিমাংশু ৰঞ্জন ভূঞা

**ভা**ৰত চৰকাৰে ২০২০ চনত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (NEP) ঘোষণা কৰি দেশৰ শিক্ষা ব্যৱস্থাৰ পুনৰ্গঠনৰ বাবে এক দূৰদৰ্শী পদক্ষেপ গ্ৰহণ কৰিছে। এই নীতিয়ে শিক্ষাক্ষেত্ৰত পৰম্পৰাগত পদ্ধতিৰ সীমাবদ্ধতাসমূহ অতিক্ৰম কৰি এক সামগ্ৰিক, নমনীয় আৰু ছাত্ৰকেন্দ্ৰিক ব্যৱস্থাৰ প্ৰৱৰ্তনৰ লক্ষ্য ৰাখিছে। বিশ্বৰ দ্ৰুত পৰিৱৰ্তনশীল অৰ্থনৈতিক, সামাজিক আৰু প্ৰযুক্তিগত পৰিৱেশৰ সৈতে খোজ মিলাই চলিবলৈ শিক্ষা ব্যৱস্থাক আধুনিকীকৰণ কৰাৰ প্ৰয়াস এই নীতিৰ কেন্দ্ৰীয় উদ্দেশ্য। শিক্ষাৰ্থীৰ জ্ঞানমূলক, মানসিক, সামাজিক আৰু ব্যৱহাৰিক দক্ষতাৰ বিকাশৰ জৰিয়তে ভাৰতক এক জ্ঞানভিত্তিক অৰ্থনীতিৰ দিশে আগুৱাই নিয়াৰ সপোন এই নীতিয়ে পোষণ কৰে। অসমৰ বাহিৰৰ পৰিপ্ৰেক্ষিতত এই নীতিৰ বিভিন্ন দিশ, ইয়াৰ সম্ভাৱনা, বাস্তৱায়নৰ প্ৰত্যাহ্বান আৰু শিক্ষা ব্যৱস্থাৰ ওপৰত ইয়াৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ এক বিশদ আৰু মননশীল বিশ্লেষণৰ প্ৰয়োজন।

ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ইতিহাস অতি প্ৰাচীন আৰু বৈচিত্ৰ্যপূৰ্ণ। প্ৰাচীন গুৰুকুল পৰম্পৰাৰ পৰা আৰম্ভ কৰি মধ্যযুগীয় শিক্ষা ব্যৱস্থা, ঔপনিৱেশিক যুগৰ ইংৰাজী শিক্ষাৰ প্ৰৱৰ্তন আৰু স্বাধীনতাৰ পিছৰ ১৯৬৮ আৰু ১৯৮৬ চনৰ শিক্ষানীতিলৈকে, ভাৰতীয় শিক্ষা ব্যৱস্থাই বহুতো পৰিৱৰ্তনৰ মাজেৰে পাৰ হৈছে। কিন্তু ২১শ শতিকাৰ প্ৰেক্ষাপটত, যিসময়ত বিশ্বায়ন, প্ৰযুক্তিৰ অগ্ৰগতি আৰু জ্ঞানভিত্তিক অৰ্থনীতিয়ে বিশ্বৰ শক্তিসমূহৰ ভাৰসাম্য পৰিৱৰ্তন কৰিছে, তেতিয়া পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ সীমাবদ্ধতাসমূহ স্পষ্ট হৈ পৰিছে। পৰীক্ষাকেন্দ্ৰিক শিক্ষা, মুখস্থ বিদ্যাৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা, আৰু শিক্ষাৰ্থীৰ সৃজনশীলতা, সমালোচনাত্মক চিন্তাশক্তি আৰু ব্যৱহাৰিক দক্ষতাৰ বিকাশৰ প্ৰতি অৱহেলাই শিক্ষা ব্যৱস্থাক স্থবিৰ কৰি তুলিছিল। এই পৰিস্থিতিত নতুন শিক্ষানীতিয়ে শিক্ষাৰ্থীক ২১শ শতিকাৰ দক্ষতাৰে সুসজ্জিত কৰাৰ লক্ষ্যৰে এক নতুন দিশৰ সূচনা কৰিছে। এই নীতিয়ে শিক্ষাক কেৱল পৰীক্ষাৰ ফলাফল বা ডিগ্ৰী অৰ্জনৰ মাধ্যম হিচাপে নহয়, বৰঞ্চ জীৱনৰ বিভিন্ন ক্ষেত্ৰত সফলতাৰ বাবে প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু মূল্যবোধৰ বিকাশৰ মাধ্যম হিচাপে পৰিকল্পনা কৰিছে।

নতুন শিক্ষানীতিৰ মূল লক্ষ্য হৈছে শিক্ষাক এনে এক মঞ্চ হিচাপে গঢ়ি তোলা, য'ত শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশ সম্ভৱ হয়। এই নীতিয়ে শিক্ষাৰ্থীৰ জ্ঞানমূলক ক্ষমতাৰ লগতে তেওঁলোকৰ মানসিক, সামাজিক আৰু আৱেগিক দক্ষতাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সমালোচনাত্মক চিন্তাশক্তি, সমস্যা সমাধানৰ ক্ষমতা, সৃজনশীলতা, সহযোগিতামূলক কামৰ দক্ষতা আৰু নৈতিক মূল্যবোধৰ বিকাশৰ জৰিয়তে শিক্ষাৰ্থীক বিশ্বৰ সৈতে প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ জৰিয়তে ভাৰতক এক জ্ঞানভিত্তিক সমাজৰ দিশে আগুৱাই নিয়াৰ সপোনৰ পথ প্ৰশস্ত কৰা হৈছে। শিক্ষাৰ এইনতুন দৃষ্টিভংগীয়ে শিক্ষাৰ্থীক কেৱল জ্ঞানৰ ভাণ্ডাৰ হিচাপে নহয়, বৰঞ্চ সৃজনশীল, উদ্ভাৱনী আৰু আত্মনিৰ্ভৰশীল ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছে।

নতুন শিক্ষানীতিয়ে বিদ্যালয় শিক্ষাৰ গাঁথনিৰ পুনৰ্গঠনৰ জৰিয়তে এক আমূল পৰিৱৰ্তনৰ পথ মুকলি কৰিছে। পৰম্পৰাগত ১০+২ ব্যৱস্থাৰ সলনি ৫+৩+৩+৪ কাঠামো প্ৰৱৰ্তন কৰা হৈছে। এই নতুন গাঁথনিয়ে শিক্ষাৰ্থীৰ বয়স আৰু বিকাশৰ পৰ্যায়ৰ ওপৰত ভিত্তি কৰি শিক্ষাক চাৰিটা পৰ্যায়ত ভাগ কৰিছে। প্ৰথম পৰ্যায়ত, যিটো ৩ৰ পৰা ৮ বছৰ বয়সৰ শিশুৰ বাবে নিৰ্ধাৰিত, খেলা-ধূলাৰ জৰিয়তে শিক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই পৰ্যায়ত শিশুৰ কৌতূহল, সৃজনশীলতা আৰু সামাজিক দক্ষতাৰ বিকাশৰ লক্ষ্য ৰখা হৈছে। এই পদ্ধতিয়ে শিশুৰ মানসিক আৰু আৱেগিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। দ্বিতীয় পৰ্যায়ত, ৮ৰ পৰা ১১ বছৰ বয়সৰ শিক্ষাৰ্থীৰ বাবে, মৌলিক সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ দক্ষতাৰ ওপৰত জোৰ দিয়া হৈছে। এই পৰ্যায়ত শিক্ষাৰ্থীৰ জ্ঞানমূলক ভিত্তি গঢ়ি তোলাৰ লক্ষ্য ৰখা হৈছে। তৃতীয় পৰ্যায়ত, ১১ৰ পৰা ১৪ বছৰ বয়সৰ শিক্ষাৰ্থীৰ বাবে, বিষয়ভিত্তিক শিক্ষাৰ পৰিসৰ বৃদ্ধিৰ লগতে আন্তঃবিষয়ক শিক্ষণৰ প্ৰৱৰ্তন কৰা হৈছে। এই পৰ্যায়ত শিক্ষাৰ্থীক বিভিন্ন বিষয়ৰ মাজত সংযোগ স্থাপনৰ সুযোগ প্ৰদান কৰা হৈছে। চতুৰ্থ পৰ্যায়ত, অৰ্থাৎ ১৪ৰ পৰা ১৮ বছৰ বয়সৰ শিক্ষাৰ্থীৰ বাবে, বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত অধিক স্বাধীনতা প্ৰদান কৰা হৈছে। এই পৰ্যায়ত শিক্ষাৰ্থীয়ে নিজৰ আগ্ৰহ আৰু সামৰ্থ্যৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ পথ বাছি ল'ব পাৰিব।

এই নতুন গাঁথনিৰ মূল উদ্দেশ্য হৈছে শিক্ষাৰ্থীৰ বিকাশৰ পৰ্যায়ৰ সৈতে শিক্ষণৰ পদ্ধতিৰ সামঞ্জস্য ৰক্ষা কৰা। প্ৰাৰম্ভিক শিক্ষাৰ ক্ষেত্ৰত খেলা-ধূলাৰ জৰিয়তে শিক্ষণৰ ধাৰণাই শিশুৰ কৌতূহল আৰু সৃজনশীলতাক উৎসাহিত কৰিব। এই পদ্ধতিয়ে শিশুৰ শিক্ষণৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ লগতে তেওঁলোকৰ মানসিক আৰু আৱেগিক বিকাশত সহায় কৰিব। উচ্চতৰ পৰ্যায়ত বিষয় নিৰ্বাচনৰ স্বাধীনতাই শিক্ষাৰ্থীৰ শিক্ষাক অধিক ব্যক্তিগতকৃত আৰু প্ৰাসংগিক কৰি তুলিব। এইনমনীয়তাই শিক্ষাৰ্থীৰ স্বাভাৱিক প্ৰতিভা আৰু আগ্ৰহৰ বিকাশত সহায় কৰিব, আৰু তেওঁলোকক ভৱিষ্যতৰ কৰ্মজীৱনৰ বাবে অধিক উপযুক্তভাৱে প্ৰস্তুত কৰিব। তদুপৰি, এই গাঁথনিয়ে শিক্ষাৰ্থীৰ শিক্ষণৰ প্ৰক্ৰিয়াক অধিক আনন্দদায়ক আৰু চাপমুক্ত কৰি তুলিব, যাৰ ফলত তেওঁলোকৰ শিক্ষাৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী গঢ়ি উঠিব।

নতুন শিক্ষানীতিৰ ভাষা নীতি এক গুৰুত্বপূৰ্ণ দিশ। ভাৰতৰ ভাষিক বৈচিত্ৰ্যক সন্মান জনাই এই নীতিয়ে তিনি-ভাষিক সূত্ৰৰ পৰামৰ্শ দিছে, য'ত শিক্ষাৰ্থীয়ে মাতৃভাষা বা স্থানীয় ভাষাৰ লগতে হিন্দী আৰু ইংৰাজী শিক্ষণৰ সুযোগ লাভ কৰিব। প্ৰাৰম্ভিক শিক্ষাৰ ক্ষেত্ৰত মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। গৱেষণাই দেখুৱাইছে যে শিশোৱে নিজৰ মাতৃভাষাত শিক্ষণৰ জৰিয়তে ধাৰণাসমূহ অধিক সহজে বুজি পায়, আৰু ই তেওঁলোকৰ জ্ঞানমূলক বিকাশত সহায় কৰে। এই পদ্ধতিয়ে শিক্ষাৰ্থীৰ শিক্ষণৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ লগতে স্থানীয় ভাষা আৰু সংস্কৃতিৰ সংৰক্ষণত অৱিহণা যোগাব। মাতৃভাষাৰ মাধ্যমেৰে শিক্ষণে শিশুৰ আত্মবিশ্বাস বৃদ্ধি কৰিব আৰু তেওঁলোকৰ সাংস্কৃতিক পৰিচয়ৰ সৈতে সংযোগ স্থাপনত সহায় কৰিব। কিন্তু এই ভাষা নীতিৰ বাস্তৱায়নৰ ক্ষেত্ৰত বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ব। ভাৰতৰ বিভিন্ন ৰাজ্যত ভাষিক পৰিচয় এক স্পৰ্শকাতৰ বিষয়। কিছুমান অঞ্চলত হিন্দী বা ইংৰাজীৰ ওপৰত অত্যধিক গুৰুত্ব দিয়াৰ সম্ভাৱনাই স্থানীয় ভাষাৰ শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিব পাৰে। তদুপৰি, মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাৰ বাবে প্ৰয়োজনীয় পাঠ্যপুথি, শিক্ষকৰ প্ৰশিক্ষণ আৰু শিক্ষণ সম্পদৰ উপলব্ধতাৰ প্ৰশ্ন গুৰুত্বপূৰ্ণ। গ্ৰাম্য অঞ্চলত এই সম্পদৰ অভাৱে ভাষা নীতিৰ বাস্তৱায়নত বাধাৰ সৃষ্টি কৰিব পাৰে। ভাষা নীতিৰ বাস্তৱায়নৰ ক্ষেত্ৰত স্থানীয় সম্প্ৰদায়ৰ সৈতে সমন্বয় স্থাপন আৰু তেওঁলোকৰ মতামত গ্ৰহণ কৰাটোও অতি জৰুৰী।

পাঠ্যক্ৰমৰ ক্ষেত্ৰত নতুন শিক্ষানীতিয়ে এক আমূল পৰিৱৰ্তনৰ পৰিকল্পনা কৰিছে। পৰম্পৰাগত বিষয়ভিত্তিক শিক্ষাৰ কঠিন বিভাজনৰ পৰা মুক্তি দি আন্তঃবিষয়ক শিক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বিজ্ঞান, কলা আৰু বাণিজ্যৰ মাজৰ সীমাৰেখা অস্পষ্ট কৰি শিক্ষাৰ্থীক বিভিন্ন বিষয়ৰ মাজত সংযোগ স্থাপনৰ সুযোগ প্ৰদান কৰা হৈছে।




এই পদ্ধতিয়ে শিক্ষাৰ্থীৰ সমালোচনাত্মক চিন্তাশক্তি আৰু সৃজনশীলতাক উৎসাহিত কৰিব। উচ্চতৰ মাধ্যমিক পৰ্যায়ত শিক্ষাৰ্থীয়ে নিজৰ আগ্ৰহ অনুসৰি বিষয় নিৰ্বাচন কৰিব পাৰিব, যাৰ ফলত তেওঁলোকৰ শিক্ষা অধিক ব্যক্তিগতকৃত হৈ উঠিব। এই নমনীয়তাই শিক্ষাৰ্থীক নিজৰ প্ৰতিভা আৰু আগ্ৰহৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ পথ বাছি ল'বলৈ সুবিধা জনাব। ইয়াৰ উপৰিও, পৰীক্ষাকেন্দ্ৰিক শিক্ষাৰ পৰিৱৰ্তে ব্যৱহাৰিক শিক্ষণৰ ওপৰত জোৰ দিয়া হৈছে। প্ৰকল্পভিত্তিক শিক্ষণ, হাতে-কামে শিক্ষণ আৰু অভিজ্ঞতামূলক শিক্ষণৰ জৰিয়তে শিক্ষাৰ্থীক বাস্তৱ জীৱনৰ সমস্যা সমাধানৰ বাবে প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হৈছে। এই পদ্ধতিয়ে শিক্ষাৰ্থীৰ সমালোচনাত্মক চিন্তাশক্তি, সৃজনশীলতা আৰু সহযোগিতামূলক কামৰ দক্ষতাক উৎসাহিত কৰিব। ব্যৱহাৰিক শিক্ষণৰ এই দৃষ্টিভংগীয়ে শিক্ষাৰ্থীক কেৱল জ্ঞান আহৰণৰ বাবে নহয়, সেই জ্ঞানক বাস্তৱ জীৱনত প্ৰয়োগ কৰাৰ বাবেও প্ৰস্তুত কৰিব।

প্ৰযুক্তিৰ সংযোজন নতুন শিক্ষানীতিৰ এক মূল দিশ। আধুনিক বিশ্বত প্ৰযুক্তিৰ ভূমিকা অপৰিহাৰ্য হৈ পৰিছে, আৰু শিক্ষাক্ষেত্ৰত ইয়াৰ ব্যৱহাৰে শিক্ষণ অভিজ্ঞতাক সমৃদ্ধ কৰিব পাৰে। ডিজিটেল শিক্ষা প্লেটফৰ্ম, অনলাইন শিক্ষণ সম্পদ, কৃত্ৰিম বুদ্ধিমত্তা আৰু ভাৰ্চুৱেল শিক্ষণ পৰিৱেশৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষাৰ সুবিধা দূৰৱৰ্তী অঞ্চললৈ সম্প্ৰসাৰিত কৰাৰ পৰিকল্পনা কৰা হৈছে। বিশেষকৈ গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীৰ বাবে ডিজিটেল শিক্ষাৰ সুযোগ বৃদ্ধিয়ে শিক্ষাৰ বৈষম্য হ্ৰাস কৰিব পাৰে। ডিজিটেল শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীয়ে বিশ্বৰ যিকোনো প্ৰান্তৰ শিক্ষণ সম্পদৰ সুবিধা লাভ কৰিব পাৰিব, আৰু ই তেওঁলোকৰ শিক্ষণৰ পৰিসৰক বৃদ্ধি কৰিব। কিন্তু ডিজিটেল শিক্ষাৰ বাস্তৱায়নৰ ক্ষেত্ৰত বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ব। গ্ৰাম্য অঞ্চলত ইণ্টাৰনেটৰ সুবিধাৰ অভাৱ, ডিজিটেল যন্ত্ৰৰ সীমিত উপলব্ধতা আৰু শিক্ষক-শিক্ষাৰ্থীৰ ডিজিটেল সাক্ষৰতাৰ অভাৱে এই পৰিকল্পনাৰ পথত বাধাৰ সৃষ্টি কৰিব পাৰে। তদুপৰি, অত্যধিক প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীলতাই শিক্ষাৰ্থীৰ মানৱীয় সম্পৰ্ক আৰু সামাজিক দক্ষতাৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। প্ৰযুক্তিৰ সংযোজনৰ ক্ষেত্ৰত শিক্ষকৰ প্ৰশিক্ষণ আৰু ছাত্ৰ-শিক্ষকৰ মাজত সঠিক ভাৰসাম্য বজাই ৰখাটো অতি জৰুৰী।

শিক্ষকৰ ভূমিকা নতুন শিক্ষানীতিৰ বাস্তৱায়নৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। শিক্ষকৰ প্ৰশিক্ষণ আৰু পেছাদাৰী বিকাশৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। আধুনিক শিক্ষণ পদ্ধতি, প্ৰযুক্তিৰ ব্যৱহাৰ, আন্তঃবিষয়ক শিক্ষণ আৰু শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতিৰ বিষয়ে শিক্ষকক প্ৰশিক্ষণ প্ৰদানৰ পৰিকল্পনা কৰা হৈছে। এই প্ৰশিক্ষণৰ জৰিয়তে শিক্ষকৰ সামৰ্থ্য বৃদ্ধিৰ লগতে শিক্ষাৰ মান উন্নত কৰাৰ লক্ষ্য ৰখা হৈছে। শিক্ষকক শিক্ষাৰ্থীৰ ব্যক্তিগত প্ৰয়োজনীয়তা বুজি উঠিবলৈ আৰু তেওঁলোকৰ শিক্ষণ প্ৰক্ৰিয়াক অধিক ফলপ্ৰসূ কৰি তুলিবলৈ প্ৰশিক্ষিত কৰা হ'ব। কিন্তু শিক্ষকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰতো বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ব। গ্ৰাম্য অঞ্চলত শিক্ষকৰ অভাৱ, অপৰ্যাপ্ত বেতন, আৰু কৰ্ম পৰিৱেশৰ সমস্যাই শিক্ষকৰ মনোবলৰ ওপৰত প্ৰভাৱ পেলায়। তদুপৰি, নতুন শিক্ষানীতিৰ জটিল দিশসমূহ বুজি উঠিবলৈ আৰু বাস্তৱায়ন কৰিবলৈ শিক্ষকৰ বাবে প্ৰয়োজনীয় সময় আৰু সম্পদৰ প্ৰশ্নও উত্থাপিত হৈছে। শিক্ষকৰ প্ৰশিক্ষণৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা আৰু নিয়মীয়া আপডেটৰ প্ৰয়োজন, যাতে তেওঁলোক নতুন শিক্ষণ পদ্ধতিৰ সৈতে খাপ খুৱাব পাৰে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন শিক্ষানীতিয়ে বহুতো সংস্কাৰৰ পৰিকল্পনা কৰিছে। বহু-প্ৰৱেশ আৰু বহু-প্ৰস্থানৰ ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ্থীক নমনীয়তা প্ৰদান কৰা হৈছে। এই ব্যৱস্থাই শিক্ষাৰ্থীক নিজৰ সুবিধা অনুসৰি শিক্ষাৰ পথ বাছি ল'বলৈ সুবিধা জনাব। ইয়াৰ উপৰিও, গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাৰ জৰিয়তে দেশৰ গৱেষণাৰ মান উন্নত কৰাৰ পৰিকল্পনা কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ সৈতে সামঞ্জস্য ৰক্ষা কৰাৰ লক্ষ্য ৰখা হৈছে, যাতে ভাৰতীয় শিক্ষাৰ্থী বিশ্বৰ প্ৰতিযোগিতামূলক পৰিৱেশত সফলতা লাভ কৰিব পাৰে। কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত অৰ্থনৈতিক বিনিয়োগ, অৱকাঠামোৰ উন্নয়ন আৰু শিক্ষকৰ সামৰ্থ্যৰ প্ৰশ্ন গুৰুত্বপূৰ্ণ হৈ পৰিছে। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ মানদণ্ড উন্নত কৰাৰ বাবে প্ৰয়োজনীয় সম্পদ আৰু নীতিৰ সঠিক বাস্তৱায়নৰ প্ৰয়োজন।

নতুন শিক্ষানীতিৰ বাস্তৱায়নৰ ক্ষেত্ৰত বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ব। অৰ্থনৈতিক বিনিয়োগৰ প্ৰশ্ন অন্যতম। শিক্ষাৰ মান উন্নত কৰিবলৈ প্ৰয়োজনীয় অৱকাঠামো, শিক্ষকৰ প্ৰশিক্ষণ আৰু পাঠ্যপুথিৰ বিকাশৰ বাবে বিপুল পৰিমাণৰ অৰ্থৰ প্ৰয়োজন। গ্ৰাম্য আৰু দূৰৱৰ্তী অঞ্চলত শিক্ষাৰ সুবিধা সম্প্ৰসাৰণৰ ক্ষেত্ৰতো বিশেষ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ব। সামাজিক আৰু সাংস্কৃতিক প্ৰত্যাহ্বানো গুৰুত্বপূৰ্ণ। ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ সমাজত শিক্ষাৰ সুবিধা সকলোৰে বাবে সমানভাৱে সুলভ কৰাটো এক জটিল কাম। লিংগভিত্তিক বৈষম্য, জাতিগত বিভেদ আৰু অৰ্থনৈতিক অসমতাই শিক্ষাৰ সুযোগৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে। তদুপৰি, শিক্ষাৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত সমন্বয়ৰ অভাৱে নীতিৰ বাস্তৱায়নত জটিলতা সৃষ্টি কৰিব পাৰে।

তথাপি, এই নীতিৰ সম্ভাৱনা অপাৰ। শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত ভাৰতৰ যুৱ প্ৰজন্ম অধিক সৃজনশীল, দক্ষ আৰু আত্মনিৰ্ভৰশীল হৈ উঠিব। প্ৰযুক্তিৰ সংযোজনৰ জৰিয়তে শিক্ষাৰ সুবিধা দূৰৱৰ্তী অঞ্চললৈ সম্প্ৰসাৰিত হ'ব, আৰু ভাষা নীতিৰ জৰিয়তে স্থানীয় সংস্কৃতি আৰু ভাষাৰ সংৰক্ষণ সম্ভৱ হ'ব। সঠিক পৰিকল্পনা, সম্পদৰ ব্যৱহাৰ আৰু সকলো স্তৰৰ অংশীদাৰৰ সহযোগিতাৰ জৰিয়তে এই নীতিয়ে ভাৰতক এক জ্ঞানভিত্তিক সমাজৰ দিশে আগুৱাই নিব পাৰে। শিক্ষাৰ মান উন্নত কৰাৰ লগতে দেশৰ যুৱ প্ৰজন্মক বিশ্বৰ সৈতে প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এই নীতিৰ ভূমিকা গুৰুত্বপূৰ্ণ হ'ব।

# বড়োসকলৰ লোকনৃত্য আৰু বাগুৰুম্বা

**ব**ড়োসকলৰ বসন্তকালীন পৰম্পৰাগত লোকনৃত্য বাগুৰুম্বা। এই নৃত্যত মূলত নাৰীকেন্দ্ৰিক হয়। কিয়নো নাৰী সকলেহে এই লোকনৃত্যত অংশ লোৱা দেখা যায়। বড়ো যুৱতী সকলে একেলগে থূপহৈ ৰঙা হালধীয়া সাজ পৰিধান কৰি দুহাত মেলি মেলি পখিলাৰ দৰে দখনা চেও দি দি নাচে। এই বাগুৰুম্বা নৃত্যত কেৱল যুৱতী সকলে হে নাচে যদিও যুৱক সকলেও বাদ্যযন্ত্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। গুৰু গম্ভীৰ আৰু বিনন্দীয়া এই নৃত্যৰ গীতত প্ৰকৃতিৰ এক সহজ-সৰল উমান পোৱা যায়। বাগ্ৰুমৰ অৰ্থ হৈছে চেও দি নচা। সমনীয়াৰ সৈতে নৈসৰ্গিক পৰিৱেশত পশু পক্ষী বা পখিলাৰ দৰে উৰি অংগী ভংগি কৰি নচাৰ বাবে এই নৃত্যক বাগুৰুম্বা বুলি কোৱা হয়।

অসমৰ লোক সংস্কৃতিৰ ভড়ালটি বিভিন্ন জাতি জনগোষ্ঠীৰ লোকনৃত্য, লোকবিশ্বাস আৰু পৰম্পৰাৰে ভৰপূৰ। লোক সংস্কৃতিৰ এই বিভিন্ন জাতি জনগোষ্ঠীৰ উমৈহতীয়া দিশসমূহৰ উপৰিও প্ৰত্যেক জাতি জনগোষ্ঠীৰে নিজা নিজা মাজত প্ৰচলিত কথিত ভাষা, লোক সাহিত্য, গীত মাত, বাদ্যযন্ত্ৰ, সাজ পোচাক, অলংকাৰ, খোৱা বোৱা, গৃহ নিৰ্মাণ, বিভিন্ন উৎসৱ, বাহ বেত আদি ব্যৱহাৰ, সামাজিক সম্পৰ্ক, ৰীতি-নীতি বিষয়ক এনেক দিশ সিঁচৰতি হৈ আছে। এটা জাতি বা জনগোষ্ঠীৰ স্বাভাৱিক ৰং ৰূপ, হাঁহি আনন্দ, কৰ্ম সম্পাদনা আদি সাধাৰণতে লোকনৃত্য, লোকবিশ্বাস আদিৰ দ্বাৰা পৰিচালিত হয়। সমাজ এখনত প্ৰত্যেকগৰাকী মানুহে সমাজৰ বিভিন্ন লোকবিশ্বাস, পৰম্পৰাৰ কথা আদি কোনো প্ৰশিক্ষণ নোলোৱাকৈ আয়ত্ত্ব কৰে বা পুৰুষ ক্ৰমে সমাজৰ এই পৰম্পৰাগত নীতি নিয়ম সমূহ জানি লয়। বৈচিত্ৰ্যময় অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰপূৰ। অসমৰ বৃহত্তম জনজাতি বুলি ক'লে আমি প্ৰথমতে বড়োসকলৰ কথাকে ক'ব লাগিব। অসমত ধান খেতি আৰম্ভ কৰা বড়োসকলে প্ৰথমে শুভাৰম্ভণি কৰিছিল। বৃহত্তৰ জনজাতিৰ হোৱাৰ উপৰিও বড়োসকলৰ নিজা বিভিন্ন লোকবিশ্বাস, লোকনৃত্য, পৰম্পৰা আদিৰ দ্বাৰা পৰিপূৰ্ণ জনজাতি। বড়োসকলৰ লোকনৃত্য বুলি ক'লে আমি সাধাৰণতে বাগুৰুম্বা নৃত্যৰ কথাকে ক'ব লাগিব। এই লোকনৃত্যক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ দেশৰ প্ৰধান মন্ত্ৰীৰ উপস্থিতিত গুৱাহাটী সৰুসজাই ষ্টেডিয়ামত ১০,০০০ বড়ো যুৱতীয়ে একেলগে বাগুৰুম্বা প্ৰদৰ্শন কৰিব। তাৰ বাবে অসম চৰকাৰে ইয়াৰ পূৰ্ণাংগ আখৰা শেষ কৰিছে। চৰকাৰৰ সচ্ছিদা আৰু একাগ্ৰতাৰ বাবে বাগুৰুম্বা নৃত্য বিশ্বদৰবাৰত স্বকীয় পৰিচয় লাভ কৰিব আৰু অসম আজি গৌৰৱান্বিত, জনজাতি সমাজ প্ৰফুল্ল। এই শুভ বাৰ্তাই অসমৰ লগতে অসমৰ জনজাতি সমাজক গৌৰৱান্বিত কৰি তুলিছে।

বড়ো জাতীয় লোক নৃত্য বাগুৰুম্বা নৃত্যত কেৱল যুৱতী সকলে হে নাচে যদিও যুৱক সকলেও নৃত্যৰ বাবে প্ৰয়োজনীয় বাদ্যযন্ত্ৰত নিয়োজিত হৈ থাকে। অসমত বড়োসকলৰ লোকনৃত্যৰ দৰে আন আন জনজাতিৰো সুকীয়া সুকীয়া লোক নৃত্য আছে, যেনে ৰাভা সকলোৰ ফাৰক্ৰান্তি নৃত্য, কাৰ্বি সকলৰ কাৰ্বি নৃত্য, তিৱা নৃত্য আদি। এই জনজাতিৰ লোকনৃত্য সমূহ কৃষিৰ সৈতে সম্পৰ্কিত নৃত্য। এনেদৰে অসমৰ বিভিন্ন জনজাতিৰো বিভিন্ন লোকনৃত্য, লোকবিশ্বাস, পৰম্পৰা আছে। এই বৈচিত্ৰ্যময় লোক সংস্কৃতিয়ে অসমখনক বাৰে ৰহণীয়া অসম গঢ় দিয়াত সহায় কৰে আৰু অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সাঁকো বান্ধি ৰখাত সহায়ক হয়।

*বেণুৰাম ৰাভা*

# মাকুমত বিজেপিৰ বৰ্দ্ধিত কাৰ্য্যনিৰ্বাহক সভা



**অসম বাৰ্তা, মাকুম, ১৭ জানুৱাৰী** ঃ আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তৎপৰ হৈছে শাসকীয় দলৰ সংগঠন সমূহ। ৰাজ্যৰ প্ৰতিখন জিলাৰ প্ৰতিটো মণ্ডলত সাংগঠনিক ভেঁটি মজবুত কৰিবলৈ বৰ্দ্ধিত কাৰ্য্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি অহা পৰিলক্ষিত হৈছে। তাৰ সমান্তৰাল ভাৱে নৱগঠিত মাকুম বিধানসভা সমষ্টিটো বিজেপিৰ দখলত ৰাখিবলৈ বিজেপি দলৰ আটাইকেইটা সংগঠন তৎপৰ হৈছে। সেই লক্ষ্য উদ্দেশ্যেৰে মাকুম সমষ্টিৰ অন্তৰ্গত মাকুম মণ্ডল সমিতিৰ উদ্যোগত মাকুম যুগল কিশোৰ কেযান ভৱনত আজি বিজেপিৰ বৰ্দ্ধিত কাৰ্য্যনিৰ্বাহক সভাখনি অনুষ্ঠিত কৰা হয়। সভাৰ আৰম্ভণিতে ভাৰতীয় জনতা পাৰ্টী প্ৰতিষ্ঠাপক সকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু মাল্যাৰ্পণ কৰাৰ পাছতে ৰাষ্ট্ৰীয় বন্দনা গীত পৰিৱেশন কৰা হয়। আজিৰ সভাৰ সভাপতিত্ব কৰা মাকুম মণ্ডলৰ সভাপতি উদয় বড়াই সভাৰ আদৰণি ভাষণ প্ৰদান কৰি আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে সকলোকে তৎপৰ হ'বলৈ আহ্বান জনোৱাৰ লগতে মাকুম সমষ্টিটোত কোনো পধ্যেই বিৰোধীক সুবিধা নিদিও বুলি সকলোকে পণ ল'বলৈ আহ্বান জনায়। তাৰ পাছতে সদ্যপ্ৰয়াত ভাৰতীয় জনতা পাৰ্টীৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য তথা উত্তৰ পূৰ্বাঞ্চলৰ দলৰ ভেঁটি গঢ়োতা ভাৰত চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থ, জিলা, মণ্ডল আৰু বুথ পৰ্যায়ৰ সদ্য বিয়োগ হোৱা দলীয় কৰ্মীসকলৰ লগতে অৰুণাচল প্ৰদেশৰ আঞ্জাৱ জিলাত মৃত্যু হোৱা শ্ৰমিক সকলক স্মৰণ কৰি শোক প্ৰস্তাৱ পাঠ কৰে সভাৰ আঁতধৰা তথা লাংকাছি জিলা পৰিষদৰ সদস্য লক্ষ্মীনাথ কোচে। পৰৱৰ্তী পৰ্যায়ত সভাত উপস্থিত থকা বিজেপি উপ সভাপতি পুলক গোহাঁই আৰু সমষ্টিৰ বিস্তাৰক আশিস পাণ্ডে সাংগঠনিক ভেঁটি মজবুত কৰিবলৈ দিহা পৰামৰ্শৰ ভাষণ আগবঢ়াই। আজিৰ কাৰ্য্যনিৰ্বাহক সভাত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ মনোজ ধানোৱাৰ, মেডিয়া পেনেলিষ্ঠ ত্ৰিদীপ জ্যোতি মৰাণ, বিজেপিৰ নেতা জীমদাৰ তাঁতী, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্য্যনিৰ্বাহক সদস্য অৰুণ জ্যোতি মৰাণ, মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ, তিনিচুকীয়া জিলা পৰিষদৰ উপাধ্যক্ষা চিত্ৰলেখা দুৱৰা চোনা, প্ৰমুখ্যে কৰি ভালে সংখ্যক দলীয় কাৰ্যকৰ্তা সকল উপস্থিত থাকে।

# অসম তথা ভাৰতৰ অগ্ৰণী পৰিৱেশ্য কলা প্ৰতিষ্ঠান সূত্ৰধাৰৰ নৃত্যানুষ্ঠানে মুগ্ধ কৰিলে কলামোদী দৰ্শকক

**অসম বাৰ্তা, নগাঁও, ১৭ জানুৱাৰী** ঃ নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠানত "শ্ৰীমন্ত শংকৰদেৱৰ পৰা জুবিন গাৰ্গলৈ নৃত্যৰ এক বৰ্ণিল যাত্ৰা" শীৰ্ষক সূত্ৰধাৰৰ বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠানটিয়ে সময়োপযোগী চিন্তা-চেতনা তথা অসমৰ সমাজ-সংস্কৃতিৰ এক অনুভূতিপ্ৰৱণ ছবি দাঙি ধৰে। নৃত্যগুৰু গৌৰৱ কুমাৰ হাজৰিকা আৰু মূৰ্চ্চনা মহন্তৰ নেতৃত্বত সূত্ৰধাৰৰ শিল্পীসকলে নৃত্যালিংগনেৰে ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা তথা সমাজ সংস্কাৰ কৰি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে একতাৰ ডোলেৰে বন্ধা জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ পৰা আৰম্ভ কৰি প্ৰসিদ্ধ গীতিকাৰ পাৰ্বতিপ্ৰসাদ বৰুৱা, হীৰেণ ভট্টাচাৰ্য, মানৱদৰদী যাযাবৰী শিল্পী ড° ভূপেন হাজৰিকা, বিহুসম্ৰাট খগেন মহন্ত, প্ৰাণৰশিল্পী জুবিন গাৰ্গকে প্ৰমুখ্য কৰি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ কুকিলকণ্ঠী লতা মংগেশকাৰলৈকে বহু কেইগৰাকী বৰেণ্য ব্যক্তিৰ জীৱন পৰিক্ৰমা গীত-নৃত্যৰ মাজেৰে উপস্থাপন কৰাৰ যি প্ৰয়াস কৰিলে, নিশ্চিতভাৱে দৰ্শকৰ হৃদয় চুই যাবলৈ সক্ষম হয়। জিলা পুথিভঁৰালৰ প্ৰৱেশ দ্বাৰৰ পৰা চৌদিশ সুশোভিত সজ্জাৰ দৃষ্টিনন্দন পৰিৱেশৰ মাজেৰে অনুষ্ঠান চাক্ষুস কৰি অভিভূত উপস্থিত সকলো।




তি নিশতাধিক প্ৰশিক্ষাৰ্থীৰ কোলাহল বিহীন, নিয়মানুৱৰ্তিক আৰু পৰিশীলিত পৰিৱেশনত সৃষ্টি হৈছিল সৰগীয় পৰিবেশ যেন এক নান্দনিক উপস্থাপন। ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি থকা সূত্ৰধাৰ নগাঁও তথা অসমৰ গৌৰৱ। পোন্ধৰ বছৰীয়া যাত্ৰাৰ আদিৰে পৰা মনোমোহা নৃত্য গীত আৰু পাপু কলিতাৰ সুন্দৰ ধাৰা বিৱৰণীৰে মন ভাল লগাই লগাই শেষত উপস্থিত সকলোকে কন্দুৱালে জুবিন গাৰ্গৰ ওপৰত জুবিন গাৰ্গৰ গীত-নৃত্যৰ আধাঘণ্টাৰ মনপৰশা আলেখ্যই। ভাল লগা জুবিন গাৰ্গৰ অনুষ্ঠানটি কমেও দহহাজাৰ দৰ্শকে চাবলৈ বসন্ত উৎসৱত আমন্ত্ৰণ কৰিব বুলি ক'লে বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই। কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ৰামানুজন মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰাই উদ্বোধনী অনুষ্ঠানত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা বিশিষ্ট নাট্যকৰ্মী দীপক বৰা আৰু দিল্লী পাব্লিক স্কুলৰ অধ্যক্ষ আনোৱাৰা পাৰভেজ বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে। নগাঁও কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ অপূৰ্ব দাস বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে। মাই ভাৰত কেন্দ্ৰ নগাঁৱৰ গাণনিক আৰু কাৰ্য্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰ উপস্থিত থাকি বক্তব্য আগবঢ়োৱাৰ লগতে পৰিৱেশ্য কলাৰ অনুষ্ঠান সূত্ৰধাৰৰ নৃত্যগুৰু গৌৰৱ কুমাৰ হাজৰিকা আৰু মূৰ্চ্ছনা মহন্তৰ উপস্থিতিত ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীক 'নৃত্যধাৰক' উপাধিৰে আৰু ৯ গৰাকী ছাত্ৰ-ছাত্ৰীক 'নৃত্যবাহক' সন্মানেৰে প্ৰতিগৰাকীকে এক সুন্দৰ স্মাৰক আৰু মানপত্ৰৰে সন্মানিত কৰে। ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ ছাত্ৰৰ বটা লাভ কৰে দেবাংশু বৰাই। মহৎলোকৰ জীৱন আলেখ্যৰ এনে সাংগীতিক উপস্থাপনে যথাৰ্থতে সকলোকে অনুপ্ৰাণিত কৰে। সূত্ৰধাৰৰ এনে প্ৰচেষ্টা নিশ্চিতভাৱে প্ৰশংসাৰ যোগ্য। উল্লেখযোগ্য যে, শীতৰ সেমেকা চাৰিটি সন্ধ্যা জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত কলামোদী দৰ্শকক নিতাল-নিস্তব্ধতাৰে কেৱল নৃত্যানুষ্ঠানটিত মনোনিৱেশ কৰি বৰেণ্য ব্যক্তিসকলক স্মৰণ কৰিবলৈ যি এক কলাত্মক পৰিৱেশ গঢ়ি উঠিছে, সঁচাকৈয়ে নশলাগী নোৱাৰি। তদুপৰি মঞ্চ সজ্জা, কাৰিকৰী দিশ, সাজ-সজ্জা, সমল সামগ্ৰী ইত্যাদিবোৰো সময়সাপেক্ষ তথা যুগসাপেক্ষ হোৱা পৰিলক্ষিত হয়। পৰিৱেশ্য কলাৰ মাধ্যমেৰে সমাজলৈ এক বাৰ্তা প্ৰেৰণ কৰি অহা সূত্ৰধাৰৰ এনে জয়যাত্ৰা অব্যাহত থাকক।

# কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত সফলতাৰে সম্পন্ন হ'ল 'ৰূপহী হাট' ভোগালী মেলা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জানুৱাৰী** ঃ কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত মাঘ বিহু উপলক্ষে কলকাতাৰ অসম ভৱন প্ৰাঙ্গণত বিগত ৯ পৰা ১১ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্য্যসূচীৰে 'ৰূপহীহাট' শীৰ্ষক এখনি ভোগালী মেলা সফলতাৰে সম্পন্ন হৈ যায়। এই মেলাতেই এক পাৰম্পৰিক উৰুকাৰ প্ৰীতি ভোজৰো আয়োজন কৰা হৈছিল। ২০২৩ চনৰ পৰা কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ নিজাববীয়া উদ্যোগত অসমৰ বিভিন্ন জিলাৰ পৰা নিমন্ত্ৰণ কৰি অনা থলুৱা খাদ্য-বস্ত্ৰ-অলংকাৰ আদিৰ বহু বিপনীয়ে ভোগালী বিহুৰ সময়ত কলকতাত আয়োজন কৰা এই ৰূপহী হাট শীৰ্ষক মেলাত অংশগ্ৰহণ কৰে। সময়ৰ লগে লগে ৰূপহীহাটে কলকাতাত এক বিশেষ চিনাকি লাভ কৰিবলৈ সক্ষম হৈছে তথা কলকাতা বাসী অসমীয়া সকলৰ লগতে বংগভাষী লোক সকলৰো বিশেষ সমাদৰ লাভ কৰি অসম তথা বংগৰ মাজত এক সমন্বয়ৰ ক্ষেত্ৰ হিচাবে পৰিচিত হৈছে। উল্লেখ্য যে এইবাৰৰ ৰূপহী হাট আনুষ্ঠানিক ভাৱে উন্মোচন কৰিছিল চণ্ডীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই। কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ সভাপতি ড° খনীন্দ্ৰ পাঠক, অসম ভৱনৰ আৱাসিক অধ্যক্ষ ৰণদ্বীপ ডাম



তথা কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ মুখ্য উপদেষ্টা দেৱ সোণোৱাল তথা কলাকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ অন্যান্য সদস্য সকলৰ উপস্থিতিত অসমীয়া নঙলাৰ আৰ্হিৰে সজাই তোলা মূল প্ৰৱেশদ্বাৰ নঙলা খুলি উদ্বোধন কৰে। ৰাজ্যপালৰ সাৰগৰ্ভ উদ্বোধনী ভাষণত পৃথিৱীত সৃষ্টিৰ নিমিত্ত মহিলা সৱলী কৰণৰ পৰা আৰম্ভ কৰি ফুলৰ খেতি কৰি স্বাৱলম্বী হোৱা ডক্তৰ, ভিক্ষাৰী নথকা চণ্ডীশগড় ৰাজ্যৰ লোকসকলৰ কৰ্মোদ্যমৰ লগতে বৰ্ধিত জলবায়ু পৰিৱৰ্ত্তনক প্ৰতিৰোধ কৰিবলৈ সকলোকে এডালকৈ হ'লেও গছপুলি ৰোপণ কৰি তাক প্ৰতিপাল কৰাৰ উপদেশ দিয়ে। কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাই এই অভ্যাস বহুদিনৰে পৰাই কৰাৰ চেষ্টা কৰি আহিছে তথা আগলৈই কৰি যাব বুলি সংস্থাৰ কাৰ্য্যকৰী সভাপতি হিটেন হাটখুৱাই তেওঁৰ সামৰণি ভাষণত উল্লেখ কৰে। ইয়াৰ লগতে ৰাজ্যপাল গৰাকীয়ে অসমীয়া ভাষা আৰু সংস্কৃতিৰ এক নিজস্ব স্বকীয়তা থকাৰ কথাও অনুকীয়াই দি কয় যে যিকোনো সংস্কৃতি বা ব্যক্তিত্বয়েও তুলনাৰ সদায় উৰ্দ্ধত কিয়নো প্ৰতিটো সংস্কৃতিৰে নিজস্ব একোটা বৈশিষ্ট্য থাকে যাৰ বাবে কোনো এজন মহান ব্যক্তি বা ভাষা বা সংস্কৃতিয়েই এটা আনটোৰ প্ৰতিদ্বন্দ্বী নহয় বৰঞ্চ ই পৰিপূৰকহে। এইদৰে উল্লেখ কৰি তেওঁ কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ কলকাতা চহৰত নিজস্ব চেষ্টাৰে ৰূপহী হাটৰ দৰে অনুষ্ঠানৰ আয়োজন কৰাটোক সমন্বয়ৰ এক পদক্ষেপ বুলি উল্লেখ কৰে। উল্লেখনীয় যে এইবাৰৰ ৰূপহী হাটত অসমৰ শুৱালকুছি, বৰপেটা, শ্ৰীভূমি, বড়োলেণ্ড, গুৱাহাটী আদিৰ উপৰিও চণ্ডীশগড় ৰাজ্যৰ ৰাজ্যপাল ৰমেন ডেকাৰ তৎপৰতাত চণ্ডীশগড়ৰ পৰা ৫খন বিপনীয়ে "অতিথি ৰাজ্য" হিচাবে অংশ গ্ৰহণ কৰে। বিপনী সমূহৰ পৰিক্ৰমাৰ সময়ত ৰাজ্যপাল গৰাকীয়ে সকলোৰে লগত মত-বিনিময় কৰি তেওঁৰ অভিজ্ঞতাপুষ্ট জ্ঞানেৰে প্ৰতিখন বিপনীৰ স্বত্বাধীকাৰিকে মননশীল উপদেশ তথা মনোভাৱ ব্যক্ত কৰে। ৰূপহী হাটৰ শেষৰ দিনা নিশা অসমীয়া থলুৱা জুতিৰে আয়োজন কৰা ভোগালীৰ ভোজত কলকাতাবাসী প্ৰায় ৪ শতাধিক লোকে অংশ গ্ৰহণ কৰে। সন্ধিয়া আয়োজন কৰা সাংস্কৃতিক সন্ধ্যাত ইন্দিৰা ডেকা ৰয়, সুজাতা পল, অভিপ্ৰিয়া গোস্বামী, কানুশ্ৰী বৰুৱা, তেজপুৰৰ পৰা আহি অতিথি ৰূপে গীত পৰিৱেশন কৰা অন্বেষা কাঞ্জ্ন বৰা, হৰ্ষ ৰিব শাণ্ডিল্য, স্বপ্নীল কাশ্যপৰ গীতৰ অনুষ্ঠানে সমৱেত সকলোকে আপ্লুত কৰি ৰাখে। সংস্থাৰ সাধাৰণ সম্পাদক ইন্দুকল্প শইকীয়াই অনুষ্ঠান পৰিচালনা কৰি কয় যে কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ এনে কাৰ্যসূচী সমূহৰ প্ৰধান উদ্দেশ্যই অসমীয়া ভাষা, সাহিত্য তথা সংস্কৃতিক কলকাতাত বাস কৰা নতুন প্ৰজন্মক চিনাকি কৰাই দিয়া তথা সেই সংস্কৃতিৰে কলকাতাত বসবাস কৰা লোকসকলক একত্ৰিত হোৱা এক সুযোগ দিয়া। সাংস্কৃতিক অনুষ্ঠানৰ শেষত ভোগালীৰ লটাৰী অনুষ্ঠিত হয় আৰু উপস্থিত সকলোৱে খুউব উৎসাহ-আনন্দৰে অংশগ্ৰহণ কৰে। খাঁটি অসমীয়া ব্যঞ্জনৰে ৰন্ধা নিশাৰ আহাৰ গ্ৰহণৰ আগতে পৰম্পৰাগতভাৱে মেজি প্ৰজ্জ্বলন কৰি অগ্নিৰ ওচৰত সেৱা লৈ সকলোৱে অনাগত দিনবোৰ কুশল মংগল কামনা কৰে। ভোগালীৰ ভোজত বিভিন্নজনৰ লগতে উপস্থিত আছিল অসম ভৱনৰ যুটীয়া আৱাসিক আয়ুক্ত ৰণদ্বীপ ডাম আৰু বিশিষ্ট অভিনেত্ৰী জয়া শীল ঘোষ।

## দক্ষতা অবিহনে ৯৫ শতাংশ পোৱা মাৰ্কশ্বিট এখন পেলনীয়া কাগজ ঃ পৰেশ বৈশ্য

# উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনত প্ৰেৰণাদায়িনী সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জানুৱাৰী** ঃ ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন প্ৰেৰণাদায়িনী সভা শনিবাৰ, ১৭ জানুৱাৰী তাৰিখে সফলভাৱে অনুষ্ঠিত হৈ যায়। উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনৰ সভাগৃহত দিনৰ ১২: ৩০ বজাত আৰম্ভ হোৱা এই সভাখনত বিদ্যালয়খনৰ মুঠ ৫৭ গৰাকী ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰে। সভাখনৰ মূল উদ্দেশ্য আছিল আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে আত্মবিশ্বাস, সঠিক অধ্যয়ন কৌশল আৰু মানসিক দৃঢ়তাৰে সফলতা অৰ্জন কৰিব পৰাকৈ পথনিৰ্দেশ প্ৰদান কৰা। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থকা অৱসৰপ্ৰাপ্ত অধ্যাপক পৰেশ বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি কয় যে, "দক্ষতা অবিহনে ৯৫ শতাংশ নম্বৰ পোৱা মাৰ্কশ্বিট এখনো শেষত পেলনীয়া কাগজত পৰিণত হয়। সেয়েহে কেৱল নম্বৰ নহয়, বুজি লোৱাৰ পিছত কৌশল আৰু দক্ষতা আহৰণ কৰাটোৱেই জীৱনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ।" তেওঁ অধ্যয়নৰ কৌশল, সময় ব্যৱস্থাপনা, পুনৰাবৃত্তি (revision) পদ্ধতি আৰু পৰীক্ষা প্ৰস্তুতিৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সহজ আৰু বোধগম্য ভাষাত ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাক ভয় নহয়, এক সুযোগ হিচাপে ল'বলৈ আহ্বান জনায়। সভাখনত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক ড০ ঈশাংকুৰ শইকীয়া, প্ৰাক্তন সম্পাদক মুকুটেশ্বৰ গোস্বামী, প্ৰধানাচাৰ্য পৰেশ দাস আৰু উপপ্ৰধান আচাৰ্য খনিন্দ্ৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাত সফলতা লাভৰ বাবে প্ৰয়োজনীয় শৃঙ্খলা, একাগ্ৰতা আৰু কৌশলী অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক আত্মবিশ্বাসী হৈ নিজৰ দক্ষতাৰ সদ্ব্যৱহাৰ কৰি বিদ্যালয় তথা সমাজৰ সুনাম আৰু সুখ্যাতি বৃদ্ধি কৰিবলৈ আহ্বান জনায়। এই প্ৰেৰণাদায়িনী সভাত শ্ৰেণী আচাৰ্যসকল আৰু অভিভাৱকসকলৰ উপস্থিতিয়ে অনুষ্ঠানখন অধিক অৰ্থবহ কৰি তোলে। সভাৰ অন্তত উত্তৰ গুৱাহাটী শংকৰদেৱ শিশু নিকেতনৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়ন সামগ্ৰীৰ টোপোলা উপহাৰ হিচাপে দি আশীৰ্বাদ প্ৰদান কৰা হয়, যাতে তেওঁলোকে আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত উজ্জ্বল ফলাফল লাভ কৰিব পাৰে।

## অনৈতিক কাম কাজত জড়িত থকা সকলক ৰাজহুৱা সকিয়নী

# জনীয়াত উত্তপ্ত পৰিস্থিতি; উত্তেজিত ৰাইজে জ্বলালে জুৱাৰ ঘাটি

**অসম বাৰ্তা, জনীয়া, ১৭ জানুৱাৰী** ঃ বৰপেটা জিলাৰ বৰপেটা থানাৰ অন্তৰ্গত জনীয়াৰ দুখনকৈ হোটেল এণ্ড ৰেষ্টুৰেণ্ট ক্ৰমে লাভলি হোটেল এণ্ড ৰেষ্টুৰেণ্ট আৰু ৰয়েল গেলেস্কি হোটেল এণ্ড ৰেষ্টুৰেণ্টত নাৰী দেহ ব্যৱসায় চলাই থকাত ছাত্ৰ আৰু যুৱ সমাজে লণ্ড-ভণ্ড কৰে। যাৰ বাবে ঘটনাৰ লগত জড়িত কেইজনমান যুৱক আৰু ছাত্ৰৰ বিৰুদ্ধে ৰেষ্টুৰেণ্ট মালিক পক্ষই থানাত এজাহাৰ দাখিল কৰি হাৰাশাস্তি কৰে। ফলত জনীয়াৰ স্থানীয় ৰাইজ আৰু যুৱ সমাজে নাগৰিক সভাত গণ সাক্ষৰ অভিযান অনুষ্ঠিত হয়। আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ সম্পাদক আব্দুল মালিকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ইমৰাণ খানে। সভাত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ বৰপেটা জিলা সমিতিৰ সভাপতি ইব্ৰাহিম আলী, জনীয়া মণ্ডল কংগ্ৰেছৰ সভাপতি তাইজুদ্দিন আহমেদ, আলহাজ জয়নাল আবেদীন আৰু জনপ্ৰিয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ৰুস্তম আলীকে আদি কৰি সহস্ৰাধিক লোক উপস্থিত থাকে। সভাত গ্ৰহণ কৰা প্ৰস্তাৱ তিনিটা ক্ৰমে, ছাত্ৰ আৰু কেইজনমান যুৱকৰ বিৰুদ্ধে দিয়া এজাহাৰ উঠাইল'ব লাগিব। অন্যথা নাৰী দেহ ব্যাৱসায়ীৰ দালাল বুলি হোটেল দুখনৰ মালিকৰ ফটো ৰাজহুৱা কৰা হ'ব। তৃতীয়তে জনীয়াৰ চৌধুৰী বজাৰত বাণিজ্য মেলাৰ নামত দুষ্ট চক্ৰই চলাই থকা জুৱাৰ ঘাটি উৎখাত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ শেষত প্ৰস্তাৱ মৰ্মে শুকুৰবাৰে সন্ধিয়া নাগৰিক সমাজে ভাঙি লণ্ড-ভণ্ড কৰে জুৱা খেল ৰভা আৰু জ্বলাই দিয়ে জুৱা খেলৰ অস্থায়ী গৃহ।

# ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ শিল্পী পেঞ্চন লাভ মাজুলীৰ সুৰেন শইকীয়াৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ জানুৱাৰী** ঃ মাজুলীৰ নতুন দেওঁদিয়া আটী গাঁৱৰ সুৰেন শইকীয়াই অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে আগবঢ়োৱা ২০২৬ বৰ্ষৰ শিল্পী পেঞ্চনৰ এককালীন সাহায্য লাভ কৰিবলৈ সক্ষম হৈছে। অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰাৰ পিছত সুৰেন শইকীয়াৰ পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলত আনন্দৰ জোৱাৰ উঠিছে। বিগত বছৰ বছৰ ধৰি অঞ্চলটোত সাংস্কৃতিক



কাৰ্য্যত জড়িত থকাৰ উপৰিও মধ্য মাজুলী অঞ্চলৰ নামঘৰীয়া হিচাপে কৰ্ম সম্পাদন কৰি আহিছে সুৰেন শইকীয়াই। সমান্তৰালকৈ শিল্পী গৰাকীয়ে গুগোলৰ কঠ নিৰ্মাণেৰে শিল্পী পৰিয়ালটো ভৰণ-পোষণ দি আহিছে। অসমৰ বিভিন্ন স্থানত শিল্পী গৰাকীয়ে নিখুঁত ভাৱে প্ৰস্তুত কৰা গুগোলৰ কঠৰ আছে বহু চাহিদা। অতি নিখুঁতভাৱে প্ৰস্তুত কৰা এই কঠ সমূহৰ বাবে প্ৰয়োজন হোৱা গুগোল (কেঁচামাল)ৰ শিল্পী গৰাকীয়ে ভুৰামৰা বিল, ভোগপুৰ বিলৰ পৰা কষ্ট সাধ্যভাৱে সংগ্ৰহ কৰি আহিছে। নানা দুৰ্যোগৰ মাজতো শিল্পী গৰাকীয়ে অসমীয়া থলুৱা শিল্প এটি নান্দনিকতাৰ মাজেৰে জীয়াই ৰখাৰ চেষ্টাত ব্ৰতী হৈ আহিছে। স্থানীয় নামঘৰীয়া হিচাপেও পৰিচিত সুৰেন শইকীয়া এইবাৰ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যগত প্ৰদান কৰা এককালীন সাহায্য লাভ কৰাক লৈ শিল্পী সুৰেন শইকীয়াই সকলোকে ধন্যবাদ জনাইছে। লগতে গাঁওবাসী আৰু অঞ্চলটোৰ লোকেও সুৰেন শইকীয়াই এই সন্মান লাভ কৰাক লৈ গৌৰৱ অনুভৱ কৰিছে।

# মৰিয়নিত হিন্দু সন্মিলন সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ১৭ জানুৱাৰী** ঃ মৰিয়নিৰ সমষ্টিৰ অন্তৰ্গত মৰিয়নি জংচনৰ সমীপৰ কালিবাৰীৰ পূজা মঞ্চত হিন্দু সন্মিলনৰ অনুষ্ঠিত হয়। আজি ১৬ জানুৱাৰী শুক্ৰবাৰৰ দিনা মৰিয়নি ৮ নম্বৰ ৱাৰ্ডৰ জ্যেষ্ঠ হিন্দু ৰাইজৰ উদ্যোগত আৰু সমূহ মৰিয়নিবাসী হিন্দু সমাজৰ সহযোগিতাত এই বিশাল সভাৰ আয়োজন হয়। মৰিয়নি ৮ নম্বৰ বৰ্ডৰ জ্যেষ্ঠ ব্যক্তি শেষৰ দেক সভাপতি হিচাবে লৈ সদস্য হিচাবে চন্দন কান্তি দেৱ, কৃষ্ণগোপাল ভূমিক, দেৱশীষ বচ, অনিল পাল, উত্তম দে, মাণিক দত্ত, কাজু দাস, গৌতম দে, নাৰায়ণ মজুমদাক লৈ এখনি উদযাপন সমিতি ৰাইজে গঠন কৰি দিছিল, সেই সমিতিখনৰ উদ্যোগতেই আজিৰ এই অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰায় এক হাজাৰ মৰিয়নি বাসী উপস্থিত থকা হিন্দু সন্মিলনৰ সভাত সমল ব্যক্তি হিচাবে উপস্থিত থাকে মৰিয়নি মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰীতম শইকীয়া। তেখেতে হিন্দু ধৰ্মৰ ওপৰত বহু প্ৰয়োজন ব্যাখ্যা দাঙি ধৰে লগতে বৰ্তমান আমাৰ হিন্দু লোক সকলৰ ধৰ্মৰ ৰক্ষাৰ বাবে কৰণীয়ৰ ওপৰত বহুত পৰামৰ্শ আগবঢ়ায়। বৰ্তমান সময়ত চলি থকা সমাজ ব্যৱস্থাৰ বাবে যুৱ-প্ৰজন্মৰ নিজৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা দেখিবলৈ পোৱা নাযায়, বৰঞ্চ আনৰ ধৰ্মৰ প্ৰতি আকৰ্ষিত হোৱা দেখিবলৈ পোৱা যায় বুলি সভাত উপস্থিত সমল ব্যক্তি সকলে মন্তব্য কৰে। আমি সকলোৱে মই এৰি আমি হৈ নিজৰ হিন্দু ধৰ্মৰ ৰক্ষাৰ বাবে কম কৰিব লাগিব। আজি ১০০ বছৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই হিন্দু ধৰ্মৰ ৰক্ষাৰ বাবে কাম কৰি আহিছে আৰু কৰি যাব বুলি মন্তব্য আগবঢ়াই ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ যোৰহাট জিলা সংঘ চালক অজয় কৰ্মকাৰে আৰু নিজৰ পৰিয়াল, তাৰ পাছত সমাজ আৰু তাৰ পাছত ৰাজ্যখনৰ বাবে আমি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো সনাতনি হিন্দু এক হৈ কাম কৰিব লাগিব বুলি ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ যোৰহাট জিলাৰ বৌদ্ধিক প্ৰমুখ পাৰ্থজিত নেওগে সভাত মন্তব্য আগবঢ়াই। আত্মনিৰ্ভৰশীল হিন্দু সমাজৰ গঢ় দিয়াৰ সংকল্প ল'ব লাগিব বুলি সকলোকে অনুৰোধ জনায়। আমাৰ হিন্দু ধৰ্মৰ লোক সকলক একত্ৰিত কৰি আমাৰ মাজত একতাৰ এনাজৰীৰে বান্ধী সিন্ধু ধৰ্মক যুৱ প্ৰজন্মক নিজৰ ধৰ্মৰ বাবে সেৱা মনোভাৱেৰে আগবাঢ়িবলৈ কৰা প্ৰচেষ্টাক আজি উপস্থিত সকলোৱে প্ৰশংসা কৰে আৰু উদ্যোক্তা সকলক ধন্যবাদ জনায়।

# পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনত সপ্তশক্তি সংগম শীৰ্ষক মাতৃ সন্মিলন

## ❑ মাতৃগোটে একত্ৰিত কৰিছে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাতৃসকলক ❑

**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ জানুৱাৰী** ঃ নগাঁও জিলাৰ পুৰণিগুদামৰ আগশাৰীৰ শিক্ষানুষ্ঠান পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনত আজি অনুষ্ঠিত হয় সপ্তশক্তি সংগম শীৰ্ষক মাতৃ সন্মিলন। বিদ্যালয় মাতৃ গোটৰ উদ্যোগত আৰু বিদ্যালয় পৰিচালনা সমিতিৰ বিশেষ সহযোগত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় সেৱিকা সমিতিৰ উত্তৰ অসম প্ৰান্তৰ সেৱিকা প্ৰমুখ সন্ধ্যা গোস্বামী আৰু ৰূপহী শংকৰদেৱ বিদ্যানিকেতনৰ আচাৰ্য্যা স্বপ্না ভূঞা। বিদ্যালয়ৰ প্ৰধান আচাৰ্য্যা কবিতা বৰা কলিতাই উদ্বোধনী ভাষণ দিয়া বিশেষ সন্মিলনখনত বিশিষ্ট অতিথি কেইগৰাকীয়ে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশত মাতৃ সকলৰ ভূমিকা শীৰ্ষক দীঘলীয়া বক্তৃতা প্ৰদান কৰে। বিদ্যালয়খনৰ মাতৃ গোটৰ সভানেত্ৰী অপু বৰাই সভাপতিত্ব কৰা আৰু সম্পাদিকা স্মৃতি গোস্বামীয়ে আঁত ধৰা সন্মিলনখনত দুই শতাধিক মাতৃ উপস্থিত থাকে। উল্লেখযোগ্য যে, ১৯৯৬ চনতে জাতীয় বিদ্যালয়ৰ আধাৰত প্ৰতিষ্ঠা হোৱা বিদ্যালয়খন পিছলৈ শিশু শিক্ষা সমিতি অসমৰ অধীনলৈ যায় যদিও প্ৰতিষ্ঠাৰ দিন ধৰি বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলৰ, শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া তথা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে। বৰ্তমান সময়ত অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠানলৈ ৰূপান্তৰ হোৱা বিদ্যালয়খনৰ সফলতাৰ দিশত মাতৃসকলৰ ভূমিকা উল্লেখযোগ্য। এই ছাত্ৰ-ছাত্ৰীৰ মাতৃসকলৰ একত্ৰিত সংগঠন বিদ্যালয়ৰ মাতৃ গোটে আজি আয়োজন কৰা সপ্তশক্তি সংগম শীৰ্ষক মাতৃ সন্মিলনে বিদ্যালয়খনৰ শৈক্ষিক দিশৰ উত্তৰণত উল্লেখযোগ্য ভূমিকা পালন কৰিব। বিদ্যাভাৰতী আৰু অখিল ভাৰতীয় শিক্ষা সংস্থাৰ সংবদ্ধ শিশু শিক্ষা সমিতি অসমৰ অধীনত থকা বিদ্যালয়খনক লৈ আশাবাদী পুৰণিগুদামৰ লগতে দাঁতিকাষৰীয়া শিক্ষানুৰাগী ৰাইজ। আজি অনুষ্ঠিত হোৱা সপ্তশক্তি সংগম শীৰ্ষক মাতৃ সন্মিলনখনৰ আৰম্ভণিতে বিদ্যালয়ৰ মাতৃসকলে এটি সমবেত সংগীত পৰিৱেশন কৰে।

## সাম্প্ৰদায়িক দল বিজেপি,

জিলাৰ বিৰসিং জুৰুৱা বিধানসভা সমষ্টিৰ চৰাঞ্চলৰ বন্দীহানাৰ ফেন্সি বজাৰত ৰাইজৰ দলৰ উদ্যোগত অনুষ্ঠিত এক বিশাল গণসমাবেশত অংশগ্ৰহণ কৰি দলটোৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ লগতে সংখ্যালঘু মুছলমান অধ্যুষিত অঞ্চলত প্ৰভাৱশালী দল এ আই ইউ ডি এফকো (AIUDF) তীব্ৰ ভাষাৰে সমালোচনা কৰে। এই সমাবেশত উপস্থিত হৈ অখিল গগৈয়ে কয় যে, "আমি ধৰ্মৰ নামত ৰাজনীতি নিবিচাৰোঁ। যদি সংখ্যালঘু মুছলমান সমাজে AIUDFক ভোট দিয়ে, তেন্তে উজনি অসমৰ হিন্দু সমাজে বিজেপিক ভোট দিব। ইয়াৰ ফলত অসমত সাম্প্ৰদায়িক বিভাজন আৰু গভীৰতৰ হ'ব। এনে পৰিস্থিতিৰ পৰা উত্তৰণৰ বাবে সকলো জাতি-ধৰ্ম-জনগোষ্ঠীৰ লোকে একেলগে মিলি এখন অসাম্প্ৰদায়িক, গণতান্ত্ৰিক আৰু জনকল্যাণমূলক চৰকাৰ গঠন কৰিব লাগিব।" তেওঁ আৰু কয় যে, "মুছলিম সাম্প্ৰদায়িক দল AIUDF আৰু হিন্দু সাম্প্ৰদায়িক দল বিজেপি—দুয়োটা দলকেই অসমৰ ৰাইজে একেলগে মিলি ব্ৰহ্মপুত্ৰৰ সোঁতত উটুৱাই দিব লাগিব।" সংবাদ মাধ্যমৰ আগত দিয়া এক সাক্ষাৎকাৰত অখিল গগৈয়ে স্পষ্ট কৰি কয় যে, সংখ্যালঘু ভোটাৰৰ সংখ্যা বেছি থকা বিধানসভা সমষ্টিসমূহত যদি কংগ্ৰেছে ৰাইজৰ দলৰ বাবে যথেষ্ট ঠাই এৰি নিদিয়ে বা সহযোগিতা নকৰে, তেন্তে ৰাইজৰ দলে বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতাৰ মনোভাৱেৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। আনহাতে সমাবেশত বিৰসিং জুৰুৱা সমষ্টিৰ বৰ্তমানৰ বিধায়ক ৱাজেদ আলী চৌধুৰীৰ বিৰুদ্ধেও তীব্ৰ ক্ষোভ প্ৰকাশ কৰে অখিল গগৈয়ে। তেওঁ অভিযোগ কৰে যে, বিধায়কগৰাকীয়ে বহু বছৰ ধৰি এই অঞ্চলত কোনো উল্লেখযোগ্য উন্নয়ন কৰিব পৰা নাই। "যদি উন্নয়ন কৰিব নোৱাৰে, তেন্তে আগন্তুক নিৰ্বাচনত পুনৰ প্ৰতিদ্বন্দ্বিতা নকৰাই ভাল। ৰাইজৰ দলে এই সমষ্টিত শক্তিশালী প্ৰাৰ্থী দি উন্নয়নৰ নতুন দিশ সৃষ্টি কৰিব", — বুলি মন্তব্য কৰে তেওঁ। এই গণসমাবেশত বহু সংখ্যক স্থানীয় লোক উপস্থিত থাকি ৰাইজৰ দলৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু অসাম্প্ৰদায়িক ৰাজনীতিৰ পক্ষত শ্ল'গান দিয়ে। ৰাইজৰ দলৰ নেতৃত্বই এই সমাবেশক আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচনা কৰিছে।

## অৰুণাচলৰ চেলা হ্ৰদত

(Sela Lake)ত গতকালি (১৬ জানুৱাৰী) এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হৈছে। বৰফেৰে আবৰি থকা হ্ৰদৰ পৃষ্ঠত খোজ কাঢ়িবলৈ যোৱাৰ সময়ত বৰফ ভাঙি তিনিজন পৰ্যটক ডুব যায়। এই তিনিজনৰে দুজন কেৰেলাৰ পৰ্যটকৰ মৃত্যু হৈছে আৰু এজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰা হৈছে। ঘটনাস্থলীত উপস্থিত থকা সাতজনীয়া কেৰেলা পৰ্যটকৰ দলটোৱে গুৱাহাটীৰ পৰা তাওৱাংলৈ যোৱাৰ পথত চেলা হ্ৰদৰ ওচৰত ৰৈছিল। দুপৰীয়াৰ ভাগত (প্ৰায় ২: ৩০ৰ পৰা ৩: ০০ বজাৰ ভিতৰত) এজন পৰ্যটকে হ্ৰদৰ মাজলৈ গৈ বৰফৰ ওপৰত খোজ কাঢ়িবলৈ চেষ্টা কৰাত বৰফ ভাঙি পৰে আৰু তেওঁ ডুব যায়। তেওঁক ৰক্ষা কৰিবলৈ আন দুজনে হ্ৰদত জাঁপ মাৰে, কিন্তু তেওঁলোকো ঠাণ্ডা পানীত ডুব যায়। ভাৰতীয় সেনা (Gajraj Corps), পুলিচ, শাস্ত্ৰ সীমা বাহিনী (SSB), ৰাষ্ট্ৰীয় বিপদ প্ৰতিকাৰ বাহিনী (NDRF/SDRF) আৰু স্থানীয় প্ৰশাসনৰ যৌথ উদ্ধাৰ অভিযানত এজনক জীৱিত উদ্ধাৰ কৰা হয়। এজনৰ মৃতদেহ (Dinu বা Binu Prakash, ২৬ বছৰ) গতকালি সন্ধিয়া উদ্ধাৰ কৰা হয়। আনজন (Mahadev বা Madhav M., ২৪ বছৰ)ৰ সন্ধানত অভিযান অব্যাহত আছে। অন্ধকাৰ আৰু অতি ঠাণ্ডাৰ বাবে ৰাতি অভিযান স্থগিত ৰখা হৈছিল, কিন্তু আজি পুৱা ৮ বজাৰ পৰা পুনৰ আৰম্ভ কৰা হৈছে। চেলা হ্ৰদখন সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ১৩, ৭০০ ফুট উচ্চতাত অৱস্থিত আৰু শীতকালত সম্পূৰ্ণ বৰফেৰে আবৰি থাকে। কিন্তু বৰফৰ পৃষ্ঠ প্ৰায়ে পাতল আৰু অস্থিৰ হোৱাৰ বাবে ইয়াত খোজ কাঢ়াটো অতি বিপজ্জনক। জিলা প্ৰশাসনে ডিচেম্বৰ মাহতে পৰ্যটকসকলক এনে বৰফৰ হ্ৰদত নামিবলৈ সতৰ্কবাণী জাৰি কৰিছিল আৰু বিভিন্ন স্থানত সতৰ্কতামূলক ফলক লগোৱা হৈছে। তথাপি পৰ্যটকসকলে এই সতৰ্কতা উপেক্ষা কৰাৰ ফলত এনে দুৰ্ঘটনা ঘটি আছে। এই ঘটনাই উচ্চ উচ্চতাৰ পৰ্যটন স্থানসমূহত নিৰাপত্তাৰ প্ৰয়োজনীয়তাক আকৌ সন্মুখলৈ আনিছে। প্ৰশাসনে পৰ্যটকসকলক আবহাওৱা আৰু ৰাস্তাৰ অৱস্থা পৰীক্ষা কৰি যাত্ৰা কৰিবলৈ আহ্বান জনাইছে। উদ্ধাৰ অভিযান অব্যাহত থকাৰ লগে লগে পৰিস্থিতিৰ ওপৰত নজৰ ৰখা হৈছে।

## গুৱাহাটী-কলকাতাৰ মাজত

শনিবাৰে পশ্চিমবংগৰ মালদা টাউন ৰেলৱে ষ্টেচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ট্ৰেইনখনৰ ফ্লেগ অফ কৰে। অসমৰ কামাখ্যা জংচনত আয়োজিত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য। এই ট্ৰেইনখনে গুৱাহাটী আৰু কলকাতাৰ মাজৰ ৯৭২ কিলোমিটাৰ দূৰত্ব মাত্ৰ ১৪ ঘণ্টাৰ ভিতৰত অতিক্ৰম কৰিব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত ভাষণ প্ৰসংগত কয়, "এই বন্দে ভাৰত শি-পাৰ এ'ক্সপ্ৰেছে যাত্ৰীসকলক বিশ্বমানৰ আৰামদায়ক, নিৰাপদ আৰু দ্ৰুত যাত্ৰাৰ অভিজ্ঞতা প্ৰদান কৰিব। অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।" তেওঁ লগতে জানিবলৈ দিয়ে যে, "দেওবাৰে প্ৰধানমন্ত্ৰী অসমলৈ আহি আৰু দুখন নতুন ট্ৰেইন অসমবাসীক উপহাৰ দিব। এখন ডিব্ৰুগড়—লক্ষ্ণৌ আৰু আনখন গুৱাহাটী—নতুন দিল্লীৰ মাজত চলাচল কৰিব।" ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কয়, "ভাৰতীয় ৰেলৱেৰ এই নতুন সফলতাই উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে দেশৰ অন্যান্য অংশৰ সংযোগক আৰু শক্তিশালী কৰিব। অসমৰ দ্ৰুত বিকাশৰ বাবে ৰেলৱে খণ্ডত হোৱা অগ্ৰগতি অতি গুৰুত্বপূৰ্ণ।" ট্ৰেইনৰ বৈশিষ্ট্য আৰু সুবিধাসমূহৰ ভিতৰত মুঠ ১৬টা দবাৰে গঠিত এই ট্ৰেইনখনে একেলগে ৮২৩জন যাত্ৰী কঢ়িয়াব পাৰে, ১১টা এচি থাৰ্ড টায়াৰ, ৪টা এচি ছেকেণ্ড টায়াৰ আৰু ১টা ফাৰ্ষ্ট এচি দবা অন্তৰ্ভুক্ত, কুশনযুক্ত বাৰ্থ, উন্নত চাচপেনচন চিষ্টেম, শব্দ হ্ৰাস প্ৰযুক্তি, স্বয়ংক্ৰিয় দুৱাৰ আৰু আধুনিক যাত্ৰী তথ্য প্ৰণালী, দিব্যাংগ যাত্ৰীৰ বাবে বিশেষ ব্যৱস্থা, আধুনিক শৌচাগাৰ আৰু জীৱাণুনাশক প্ৰযুক্তি, সুৰক্ষাৰ বাবে স্বয়ংক্ৰিয় ৰেল ক্ৰছিং সুৰক্ষা ব্যৱস্থা, জৰুৰীকালীন টক-বেক ইউনিট আৰু অত্যাধুনিক ড্ৰাইভাৰ কেবিন, সপ্তাহত ছয় দিন চলাচল কৰিব। ভাড়াৰ হাৰ (গুৱাহাটী—হাওড়া) সমূহ থাৰ্ড এচি: প্ৰায় ২, ৩০০ টকা, ছেকেণ্ড এচি: প্ৰায় ৩, ০০০ টকা, ফাৰ্ষ্ট এচি: প্ৰায় ৩, ৬০০ টকা। যাত্ৰাৰ সময়ত গুৱাহাটীৰ পৰা যাওঁতে অসমীয়া খাদ্য আৰু কলকাতাৰ পৰা আহোঁতে বাঙালী খাদ্য প্ৰদান কৰা হ'ব। ট্ৰেইনখনৰ সৰ্বোচ্চ গতি ঘণ্টাত ১৮০ কিলোমিটাৰ হ'লেও সুৰক্ষাৰ কথা মনত ৰাখি ঘণ্টাত ১৩০ কিলোমিটাৰ পৰ্যন্তহে চলোৱা হ'ব। এই নতুন বন্দে ভাৰত শি-পাৰ এ'ক্সপ্ৰেছে উত্তৰ-পূৰ্বাঞ্চল আৰু পূৱ ভাৰতৰ মাজত যাতায়াত, বাণিজ্য, পৰ্যটন আৰু আৰ্থ-সামাজিক বিকাশক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

## আজি কলিয়াবৰৰ নিজ

সৰ্বসাধাৰণ ৰাইজৰ অহা-যোৱাৰ সুবিধাৰ বাবে ৪,৫০০খন যাত্ৰীবাহী বাহন অধিগ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিনা কলিয়াবৰত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তাৰ ভিতৰত অন্যতম হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে নিৰ্মাণ হ'বলগীয়া বিশাল এলিভেটেড কৰিডৰ প্ৰকল্পৰ ভূমি পূজন। এই প্ৰকল্পটোৰ মুঠ ব্যয় প্ৰায় ৬, ৯৫০ কোটি টকা (কিছুমান সূত্ৰত ৬, ৯৫৭ কোটি টকা বুলি উল্লেখ)। ইয়াৰ মূল উদ্দেশ্য হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ দিশৰ ৯টা প্ৰধান পশু চলাচলৰ কৰিডৰক সুৰক্ষিত ৰাখি যান-বাহন চলাচল অব্যাহত ৰখা আৰু মানুহ-বন্যপ্ৰাণী সংঘৰ্ষ হ্ৰাস কৰা। কাজিৰঙা এলিভেটেড কৰিডৰৰ মূল বৈশিষ্ট্যসমূহ: মুঠ দৈৰ্ঘ্য প্ৰায় ৩৪.৪৫ কিলোমিটাৰ (কিছুমান সূত্ৰত ৩৫ কিলোমিটাৰ) এলিভেটেড অংশ, সমগ্ৰ প্ৰকল্পৰ অংশ হিচাপে কলিয়াবৰ-নুমলীগড় খণ্ডৰ ৮৫.৬৭৫ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ (NH-715)ক চাৰিলেনযুক্ত কৰা হ'ব। তিনিটা ভাগত বিভক্ত: প্ৰথম অংশ: ৰাঙলুৰ পৰা দেওপানীলৈকে ১৮.৮১ কিলোমিটাৰ, দ্বিতীয় অংশ: হাৰমতিৰ পৰা হাতীখুলীলৈকে ১১.৪৭৬ কিলোমিটাৰ, তৃতীয় অংশ: পানবাৰীৰ পৰা বৰজুৰিলৈকে ৪.৯১ কিলোমিটাৰ, চাৰিলেনযুক্ত ঘাইপথৰ লগতে ১১ মিটাৰ বহল কেৰিজৱে, ২ মিটাৰ বহল চাইকেল পথ, ১০০ মিটাৰ দীঘল দুটা ভিউ পইণ্ট আৰু ডেৰ মিটাৰ দৈৰ্ঘ্যৰ ফুটপাথ। মাটিৰ পৰা ৯ মিটাৰ উচ্চতাত নিৰ্মাণ হ'ব। বান্দৰৰ বাবে দুখন ৰছীৰ দলং (কপিকুল) আৰু তিনিটা সুৰংগ (দৈৰ্ঘ্য যথাক্ৰমে ২০০ মিটাৰ, ১৪০ মিটাৰ আৰু ৯০ মিটাৰ), Wild Life Institute of Indiaৰ পৰামৰ্শ অনুসৰি নিৰ্মাণ কৰা হৈছে যাতে বন্যপ্ৰাণীৰ স্বাভাৱিক চলাচল অব্যাহত থাকে। এই এলিভেটেড কৰিডৰৰ লগতে প্ৰধানমন্ত্ৰীয়ে কলিয়াবৰ-নুমলীগড় খণ্ডৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ (৮৫.৬৭৫ কিলোমিটাৰ)ৰ আধাৰশিলাও স্থাপন কৰিব। ইয়াৰ মুঠ ব্যয় ৬, ৯৬৭ কোটি টকাৰ ভিতৰত চিভিল খৰচ ৪, ৮২৯ কোটি টকা আৰু ভূমি অধিগ্ৰহণৰ বাবে ৬২২ কোটি টকা ধাৰ্য কৰা হৈছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দুখন নতুন অমৃত ভাৰত এ'ক্সপ্ৰেছ ৰেলৰো ভাৰ্চুৱেলভাৱে উদ্বোধন কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে অসমৰ অৱকাঠামোগত উন্নয়ন, পৰ্যটন বৃদ্ধি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ লক্ষ্য লোৱা হৈছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই পদক্ষেপসমূহে ৰাজ্যত উন্নয়নৰ নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। পৰিস্থিতিৰ ওপৰত প্ৰশাসনে নিৰন্তৰ নজৰ ৰাখিছে।

## জ্যোতিপ্ৰসাদ আগৰৱালাৰ

আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত শক্তিশালী দাবী উত্থাপন কৰিছে। দাদা চাহেব ফাল্কে বঁটাৰ দৰে এই বঁটাৰ জৰিয়তে অসমৰ মহান সাংস্কৃতিক পুৰোধা জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদানক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত আছুৱে গুৰুত্ব আৰোপ কৰিছে। বাক্সা জিলাৰ বাগানপাৰাত দুদিনীয়াকৈ অনুষ্ঠিত আছুৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ দ্বিতীয় দিনা (১৭ জানুৱাৰী) এই দাবী সদৰি কৰা হয়। অনুষ্ঠানৰ পুৱা আছুৰ সভাপতি উৎপল শৰ্মাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে শ্বহীদ তৰ্পণ কৰে। তাৰ পিছতে আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি এই দাবী জনসমক্ষত আগবঢ়ায়। আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সংবাদ মাধ্যমৰ আগত কয় যে, "দাদা চাহেব ফাল্কেৰ নামত যেনেকৈ ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰে, ঠিক তেনেকৈয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামতো এটা ৰাষ্ট্ৰীয় স্তৰৰ বঁটা প্ৰতিষ্ঠা কৰিব লাগে। তেওঁ অসমৰ প্ৰথম চলচ্চিত্ৰ 'জয়মতী' নিৰ্মাণ কৰি দেশৰ চলচ্চিত্ৰ জগতত অগ্ৰণী ভূমিকা লৈছে। তেওঁৰ এই অৱদানক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিয়াটো অতি জৰুৰী।" এই উপলক্ষে আয়োজিত মূল সভাত 'জ্যোতিৰ্ময় বাগানপাৰা' নামৰ স্মাৰক গ্ৰন্থখন উন্মোচন কৰা হয়। লগতে বিভিন্ন ক্ষেত্ৰৰ শিল্পীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত অসমৰ বিভিন্ন জনজাতি আৰু জাতিৰ ছাত্ৰ সংগঠনৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰি জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত অৱদান আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰায় তিনি হাজাৰৰো অধিক মহিলাই সমবেত সংগীত পৰিৱেশন কৰি দৰ্শকক মুগ্ধ কৰে। ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আৰু কয় যে, "অসম আন্দোলনৰ আগতে যেনেকৈ কলাগুৰু বিষ্ণু ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু বাৰ্ষিকী পালন কৰা হৈ আহিছিল, আন্দোলনৰ পিছত আছুৰ নেতৃত্বত ইয়াৰ প্ৰসাৰ আৰু অধিক হৈছে। চৰকাৰে শিল্পীসকলৰ বাবে দাদা চাহেব ফাল্কে বঁটা দিয়াৰ দৰে জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ নামতো বঁটা প্ৰদান কৰিব লাগে। লগতে দুয়োজনৰ ওপৰত বৈজ্ঞানিক গৱেষণা আৰু পাঠ্যপুথিত বিস্তৃতভাৱে অন্তৰ্ভুক্তিৰ ব্যৱস্থা কৰিব লাগে।" আছুৱে এই দাবীৰ জৰিয়তে অসমৰ সাংস্কৃতিক ঐতিহ্যক ৰাষ্ট্ৰীয় মঞ্চত উজ্জ্বল কৰি তুলিব বিচাৰিছে। শিল্পী দিৱসৰ এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক জাগৰণ আৰু ঐক্যৰ বাৰ্তা পুনৰবাৰ প্ৰচাৰ কৰিছে।

## 'জেহাদ' শব্দ ব্যৱহাৰ অব্যাহত

মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে কয় যে, "জেহাদ" শব্দটো ব্যৱহাৰ কৰি থাকিলে আৰু এনে ধৰণৰ বক্তব্য অব্যাহত ৰাখিলে ৰেজাউল কৰিম সৰকাৰক জে'লত ভৰোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, "শিক্ষাৰ বিকাশৰ কথা ক'বলৈ আমাৰ কোনো আপত্তি নাই। কিন্তু 'জেহাদ' শব্দটো গণ্ডগোলীয়া আৰু দুই নম্বৰী কাৰ্যকলাপৰ সৈতে জড়িত। বিভিন্ন ধৰণৰ জেহাদৰ কথা শুনা যায় - লেণ্ড জেহাদত মাটি দখল কৰা হয়, লাভ জেহাদত ছোৱালীক ফুচুলাই লৈ যোৱা হয়, ফাৰ্টিলাইজাৰ জেহাদ কৰা হয়। গতিকে এই শব্দটোৱে সদায় নেতিবাচক অৰ্থ বহন কৰে।" তেওঁ লগতে উল্লেখ কৰে যে, ৰেজাউল কৰিম সৰকাৰে "শিক্ষা জেহাদ"ৰ কথা কৈছে, যিটোৱে লাভ জেহাদৰ দৰেই এক নেতিবাচক অৰ্থ বহন কৰে। মুখ্যমন্ত্ৰীৰ মতে, "শিক্ষাৰ বিকাশ" বুলি ক'ব পাৰিলেহেঁতেন, কিন্তু তেওঁ ইচ্ছাকৈ "জেহাদ" শব্দ ব্যৱহাৰ কৰি নিজৰ উদ্দেশ্য স্পষ্ট কৰিছে। তেওঁ কয়, "ইউ এছ টি এমৰ দৰে কিছুমান সংগঠনে এনে জেহাদ আৰম্ভ কৰিছিল, এতিয়া তেওঁলোকে ইয়াক আনুষ্ঠানিক ৰূপ দিব বিচাৰিছে। এনে কৰি থাকিলে কোনোবা দিনা ৰেজাউলক জে'ললৈ যাবলৈ বাধ্য হ'ব লাগিব।" মুখ্যমন্ত্ৰীয়ে আৰু কয়, "এতিয়ালৈকে তেওঁ কোনো আইন ভংগ কৰা নাই, কেৱল মুখেৰে কৈ আছে। কিন্তু এনেকৈ বেছিকৈ কথা কৈ থাকিলে আইনৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াত কোনো চক্ৰৰ কথা নাই। মিঞা মুছলমানৰ একাংশ লোকে এনে কাম কৰি থাকে। কম্পিউটাৰ জেহাদ, এ টি এম জেহাদ, ইণ্টাৰনেট জেহাদ - মৰিগাঁৱত এটা ডাঙৰ কেন্দ্ৰ গঢ়ি তুলিছে। এইবোৰ সকলো ডকুমেণ্টেড। এই লোকসকলে অসমখন খাই পেলাব বিচাৰে। আজি বিজেপি চৰকাৰ আছে বাবেই ক'ৰবাত বাচি আছে, নহ'লে ৰেজাউল কৰিমৰ দৰে লোক আমাৰ বৰঘৰতে সোমাই পৰিলহেঁতেন।" এই ঘটনাক লৈ ৰাজ্যত ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ চৰ্চা চলি আছে।

## ৰহা চাপৰমুখৰ নূপুৰ নৃত্য কলাকেন্দ্ৰৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে অসম ভিত্তিত নৃত্য প্ৰতিযোগিতা সফল সামৰণি

**অসম বাৰ্তা, ৰহা, ১৭ জানুৱাৰী ঃ** নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰেক্ষাগৃহত ৰহা চাপৰমুখৰ নূপুৰ নৃত্য কলাকেন্দ্ৰৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে নূপুৰ নৃত্য কলাকেন্দ্ৰৰ উদ্যোগত অসম ভিত্তিত নৃত্য প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীমূলক নৃত্যৰ অনুষ্ঠান অনুষ্ঠিত হৈ ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। নৃত্য প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে গুৱাহাটী লতাশিল বিহু সম্ৰাজ্ঞী ২০২৪ৰ শিৰুশ্ৰী শইকীয়া আৰু নৃত্য বিভূষণ ইলোৱা বৰাই। উক্ত প্ৰতিযোগিতাত এক শতাধিক কৈ অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত প্ৰথমে শিল্পী দিৱস উপলক্ষে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলক কৰি মহান শিল্পী দুগৰাকী লৈ শ্ৰদ্ধা নিবেদন কৰে। নূপুৰ নৃত্য কলাকেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক চিমি ৰাজবংশী নেতৃত্বত আৰু সহযোগী প্ৰশিক্ষক সঞ্জয় মেধি, সহযোগী সহায়ক মানস সেনাপতি, নিহাৰ ৰঞ্জন ঠাকুৰীয়া আৰু নূপুৰ নৃত্য কলা কেন্দ্ৰৰ সকলো কৰ্মকৰ্তা সহযোগত শিক্ষাৰ্থী সকলৰ দ্বাৰা বিভিন্ন নৃত্য ই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। উক্ত অনুষ্ঠানত বহুকেইজন আমন্ত্ৰিত অতিথিক সম্বৰ্দ্ধনা জ্ঞাপন কৰি বহু ৰাইজৰ সমাগমে নৃত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ বিতৰণ কৰি সকলো অংশগ্ৰহণকাৰীক মানপত্ৰ আৰু স্মাৰক প্ৰদান কৰি জাতীয় সংগীতৰে অনুষ্ঠান টিৰ সফল সামৰণি পৰে।

## হিমন্ত বিশ্ব শৰ্মাই '২৬ত

কৰে। মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত থকা ৰাজহুৱা মঞ্চত বৰক্ষেত্ৰী আৰু বৰভাগ ব্লক কংগ্ৰেছৰ উদ্যোগত আৰু নলবাৰী জিলা কংগ্ৰেছৰ সহযোগত অনুষ্ঠিত হয় বুথ আৰু বিএলএ সন্মিলন। সভা আৰম্ভণিৰ পূৰ্বেই সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে গৌৰৱ গগৈয়ে। বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক নাছিৰ প্ৰধানীয়ে আঁত ধৰা সন্মিলনৰ সভাপতিত্ব কৰে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। সন্মিলনত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ভাষণৰ আৰম্ভণিতে বিহুৰ এই সময়চোৱাত নলবাৰীত দুখনকৈ বিশাল সভা অনুষ্ঠিত কৰাত নলবাৰী জিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছক কৃতজ্ঞতা জ্ঞাপন কৰে। গৌৰৱ গগৈয়ে ভাষণ প্ৰসংগত কংগ্ৰেছৰ ভিতৰচোৱাত শেহতীয়াভাৱে নতুন শক্তিৰ জন্ম হৈছে বুলি উল্লেখ কৰি জুবিন গাৰ্গৰ স্পষ্টবাদীতাৰ দৰে কংগ্ৰেছ কৰ্মীসকলে এতিয়া বাঘৰ দৰে ওলাই আহিছে বুলিও কয়। এপিচিচিৰ সভাপতি গৌৰৱ গগৈয়ে হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাই চিণ্ডিকেটৰ জৰিয়তে নিজৰ ধন সম্পত্তি বঢ়োৱাত লাগিছে। হিমন্ত বিশ্ব শৰ্মাই এতিয়া কোনো বিজেপি দল কৰা নাই, পৰিবাৰৰ নামত ধন সম্পত্তি বঢ়োৱাত ব্ৰতী হৈছে। পৰিবাৰৰ নামত বাগান বনোৱাত লাগি পৰিছে হিমন্ত বিশ্ব শৰ্মা। তেওঁ ল'ৰাৰ নামত ১৮টা কোম্পানী খুলিলে। বিগত বিশ বছৰত অসমৰ ৰাজনীতি নিম্নস্তৰলৈ লৈ যোৱা মানুহজনেই হৈছে হিমন্ত বিশ্ব শৰ্মা। সম্প্ৰতি অসমৰ জনতাই হিমন্তক বিদায় দিয়াৰ বাবে সাজু হৈ পৰিছে। মেডিকেল কলেজ খুলিছে যদিও মেডিকেল কলেজৰ নামত বিল্ডিং আছে ডাক্তৰ নাই, মডেল কলেজ খুলিছে যদিও মডেল কলেজত কিতাপ নাই, জলজীৱন আঁচনিৰ নামত কৌটি কৌটি টকা খৰচ কৰিছে কিন্তু আঁচনিৰ পানী নাই। গৌৰৱ গগৈয়ে ভাষণ প্ৰসংগত এইবুলিও কয় যে অসমত এনেকুৱা এটা জাতি নাই যিটো জাতিক হিমন্ত বিশ্ব শৰ্মাই ঠগোৱা নাই। বিজেপি চৰকাৰৰ দিনত মানুহে গোহালিত গৰু ৰাখিবলৈ ভয় কৰিছে, এতিয়া গৰু চিণ্ডিকেটে গোহালিৰ পৰা গৰু লৈ উধাও হৈছে। অসমৰ চিণ্ডিকেট চক্ৰই অসমত উৎপাদন হোৱাটো নিবিচাৰে, তেওঁলোকে বাহিৰৰ পৰা সামগ্ৰী আনি চিণ্ডিকেট চলাই থাকিব বিচাৰে বুলিও কয় গৌৰৱ গগৈয়ে। গাঁৱৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ স্কুল নাই, পৰিবৰ্তে ল'ৰা-ছোৱালীৰ জীৱন ধ্বংস কৰাৰ বাবে গাঁৱে-ভূঞে মদৰ দোকান খুলি দিছে হিমন্ত বিশ্ব শৰ্মাই। সম্প্ৰতি ড্ৰাগছ আৰু মদৰ বাবে অসমত দিনক দিনে অপৰাধ বাঢ়ি গৈছে। মহিলাৰ নিৰাপত্তা নোহোৱা হৈছে। নিৰাপত্তা বিচাৰি ভুক্তভোগীয়ে আৰক্ষী থানালৈ গ'লে এতিয়া পুলিচে এজাহাৰ নলয়, গোচৰ ৰুজু নকৰে। কিয়নো হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ অপৰাধ যাতে কোনেও দেখা নাপায়। তাক লৈ পুলিচক সতৰ্ক কৰি দিছে হিমন্ত বিশ্ব শৰ্মাই, যাৰ বাবে ৰাজ্যত নিতৌ বাঢ়ি আহিছে অপৰাধজনিত ঘটনা। সম্প্ৰতি বৰ অসমৰ পৰিকল্পনা কৰি কংগ্ৰেছ দল ওলাই আহিছে বুলিও কয় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। ২০২৬ ত অসমত চৰকাৰ গঠন কৰাৰ বাবে অসমৰ প্ৰতিটো জাতি জনগোষ্ঠী সাজু হৈ পৰিছে বুলিও কয় গৌৰৱ গগৈয়ে। হিমন্ত বিশ্ব শৰ্মাই ২৬ ত পৰাজয়ৰ উমান পাই উত্তৰপ্ৰদেশ আৰু বিহাৰৰ পৰা মানুহ আনি ভোটাৰ তালিকাত সুমুৱাই দিছে। সেইসকলৰ ভোটৰ দ্বাৰা মুখ্যমন্ত্ৰী হ'ব বিচাৰিছে হিমন্ত বিশ্ব শৰ্মাই। কংগ্ৰেছক ভোট দিয়া মানুহৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে লাগি পৰিছে বিজেপিয়ে। কেন্দ্ৰীয় নিৰ্বাচন আয়োগৰ ওপৰত সমগ্ৰ ভাৰতৰ চকু থকা বুলি গৌৰৱ গগৈয়ে মন্তব্য কৰি নিৰ্বাচন আয়োগক নিৰপেক্ষভাৱে নিৰ্বাচনী কাম- কাজ কৰাৰ বাবে আহ্বান জনায়। সভাত নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰীয়ে উপস্থিত থাকি ভাষণ প্ৰসংগত ২৬ ত নলবাৰী জিলাৰ তিনিওটা সমষ্টিৰ পৰা বিজেপি সম্পূৰ্ণৰূপে বিনাশ হ'ব বুলি কয়। শেহতীয়াকৈ ভোটাৰ তালিকা বিশেষ সংশোধনীত বৰক্ষেত্ৰীৰ নিৰ্বাচনী পঞ্জীয়কগৰাকীৰ ভূমিকাক তীব্ৰ সমালোচনা কৰি ৰাতুল পাটোৱাৰীয়ে নিৰ্বাচন আয়োগক আগন্তুক বিধানসভা নিৰ্বাচন স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনায়। হিমন্ত বিশ্ব শৰ্মাৰ চিনাকি- অচিনাকিৰ প্ৰসংগ উত্থাপন কৰি বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ ভোটেৰে চৰ জিলা পৰিষদত জয়লাভ কৰা জিলা পৰিষদৰ সদস্যগৰাকী কেনেকৈ চিনাকি হ'ল বুলিও প্ৰশ্ন উত্থাপন কৰে ৰাতুল পাটোৱাৰীয়ে। সভাত ৩৮নং বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে ভাষণ প্ৰদান কৰি ২৬ ত গৌৰৱ গগৈৰ নেতৃত্বত চৰকাৰ গঠন হ'ব বুলি দাবী কৰে। সন্মিলনত অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ ৰাতুল কলিতা, অসম প্ৰদেশৰ উপ সভাপতি জয়ন্ত কলিতা, অসম প্ৰদেশৰ সাধাৰণ সম্পাদক ক্ৰমে অৰুণ তিৱাৰী, প্ৰাণজিৎ দাস, অদিত ভানু, ৰঞ্জন ডেকা, আনোৱাৰ আহমেদ, জিলা কংগ্ৰেছৰ উপসভাপতি জয়চৰণ বৰ্মন, বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সভাপতি পৰীক্ষিত দাস, বৰভাগ ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্মীধৰ ডেকা, নলবাৰী মহিলা কংগ্ৰেছৰ সভানেত্ৰী বিতুমনি দেৱীকে ধৰি বৰক্ষেত্ৰী মহিলা কংগ্ৰেছ, এনএছইউআই, যুৱ কংগ্ৰেছ, সেৱা দল, মণ্ডল কংগ্ৰেছৰ নেতৃত্বসহ বৰক্ষেত্ৰীৰ ২৯২টা বুথৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি পাঁচ সহস্ৰাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থাকে।

## বৰ অসম গঢ়িবলৈ হিমন্ত

হৰ ঘৰ জল আঁচনিৰ জৰিয়তে পানীৰ পাইপ বহুৱাইছে যদিও ৰাইজে পানী পাবলৈ সক্ষম নহ'ল। নলবাৰীত দিনযোৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে সংসদৰ উপ দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৰাকীয়ে আজি পুৱাৰ ভাগত উপস্থিত হয় নলবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী হৰিমন্দিৰত সেৱা লোৱাৰ পিছত পদযাত্ৰা কৰি নলবাৰীৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ অসুস্থতাৰ খবৰ লোৱাৰ লগতে বিশিষ্ট সাহিত্যিক প্ৰয়াত বসন্ত কুমাৰ ভট্টাচাৰ্যৰ গৃহতো উপস্থিত হয়। ইয়াৰ পিছতে তেওঁ নলবাৰী ৰাজীৱ ভৱনত উপস্থিত হৈ শিল্পী দিৱস উপলক্ষে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে সভাপতি গৌৰৱ গগৈয়ে। তাৰ পিছত সমূহীয়া সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি কৰাৰ অন্তত নলবাৰী থানা চ'কৰ পৰা পানীগাঁৱৰ মিলন হাইস্কুল খেলপথাৰলৈ পদযাত্ৰাত অংশগ্ৰহণ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৰাকীয়ে। পানীগাঁৱৰ মিলন হাইস্কুল খেলপথাৰত পদযাত্ৰা সামৰণি মৰাৰ অন্তত দলীয় কৰ্মী আৰু ৰাইজক উদ্দেশ্যি ভাষণ ৰাখে গৌৰৱ গগৈয়ে। তাৰ পিছতে গৌৰৱ গগৈ উপস্থিত হয় আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক প্ৰয়াত দীপক শৰ্মাৰ বাসগৃহলৈ যায় গৌৰৱ গগৈয়ে। বিয়লিৰ ভাগত বৰক্ষেত্ৰী সমষ্টিৰ মুকালমুৱাত বুথ সভাপতি আৰু BLA সকলৰ সভাতো অংশগ্ৰহণ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৰাকীয়ে। ইফালে ভাষণ প্ৰসঙ্গত গৌৰৱ গগৈয়ে কয়, হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰ দলৰ চৰকাৰে ৰাজ্যখনত শ শ চৰকাৰী বিদ্যালয় বন্ধ কৰিছে, পানীৰ পাইপ দিছে কিন্তু পানী দিব নোৱাৰিলে। ধৰ্মীয় সংখ্যালঘু, ভাষিক সংখ্যালঘু, বিভিন্ন জনগোষ্ঠীক হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ঠগিছে। এতিয়া সকলোৱে বুজি উঠিছে। একত্ৰিত হৈ হিমন্ত বিশ্ব শৰ্মাক খেদি পঠিয়াব লাগিব বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে কয়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আশে পাশে থকা মানুহবোৰৰ ৰাজনৈতিক যাত্ৰা কনী চিণ্ডিকেট, ব্ৰইলাৰ চিণ্ডিকেটৰ জৰিয়তে আৰম্ভ হৈছে। গৰুৰ নামত ভোট বিছৰা বিজেপি চৰকাৰৰ মন্ত্ৰীয়ে গৰুৰ নামত চিণ্ডিকেট চলাই বুলি ভাষণত সদৰি কৰে গৌৰৱ গগৈয়ে। ইফালে সাংবাদিকৰ স'তে হোৱা সাক্ষাৎকাৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে কয়, ৰাইজ একত্ৰিত হৈছে, এখন বৰঅসমৰ সপোণত ব্ৰতী হৈছে ৰাইজ। বিজেপি চৰকাৰৰ দুৰ্নীতি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে এতিয়া ৰাইজ সজাগ হৈছে বুলিও তেওঁ উল্লেখ কৰে। বিজেপি চৰকাৰৰ দিনত অসমীয়া লোক কোনো কাৰণতেই সুৰক্ষিত নহয় বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে বিজেপি চৰকাৰৰ দিনত অসমীয়াৰ ভেটি মাতি সুৰক্ষিত নহয় বুলি উল্লেখ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৰাকীক আজিৰ দিনযোৱা কাৰ্যসূচীত সহযোগিতা আগবঢ়াই জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক দিব্যজ্যোতি হালৈ, জ্যেষ্ঠ মুখপাত্ৰ ৰাতুল কলিতা, কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিধায়ক অশোক শৰ্মা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক ডাঃ নীলকমল ভূঞা, কংগ্ৰেছ নেতা সত্যেন দাস, দীপ বায়ন, জয় বৰ্মনকে ধৰি বিভিন্নজন নেতাই।

## 'বাগুৰুম্বা হায়ে বাগুৰুম্বা....'

বিহু আৰু ঝুমুৰৰ দৰে অভূতপূৰ্ব সফলতাৰ পিছত এইবাৰ বড়ো সমাজৰ পৰম্পৰাগত লোকনৃত্য বাগুৰুম্বাই বিশ্বৰ দৰবাৰত অনন্য মৰ্যাদা লাভ কৰিলে। কালি বিয়লি প্ৰায় ৬ বজাত বিশেষ বিমানযোগে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীক ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীয়ে উষ্ম আদৰণি জনায়। তাৰ পিছতে তেওঁ সৰুসজাইলৈ যাত্ৰা কৰি বাগুৰুম্বা দহৌত অংশগ্ৰহণ কৰে। ভাষণত প্ৰধানমন্ত্ৰীয়ে প্ৰথমে বড়ো আৰু অসমীয়া ভাষাত সম্বোধন কৰি সমগ্ৰ ৰাজ্যবাসীক মাঘ বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে, "প্ৰধানমন্ত্ৰী হিচাপে মই যিমানবাৰ অসমলৈ আহিছোঁ, সিমান কোনো প্ৰধানমন্ত্ৰী অহা নাই।" অসমৰ কলা-সংস্কৃতিৰ প্ৰশংসা কৰি তেওঁ উল্লেখ কৰে যে, অসমৰ সংস্কৃতিত এক অদ্ভুত আনন্দ নিহিত হৈ আছে আৰু ইয়াক বিশ্বমঞ্চত অধিক প্ৰতিষ্ঠা দিয়াটো চৰকাৰৰ লক্ষ্য। বাগুৰুম্বাক বড়ো সমাজৰ মহান ব্যক্তিসকলক স্মৰণ কৰাৰ এক বিশেষ উপলক্ষ বুলি আখ্যা দি তেওঁ বড়ো সমাজৰ প্ৰতিগৰাকী ব্যক্তিক শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে অসমৰ ইতিহাসক ভাৰতৰ ইতিহাসৰ সৈতে অবিচ্ছেদ্য বুলি উল্লেখ কৰি চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা, বাথৌ ধৰ্মক স্বীকৃতি আৰু বাথৌ পূজাৰ দিনটোক ৰাজ্যিক বন্ধ ঘোষণাৰ কথা স্মৰণ কৰে। লাচিত বৰফুকন আৰু জ্যোতিপ্ৰসাদ আগৰৱালাকো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ পৰিৱৰ্তনৰ ছবি দাঙি ধৰি তেওঁ কয়, "য'ত এসময়ত গুলীৰ শব্দ শুনা গৈছিল, আজি তাত খাম আৰু চিফুঙৰ মধুৰ ধ্বনি বাজে। য'ত অশান্তি আছিল, আজি তাত বাগুৰুম্বা দহৌৰ দৰে বিশাল সাংস্কৃতিক আয়োজন হৈছে।" বড়োলেণ্ড শান্তি চুক্তিক ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰি তেওঁ অস্ত্ৰ ত্যাগ কৰি মূল সোঁতলৈ উভতি অহা যুৱক-যুৱতীসকলৰ প্ৰশংসা কৰে আৰু পুনৰ সংস্থাপনৰ কাম দ্ৰুতগতিত আগবঢ়াই নিয়াৰ কথা জনায়। ভাষণত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, অসমৰ সংস্কৃতিক সন্মান জনালে কিছুমান লোকৰ কষ্ট হয় আৰু কংগ্ৰেছে অসমক সন্মান জনাব বিচৰা নাই। সুধাকণ্ঠক ভাৰতৰত্ন দিয়াৰ বিৰোধিতা, ছেমি কণ্ডা"ৰ প্ৰকল্পৰ বিৰোধিতা, অনুপ্ৰৱেশকাৰীক প্ৰশ্ৰয় দিয়া আদিৰ অভিযোগ উত্থাপন কৰি তেওঁ কয় যে, কংগ্ৰেছৰ সময়ত অসম মূল ধাৰাৰ পৰা আঁতৰি আছিল। আজি বিজেপি চৰকাৰে দখল হোৱা ভূমি মুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু বড়োলেণ্ডৰ আকাংক্ষাক পূৰণ কৰি কংগ্ৰেছৰ পাপ পৰিষ্কাৰ কৰিছে। শেষত তেওঁ কোকৰাঝাৰ-ভূটান সংযোগ, ৰে'ল যোগাযোগ আৰু এ" ইষ্ট পলিচীৰ অধীনত হোৱা প্ৰকল্পসমূহৰ কথা উল্লেখ কৰি অসমৰ উন্নয়নে সমগ্ৰ ভাৰতক নতুন গতি প্ৰদান কৰিব বুলি আশাবাদ ব্যক্ত কৰে। এই ঐতিহাসিক অনুষ্ঠানৰ জৰিয়তে বাগুৰুম্বাই কেৱল অসমৰেই নহয়, সমগ্ৰ দেশৰ সাংস্কৃতিক সমৃদ্ধিৰ প্ৰতীক হিচাপে পৰিগণিত হ'ল। ৰাজ্যবাসীৰ বাবে আজিৰ দিনটো চিৰস্মৰণীয় হৈ ৰ'ল।

## বাহিৰৰ বণিক গোষ্ঠীয়ে

বাহিৰৰ পৰা অসমলৈ অহা বণিক গোষ্ঠীসমূহক কেৱল ব্যৱসায়-বাণিজ্যৰ কথা নাভাবি অসমীয়া জাতি আৰু সমাজ জীৱনৰ প্ৰতি দায়বদ্ধ হৈ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু চন্দ্ৰ কুমাৰ আগৰৱালাৰ দৰে মহান শিল্পীসকলৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। শুকুৰবাৰৰ পৰা দুদিনীয়াকৈ তিতাবৰৰ গুদু চিনেমা প্ৰাংগণত যোৰহাট জিলা সমিতিৰ সহযোগত অজ্যুৰাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ সামৰণি অনুষ্ঠানত সভাপতি পলাশ চাংমায়ে এই গুৰুত্বপূৰ্ণ আহ্বান জনায়। শনিবাৰে পুৱা পতাকা উত্তোলনৰ পিছতে আৰম্ভ হোৱা অনুষ্ঠানত ভাষণ প্ৰসংগত চাংমায়ে কয়, "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছতে অসমীয়া সমাজ জীৱনলৈ সৰ্বাধিক অৱদান আগবঢ়োৱা মহান ব্যক্তিৰ ভিতৰত অন্যতম আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। তেওঁৰ আদৰ্শ আজিৰ প্ৰজন্মৰ বাবে অতি প্ৰাসংগিক।" তেওঁ লগতে কয় যে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ দৰে মহান শিল্পীসকলে সমাজবাদৰ পক্ষত থিয় দিছিল। তেওঁলোকে পুঁজিবাদ, সা-সম্পত্তি আৰু ভোগ-বিলাসৰ বিপৰীতে সমাজৰ সৰ্বহাৰা, দুখীয়া মানুহৰ সৈতে থিয় দিছিল। এই মূল্যবোধৰ অভাৱ আজিৰ সমাজত বেছি দেখা যায়।" আজি বহু শিল্পী আৰু ব্যক্তি ভোগ-বিলাস আৰু সম্পত্তিৰ পিছত দৌৰি ফুৰে, কিন্তু এই মহান ব্যক্তিসকলে তেনে পথৰ পৰা দূৰৈত থাকি নিজকে সত্যিকাৰৰ মহান শিল্পী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। নতুন প্ৰজন্মৰ শিল্পীসকলে এই আদৰ্শৰে আগবাঢ়ি যোৱা উচিত"- পলাশ চাংমাই মন্তব্য কৰে। তেওঁ সকলোকে অসমীয়া জাতিৰ হকে কাম কৰিবলৈ আহ্বান জনাই কয় যে, বাহিৰৰ পৰা অসমলৈ অহা ব্যৱসায়ী গোষ্ঠীসমূহে কেৱল লাভৰ হিচাপ নকৰি অসমীয়া সমাজ আৰু জাতিৰ উন্নয়নৰ কথা ভাবিব লাগে। তেওঁলোকে জ্যোতিপ্ৰসাদ আৰু চন্দ্ৰ কুমাৰ আগৰৱালাৰ দৰে মহান ব্যক্তিৰ আদৰ্শ গ্ৰহণ কৰি অসমৰ সাংস্কৃতিক আৰু সামাজিক জীৱনত অৱদান আগবঢ়াব পাৰে। অজ্যুৰাৰ এই কেন্দ্ৰীয় শিল্পী দিৱস উদযাপনৰ জৰিয়তে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আদৰ্শক জীয়াই ৰখাৰ লগতে অসমীয়া জাতীয়তাবাদী চিন্তা আৰু সমাজবাদী মূল্যবোধক নতুন প্ৰজন্মৰ মাজত জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হৈছে।

## ছিংগাপুৰৰ য়টত থকা প্ৰতিজনেই দোষী,

শনিবাৰে কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশ আৰু সত্ৰ আদালতত গোচৰটোৰ চতুৰ্থ শুনানি অনুষ্ঠিত হয়। এই শুনানিত পাঁচজন অভিযুক্তই প্ৰথমবাৰৰ বাবে জামিনৰ বাবে আনুষ্ঠানিকভাৱে আৱেদন দাখিল কৰে। আদালতে এই জামিন আৱেদনসমূহৰ শুনানিৰ বাবে অহা ২২ জানুৱাৰী তাৰিখ নিৰ্ধাৰণ কৰিছে। আনহাতে চাৰ্জফ্ৰেম প্ৰক্ৰিয়া আৰম্ভ হ'ব ৩০ জানুৱাৰীত। আজি চৰকাৰী পক্ষৰ জ্যেষ্ঠ অধিবক্তাসকলৰ দল প্ৰথমবাৰৰ বাবে আদালতত উপস্থিত হৈ নিজৰ যুক্তি-তৰ্ক উপস্থাপন আৰম্ভ কৰে। অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থৰ অধিবক্তাই কলকাতাৰ পৰা ভাৰ্চুৱেলীয়ে শুনানিত অংশগ্ৰহণ কৰে। চৰকাৰী পক্ষৰ জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰে শুনানিৰ পিছত সংবাদ মাধ্যমক জনোৱা মতে, "অভিযুক্তসকলে জামিনৰ বাবে আৱেদন দাখিল কৰিছে। সিদ্ধাৰ্থ, অমৃতপ্ৰভা, সন্দীপন গাৰ্গে আগতেই জামিন আৱেদন দাখিল কৰিছিল। আজি শ্যামকানু মহন্ত আৰু নন্দেশ্বৰ বৰাই জামিন বিচাৰি আৱেদন দাখিল কৰিছে। ২২ জানুৱাৰীত এই আৱেদনসমূহৰ শুনানি হ'ব।" অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁ চিকিৎসাৰ বাবে আৱেদন জনাইছে। চৰকাৰী অধিবক্তাই জনায় যে চিকিৎসা মৌলিক অধিকাৰ হোৱা বাবে আদালতত ইয়াৰ বিৰোধিতা কৰা হোৱা নাই। আদালতৰ শুনানিত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰ উপস্থিত থাকে। আদালতৰ পৰা ওলাই আহি গৰিমা গাৰ্গে সংবাদ মাধ্যমৰ আগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "ছিংগাপুৰৰ য়টত থকা প্ৰতিজনেই দোষী। তেওঁলোক অসমীয়া নাছিল নেকি? ৭৫ মিনিট ধৰি জুবিনৰ চিকিৎসাৰ ব্যৱস্থা কিয় কৰা নহ'ল? তেওঁলোকৰ বাবে জুবিন কেৱল মনোৰঞ্জনৰ আহিলাহে আছিল নেকি?" তেওঁ লগতে জনায় যে ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলকো তদন্তৰ আওতালৈ অনাৰ বাবে ইতিমধ্যে আবেদন জনোৱা হৈছে আৰু ছিংগাপুৰ আৰক্ষীৰ সৈতে যোগাযোগ ৰক্ষা কৰি সম্পূৰ্ণ সহযোগিতা কৰা হৈ আছে। ছিংগাপুৰৰ য়টত উপস্থিত থকাসকলক বিচাৰৰ আওতালৈ অনাৰ সম্ভাৱনা সন্দৰ্ভত জিয়াউল কামাৰে কয়, "গৰিমা গাৰ্গৰ দৃষ্টিকোণ হয়তো ঠিকেই আছে। কিন্তু এছ আই টিয়ে দাখিল কৰা চাৰ্জশ্বীটত তেওঁলোকক অভিযুক্ত বা সাক্ষী হিচাপেও অন্তৰ্ভুক্ত কৰা হোৱা নাই। তথাপি যদি বিচাৰৰ সময়ত মেটেৰিয়েল প্ৰমাণ ওলায়, তেন্তে CRPCৰ ৩১৯ ধাৰা(বৰ্তমান BNSSৰ ৩৫৮ ধাৰা)ৰ অধীনত তেওঁলোকক নতুনকৈ অভিযুক্ত হিচাপে যোগ কৰিব পাৰি।" তেওঁ আৰু কয় যে আৰক্ষীয়েও পৰিপূৰক চাৰ্জশ্বীট দাখিল কৰি তেওঁলোকক আওতালৈ অনাৰ সুবিধা আছে।

# প্ৰয়াত খৰ্গেশ্বৰ বৰুৱা আৰু জয়ন্তী বৰুৱা সোঁৱৰণী মেধা বঁটা প্ৰদান

**অসম বাৰ্তা, আমগুৰি, ১৭ জানুৱাৰী ঃ** আমগুৰি বিশিষ্ট চিকিৎসক ডা: ৰুবুল চন্দ্ৰ বৰুৱাই প্ৰতি বছৰে তেওঁৰ মাতৃ প্ৰয়াত জয়ন্তী বৰুৱা আৰু পিতৃ প্ৰয়াত খৰ্গেশ্বৰ বৰুৱাৰ সোঁৱৰণত এটি মেধা বঁটা প্ৰদান কৰি আহিছে। আমগুৰি খনিকৰ গাঁৱৰ ৰাজহুৱা মেজি থলিত গাঁওখনৰ এগৰাকী মেধাৱী ছাত্ৰ বা ছাত্ৰীক এই বঁটা প্ৰদান কৰা হয়। মূলতঃ গাঁওখনৰ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগোৱাৰ অভিপ্ৰায়েৰে প্ৰদান কৰা এই বঁটা এইবছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত খনিকৰ গাঁও খনৰ ভিতৰতে সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ দৰ্শন বৰুৱাক প্ৰদান কৰা হয়। বঁটাত এখনি প্ৰশংসা পত্ৰ, এটি স্মাৰক আৰু নগদ ৩০০০/(তিনি হাজাৰ) টকা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নৱপ্ৰজন্মৰ কবি, লেখক তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা প্ৰাঞ্জল প্ৰতিম বৰাই তেখেতৰ মননশীল বক্তব্যৰে উপস্থিত ৰাইজক আপ্লুত কৰে। অনুষ্ঠান টোৰ আঁত ধৰে আধ্যাত্মিক বক্তা তথা গাওঁ প্ৰধান উৎপল খনিকৰে। আমাৰ গাঁৱৰ কৃৰ্তি সন্তান, বৰ্তমান যোৰহাট নিবাসী, ভাৰতীয় জীৱন বীমাৰ আঞ্চলিক প্ৰবন্ধক তৰুণ জ্যোতি বৰুৱা আৰু বয়োজ্যেষ্ঠ ব্যক্তি সুৰেন বৰুৱা দেৱে অনুষ্ঠানটোত দুআষাৰ কয়। বঁটা প্ৰদান অনুষ্ঠানত পৰিয়ালৰ হৈ উপস্থিত সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ডাঃ ৰুবুল বৰুৱাই।

### পথত গতিৰোধক বিচাৰি ৰাইজৰ প্ৰতিবাদ

# ৰূপহীহাটৰ ভুৰবন্ধাত পথ দুৰ্ঘটনাত এজনৰ প্ৰাণহানি

**অসম বাৰ্তা, ৰূপহীহাট, ১৭ জানুৱাৰী ঃ** ৰূপহীহাটৰ ভুৰবন্ধাত আজি ৰাতিপুৱা এক পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ-০২-এএন-০৪৯১ নম্বৰৰ এখন তীব্ৰ বেগী চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই এজন চাইকেল আৰোহীক খুন্দা মৰাৰ ফলত সংঘটিত হয় পথ দুৰ্ঘটনাটি। উক্ত পথ দুৰ্ঘটনাৰ ফলত থিতাতে নিহত হয় চাইকেল আৰোহীজন। নিহত চাইকেল আৰোহীজনৰ নাম অজয় বৰ্মন বুলি জানিব পৰা গৈছে। নিহত অজয় বৰ্মনৰ ঘৰ ভুৰবন্ধাত। অজয় বৰ্মন চুলুংৰ পৰা ভুৰবন্ধা নিজ ঘৰলৈ চাইকেলৰে আহি থকাৰ সময়ত লাওখোৱা-চুলুং মথাউৰি সংযোগী পথত এই দুৰ্ঘটনাটি সংঘটিত হয়। এই ঠাইখিনত গতিৰোধক নথকাৰ বাবে সঘনাই পথ দুৰ্ঘটনাৰ ঘটনা সংঘটিত হৈ আহিছে। যাৰ বাবে স্থানীয় ৰাইজে পথ অৱৰোধ কৰি গতিৰোধকৰ বাবে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজে পথ অৱৰোধ কৰাত পথছোৱাত ব্যাপক জানজটৰ সৃষ্টি হয়। ঘটনাস্থলীত উলুৱনী আৰু চুলুং আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰে।

# তিনিচুকীয়া জিলা সাহিত্য সভাৰ মধ্যকালীন তালপথাৰ অধিৱেশন আৰম্ভ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৭ জানুৱাৰী ঃ** আজি পুৱা মায়ামৰা ডিৰাক সত্ৰৰ সত্ৰাধিকাৰ কাশীনাথ মহন্তই ক্ষেত্ৰ উদ্বোধন কৰি তিনিচুকীয়া জিলা সাহিত্য সভাৰ মধ্যকালীন তালপথাৰ অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই মূল পতাকা উত্তোলন কৰাৰ লগতে জিলাখনৰ মুঠ ৩৫খন পতাকা উত্তোলন কৰে জিলা বিষয়ববীয়া আৰু আদৰণি সমিতিৰ বিষয়ববীয়া সকলে। ইয়াৰ পাছতেই জিলা ৰামধেনুৰ উপ-সমিতিৰ উদ্যোগত ৰামধেনু অনুষ্ঠানটি সম্পন্ন হয়। অনুষ্ঠানটি আঁত ধৰে জিলা ৰামধেনু উপ-সমিতিৰ আহবায়ক ৰিদিপ বৰা আৰু মনমী মহন্তই। ৰামধেনু উপ-সমিতিৰ কাৰ্যকৰী সভাপতি জয়সূৰ্য বৰুৱাই উদ্বোধন কৰা অনুষ্ঠানটোত আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি ফটিক নেওগে আদৰণি ভাষণ আগবঢ়ায়। জিলাখনৰ বিভিন্ন শাখাৰ পৰা প্ৰতিনিধিত্ব কৰা অৰ্ধশতাধিক শিল্পী, নৃত্য পটিয়সীয়ে অংশগ্ৰহণ কৰি জীপাল কৰি তোলে অনুষ্ঠানটি। ইয়াৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কবিতা আবৃত্তি, ভূপেন্দ্ৰ সংগীত আৰু জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি জিলা কবি সন্মিলনখনি অনুষ্ঠিত হয়। জিলা সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে আঁত ধৰা কবি সন্মিলনখনি শুভ উদ্বোধন কৰে 'মৰাণ সাহিত্য সভা'ৰ সভাপতি ৰবীন মৰাণে। স্বৰচিত কবিতা পাঠ কৰে ক্ৰমে ৰবীন মৰাণ, মোহন মৰাণ, মৃদুল কুমাৰ দহোটীয়া, দেৱজিত বৰুৱা, বাবুল বৰুৱা, ভক্ত ধাদুমীয়া, ভৈৰৱ গোহাঁই, মণ্টু মৰাণ, অৰূপ চাংমাই, জয়ন্ত মৰাণ, জেচমিন গোহাঁই, বৰ্ণালী শইকীয়া, পুলক গগৈ, সুনীল গুৰুং আদিয়ে। এটি জ্যোতি সংগীত পৰিৱেশন কৰে পদ্মাৱতী দহোটীয়াই আৰু চমু বক্তব্য প্ৰদান কৰে সুমন মৰাণ, বীৰেণ পাচনি, মহেন্দ্ৰ মৰাণ আদিয়ে।

# হাঁহচৰা শাখা সাহিত্য সভাৰ শিল্পী দিৱস পালন

**অসম বাৰ্তা, আমগুৰি, ১৭ জানুৱাৰী ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক মৃত্যু বাৰ্ষিকীত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে যোৰহাট জিলাৰ জাঁজী হাঁহচৰা শাখা সাহিত্য সভাই সুন্দৰৰ পূজাৰীগৰাকীক সোঁৱৰণ কৰে। শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শাখা সভানেত্ৰী অৰ্পণা চুতীয়া আৰু পত্ৰিকা সম্পাদিকা মনোমালা হাজৰিকাই। শাখা সম্পাদক মদনমোহন পাগবন্ধাই আঁতধৰা অনুষ্ঠানত মনোমালা হাজৰিকাই জ্যোতি সংগীত, মদনমোহণ পাগবন্ধাই এটা স্বৰচিত কবিতা পাঠ কৰে। অনুষ্ঠানত হাঁহচৰা শাখা সাহিত্য সভাৰ জিলা প্ৰতিনিধি ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য, প্ৰচাৰ সম্পাদক অনুৰাগ শইকীয়া প্ৰমুখ্যে বিষয়ববীয়া সকল উপস্থিত থাকে।

### 'জ্যেষ্ঠ নাগৰিকসকল সমাজৰ পথিকৃত' - ড° দেৱজিৎ শইকীয়া

# মাজুলীত চৰকাৰী পেঞ্চনাৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস পালন



**অসম বাৰ্তা, উজনী মাজুলী, মাজুলী, ১৭ জানুৱাৰী ঃ** ১৯৫৭ চনতে ঐতিহ্যমণ্ডিত তেজপুৰত প্ৰতিষ্ঠা লাভ কৰা চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি মাজুলীতো দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে কমলাবাৰীত থকা জিলা পেঞ্চনাৰ ভৱনৰ সন্মুখত পুৱা সন্থাৰ পতাকা উত্তোলনেৰে দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ কৰে মাজুলী জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সভাপতি কৃষ্ণকমল শইকীয়াই। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে সন্থাৰ দুগৰাকী উপদেষ্টা ক্ৰমে হিতেশ্বৰ বৰা আৰু কমল চন্দ্ৰ শইকীয়াই। দুপৰীয়া ১১ বজাৰ পৰা সন্থাৰ সভাপতি কৃষ্ণকমল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনিৰ শুভাৰম্ভণি কৰা হয় সত্ৰীয়া শিল্পী মুহিকান্ত বৰা বৰবায়নৰ দ্বাৰা পৰিৱেশিত এটি বৰগীতেৰে। জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক অৰুণ কুমাৰ পাঠকে আঁত ধৰা সভাখনিৰ আৰম্ভণিতে বিশিষ্ট অতিথিসকলক আদৰণি জনোৱা হয়। জিলা পেঞ্চনাৰ সন্থাৰ উপদেষ্টা কমল চন্দ্ৰ শইকীয়াই মাজুলী জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ ইতিহাস সম্পৰ্কে বক্তব্য আগ বঢ়ায়। নিৰ্দিষ্ট বক্তাৰ ভাষণ দি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "জ্যেষ্ঠ নাগৰিকসকল সমাজৰ পথিকৃত। আমাৰ সমাজৰ বৰ্তমানৰ ধৰণীস্বৰূপ জ্যেষ্ঠ নাগৰিকসকলে নিজৰ জীৱনৰ সঞ্চিত অভিজ্ঞতাৰে যদি ভৱিষ্যত প্ৰজন্মক মাৰ্গদৰ্শন কৰে তেতিয়া সমাজৰ পৰম উপকাৰ সাধিত হ'ব।" শিশু মহীয়ান উপাধিপ্ৰাপক লোহিত বৰাক সম্বৰ্ধনা জনোৱা হয়। সভাত অনাতৈঁৰ শিল্পী অণিমা শইকীয়া আৰু দিপালী বৰাই জ্যোতি সংগীত পৰিৱেশন কৰে। সমজুৱাৰ তৰফৰ পৰা ৰাজ্যিক কাৰ্য নিৰ্বাহক সদস্য ললিত চন্দ্ৰ হাজৰিকা, ৰাজ্যিক প্ৰাক্তন উপ-সভাপতি যতীন্দ্ৰ নাথ বৰুৱা, শিশুমহীয়ান লোহিত বৰা আদিয়ে বক্তব্য প্ৰদান কৰে। সভাত খগেন হাজৰিকা, বদন শইকীয়া, সত্যনাথ বৰা, গোপাল বৰা, জগন্নাথ দুৱৰীয়া, কৰুণা বৰা, ৰত্নেশ্বৰ বৰা, দিলীপ শইকীয়া, সূৰ্য কুমাৰ বৰুৱা, ভৰত শইকীয়া প্ৰমুখ্য শতাধিক লোক উপস্থিত থাকে।

# বিধায়ক প্ৰদীপ হাজৰিকাৰ জ্যেষ্ঠ ভগ্নী হিৰণ্য হাজৰিকাৰ মৃত্যু; আমগুৰিত শোক

**অসম বাৰ্তা, আমগুৰি, ১৭ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নপাম গাঁৱৰ নিবাসী তথা আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰ জ্যেষ্ঠ ভগ্নী হিৰণ্য হাজৰিকাই যোৱা ১৪ জানুৱাৰীৰ নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত বাৰ্ধক্যজনিত কাৰণত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৮ বছৰ। মৃত্যুৰ পাছত হিৰণ্য হাজৰিকাৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা আমগুৰিলৈ আনি বিধায়ক প্ৰদীপ হাজৰিকাৰ বাসগৃহত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নপাম গাঁও নামঘৰ পৰিচালনা সমিতি, জ্ঞান বিকাশ ফাউণ্ডেচন, জ্ঞান বিকাশ বিদ্যাপীঠ, অগপ শিৱসাগৰ আৰু নাজিৰা বিধানসভা সমিতিৰ লগতে আমগুৰি মহকুমা কৃষি বিভাগ, গৌৰীসাগৰ আঞ্চলিক পঞ্চায়ত, গধূলি বজাৰ, জকাইচুক, শলগুৰি, মৰাবজাৰ সমবায় সমিতি আৰু অগপৰ দিখৌমুখ, ভূএগ্ৰাহাট, বৰুৱা পুখুৰী আদি বহু আঞ্চলিক সংগঠনে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নপাম অঞ্চলৰ প্ৰথমগৰাকী মহিলা বিজ্ঞান স্নাতক হিচাপে পৰিচিত হিৰণ্য হাজৰিকা "অসম ওৱেৰ হাউচ"ৰ প্ৰাক্তন পৰিচালক আছিল। তদুপৰি তেওঁ আমগুৰিৰ অসমীয়া মাধ্যমৰ আগশাৰীৰ বিদ্যালয় 'জ্ঞানবিকাশ বিদ্যাপীঠ'ৰ অধ্যক্ষা হিচাপে দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰি আমগুৰিৰ শিক্ষা ক্ষেত্ৰখনলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। উল্লেখ্য যে, অবিবাহিত হিৰণ্য হাজৰিকাই পিতৃৰ বিয়োগৰ পাছত বিধায়ক প্ৰদীপ হাজৰিকাৰ পৰিয়ালৰ সকলো দায়িত্ব নিজে কান্ধপাতি লৈ পৰিয়ালটোক একত্ৰিত কৰি আগবঢ়াই নিছিল। তেওঁৰ বিয়োগত নপাম তথা আমগুৰি অঞ্চলত শোকৰ ছাঁ পৰিছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বন্যপ্ৰাণী সংৰক্ষণ আৰু সংবাদ-মাধ্যম বিষয়ক আঞ্চলিক কৰ্মশালা সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৭ জানুৱাৰী ঃ** Media for Wildlife (MFW)-এ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণ-যোগাযোগ অধ্যয়ন কেন্দ্ৰৰ সহযোগত বিশ্ববিদ্যালয়খনৰ 'বিশ্ৰান্ত' অতিথিশালাৰ সভাগৃহত 'বন্যপ্ৰাণীৰ বাবে সংবাদ মাধ্যম' (Media for Wildlife) শীৰ্ষক বিষয়ৰ ওপৰত ১৭ জানুৱাৰীত অনুষ্ঠিত কৰা পঞ্চম আঞ্চলিক কৰ্মশালাত পৰিৱেশ আৰু বন্যপ্ৰাণী বিষয়ক দায়িত্বশীল সংবাদ প্ৰচাৰৰ বাবে এক শক্তিশালী আহ্বান ধ্বনিত হয়। কৰ্মশালাখনিত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ সাংবাদিক, শিক্ষাৰ্থী, পৰিৱেশ কৰ্মী আৰু প্ৰকৃতি প্ৰেমীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনিৰ উদ্বোধনী সত্ৰত MFWৰ আহ্বায়ক তথা বিশিষ্ট সাংবাদিক মৃণাল তালুকদাৰে অংশগ্ৰহণকাৰীসকলক আদৰণি জনাই বন্যপ্ৰাণী সংৰক্ষণত জনসচেতনতা গঢ়ি তোলাত সংবাদ-মাধ্যমৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকাই কৰ্মশালাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণত অধ্যাপক হাজৰিকাই সংবেদনশীল আৰু নৈতিক সাংবাদিকতাই বিপন্ন প্ৰজাতি আৰু ভঙ্গুৰ পৰিৱেশ ব্যৱস্থাক ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সাংবাদিকতা আৰু গণ-যোগাযোগ অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ ড° প্ৰাঞ্জল প্ৰতিম বৰগোহাঁইয়েও উদ্বোধনী অনুষ্ঠানত বক্তব্য ৰাখে। কাৰিকৰী সত্ৰসমূহত ক্ষেত্ৰ-অভিজ্ঞতা আৰু সংৰক্ষণৰ প্ৰত্যাহ্বানৰ এক প্ৰাঞ্জল সমাহাৰ দেখা যায়। Wildlife Trust of India-ৰ ড° ৰথীন বৰ্মন আৰু Assam Elephant Foundation-ৰ কৌশিক বৰুৱাই বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰসংস্থাপনৰ বাস্তৱ অভিজ্ঞতা বৰ্ণনা কৰি বাসস্থান ধ্বংস আৰু মানুহ-বন্যপ্ৰাণী সংঘাতৰ বাঢ়ি অহা সংকটৰ ওপৰত আলোকপাত কৰে। WWFৰ ড° অনুপম শৰ্মাই অসমৰ সমৃদ্ধ জীৱ-বৈচিত্ৰ্যক "পৰিৱেশীয় ধনভাণ্ডাৰ" বুলি আখ্যা দি অধিক দৃশ্যমানতা আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। WTI-ৰ আফতাব আহমেদে অসমৰ ৰাজ্যিক চৰাই দেওহাঁহ (White-winged Duck)-ৰ সংকুচিত বাসস্থানৰ বাবে তাৎক্ষণিক সংৰক্ষণমূলক পদক্ষেপ আৰু এই ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিবলৈ সংবাদ মাধ্যমক আহ্বান জনায়। নৈতিক বন্যপ্ৰাণী সাংবাদিকতা বিষয়ক সত্ৰত বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈয়ে অতিৰঞ্জন এৰি শুদ্ধতা, সহমৰ্মিতা আৰু দায়িত্বশীলতাৰে সংবাদ পৰিৱেশন কৰিবলৈ সাংবাদিকসকলক অনুৰোধ জনায়। 'আৰণ্যক'ৰ সাধাৰণ সম্পাদক ড° বিভৱ তালুকদাৰে বন্যপ্ৰাণী আৰু পৰিৱেশ আইনসমূহৰ বিষয়ে ব্যাখ্যা কৰি সচেতন সংবাদ প্ৰচাৰে সংৰক্ষণ আন্দোলন শক্তিশালী কৰিব পাৰে বুলি উল্লেখ কৰে। প্ৰতিটো সত্ৰৰ পাছতেই সজীৱ মতবিনিময় অনুষ্ঠিত হয়, য'ত অংশগ্ৰহণকাৰীসকলে বিশেষজ্ঞ সমল ব্যক্তিসকলৰ সৈতে প্ৰত্যক্ষভাৱে আলোচনাত মিলিত হয়। কৰ্মশালাৰ সামৰণি সত্ৰত 'নেচাৰ্চ বেকন'ৰ সৌম্যদীপ দত্তই নিজৰ অনুভৱ ব্যক্ত কৰি অসমৰ প্ৰাকৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে বিশ্বাসযোগ্য আৰু সঠিক তথ্য সমৃদ্ধ সংবাদ পৰিৱেশন অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে। ড° প্ৰাঞ্জল প্ৰতিম বৰগোহাঁইয়ে সামৰণি বক্তব্য আগবঢ়োৱাৰ পাছতেই কৰ্মশালাৰ পৰিসমাপ্তি ঘটে। উপস্থিত অংশগ্ৰহণকাৰীসকলৰ মাজত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ বিতৰণ কৰা হয়।

# মাজুলী ভিত্তিত জ্যোতি সংগীত প্ৰতিযোগিতাত দেৱাশিস বৰা শ্ৰেষ্ঠ প্ৰতিযোগী নামনি মাজুলীৰ বালিচাপৰিৰ মিলিত কৃষ্টি সংঘৰ উদ্যোগত শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মাজুলী, ১৭ জানুৱাৰী ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ সমাজ সংস্কৃতিৰ সৰ্ববৃহৎ অনুষ্ঠান বালিচাপৰি মিলিত কৃষ্টি সংঘৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস উদযাপন কৰা হয়। মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত উক্ত শিল্পী দিৱস উপলক্ষে মাজুলী জিলা ভিত্তিত প্ৰাইজমাণি জ্যোতি সংগীত প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিল্পী দিৱস উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণ পাছত মিলিত কৃষ্টি সংঘৰ পতাকা উত্তোলন কৰে মিলিত কৃষ্টি সংঘৰ সভাপতি প্ৰকাশ প্ৰসাদে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে সংঘৰ সাধাৰণ সম্পাদক যদু কলিতাই। গছপুলি ৰোপণ কৰে বিশিষ্ট পৰিৱেশ কৰ্মী অতুল হাজৰিকাই। পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট শিল্পী, সংগীতজ্ঞ তথা সংগীত পৰিচালক অৰূপজ্যোতি বৰুৱাই। দুপৰীয়া এঘাৰ বজাৰ পৰা আৰম্ভ হোৱা মাজুলী জিলা ভিত্তিত জ্যোতি সংগীত প্ৰতিযোগিতা উদ্বোধন কৰে আউনীআটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰঞ্জিত কুমাৰ ভূঞাই। খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গুণেশ্বৰ গায়নে সঞ্চালনা কৰা উক্ত প্ৰতিযোগিতাত বন্তি প্ৰজ্বলন কৰে শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মাণিক হাজৰিকাই। মিলিত কৃষ্টি সংঘৰ শিল্পীসকলে শেৱালি ভূএগাৰ পৰিচালনাৰে পৰিৱেশিত সমবেত সংগীতৰে প্ৰতিযোগিতাখন শুভাৰম্ভ কৰা হয়। বিশিষ্ট শিল্পী, সংগীত প্ৰশিক্ষক ৰাতুল শইকীয়া আৰু দিব্যজ্যোতি শইকীয়াই পৰিচালনা কৰা উক্ত মাজুলী জিলা ভিত্তিত জ্যোতি সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে দেৱাশিস বৰাই। দ্বিতীয় - দিপ্তী হাজৰিকা, তৃতীয় প্ৰত্যাষা মূদৈ আৰু শৰ্মিষ্ঠা দাসে। প্ৰতিযোগিতাত উদগনি মূলক বঁটা লাভ কৰে অৰ্পিতা শইকীয়া, নিহাৰিকা কাশ্যপ আৰু ভাগ্যশ্ৰী মুক্তিয়াৰে। আজি পুৱা অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে দীপাঙ্কৰ বেজ, দ্বিতীয় - ঋষি দাস, তৃতীয় - জ্যোতিষ্মান শইকীয়া আৰু নিচুকনি বঁটা লাভ কৰে প্ৰিঞ্চিপ্ৰিয়া কলিতাই। বিয়লি চাৰি বজাৰ পৰা মিলিত কৃষ্টি সংঘৰ উপদেষ্টা নিৰু দত্তৰ সভাপতিত্বত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। উক্ত, বঁটা বিতৰণী সভাত বিশিষ্ট অতিথি হিচাপে বিশিষ্ট শিল্পী বাপধন গায়ন, দেবেন ভূএগ, গুণাৰাম ভূএগ, খগেন বৰা, মিলিত কৃষ্টি সংঘৰ উপদেষ্টা নন্দেশ্বৰ হাজৰিকা, নৱজিত মুক্তিয়াৰ, গোপাল শইকীয়া, ৰূপ বৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষ্যজিত বৰাই অংশগ্ৰহণ কৰে।

# বকোৰ শিংৰাত জুবিন গাৰ্গৰ সোঁৱৰণত টেনিচ্ বল ক্ৰিকেট প্ৰতিযোগিতা

**অসম বাৰ্তা, বকো, ১৭ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকোৰ শিংৰাত শিংৰা পালাহপাৰা যুৱক সংঘৰ উদ্যোগত জুবিন গাৰ্গৰ সোঁৱৰণত ১৬ জানুৱাৰীৰ পৰা ২০ জানুৱাৰীলৈ ৫ দিনীয়াকৈ টেনিচ্ বল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ কৰা হৈছে। প্ৰথম দিনাখন শুক্ৰবাৰৰ কাৰ্যসূচীত প্ৰথমে শিংৰা পালাহপাৰা যুৱক সংঘৰ পতাকা উত্তোলন কৰা হয়, পটাকা উত্তোলন কৰে শিংৰা পালাহপাৰা যুৱক সংঘৰ সভাপতি খৰ্গেশ্বৰ ৰাভা দেৱে। ইয়াৰ পিছতে জুবিন গাৰ্গৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰা হয়, প্ৰজ্বলন কৰে শিংৰা পালাহপাৰা উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি ধীৰেন চন্দ্ৰ ৰয়ে আৰু পিছতে খেল শুভাৰম্ভ কৰা হয় খেলখন উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন সদস্য ফ্ৰাইলিন আৰ মাৰাকে।

# নিজ পকোৱাৰ বিশিষ্ট সামাজিক ব্যক্তি ৰুস্তম আলীৰ দেহাৱসান

**অসম বাৰ্তা, নলবাৰী, ১৭ জানুৱাৰী ঃ** নলবাৰীৰ নিজ পকোৱা নিৱাসী তথা অসম চৰকাৰৰ অৱসৰী কৰ্মচাৰী ৰুস্তম আলীৰ আজি পুৱা দেহাৱসান ঘটে। জীৱনৰ ৮৫টা বসন্ত অতিক্ৰম কৰাৰ পিছত আজি পুৱা জীৱনৰ মায়া মোহ এৰি বিদায় মাগে বিশিষ্ট সামাজিক ব্যক্তি গৰাকীয়ে। বাৰ্ধক্যজনিত কাৰণত যোৱা কিছুদিন ধৰি অসুস্থ হৈ থকাৰ পিছত আজি পৰগমনলৈ গুচি গ'ল অৱসৰী কৰ্মচাৰী গৰাকী। ৰাজ্যখনৰ বিভিন্ন স্থানত চাকৰি কৰি হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা লাট মণ্ডল হিচাপে ২৫ বছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰিছিল তেওঁ। অৱসৰৰ পিছৰে পৰা কৃষি কাৰ্যকে ধৰি বিভিন্ন সামাজিক কাম কাজত জড়িত হৈ পৰিছিল তেওঁ। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতে অনেক গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জনাই। আজি বিয়লিৰ ভাগত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন হয়। মৃত্যুৰ সময়ত পত্নী আৰবান বেগম, দুই পুত্ৰ, দুগৰাকী বোৱাৰী, দুই কন্যা, দুই জোৱাই, কেইবাগৰাকী নাতি নাতিনীকে ধৰি অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

### পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী যুৱ মঞ্চৰ আৰু দেৰগাঁও শাখাৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানৰ সফল পৰিসমাপ্তি

# দেৰগাঁৱত শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দেৰগাঁও, ১৭ জানুৱাৰী ঃ** শৈল্পিক চেতনা আৰু আধ্যাত্মিক ভাবাদৰ্শৰে এটা জাতিক স্ব-মহিমাৰে মহিমামণ্ডিত কৰা মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ মৃত্যু দিৱসটি অসমবাসীয়ে 'শিল্পী দিৱস' ৰূপে শ্ৰদ্ধাৰে পালন কৰি আহিছে। শিল্পীগৰাকীৰ সামাজিক চিন্তা, বৈপ্লৱিক সত্তা, সাংস্কৃতিক ভাবাদৰ্শ আৰু আধ্যাত্মিক চেতনাৰ প্ৰতি নৱ-প্ৰজন্মক আগ্ৰহী কৰাৰ উদ্দেশ্যেৰে পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী যুৱ মঞ্চৰ উদ্যোগত আৰু দেৰগাঁও শাখাৰ সহযোগত ১৭ জানুৱাৰী, ২০২৬ তাৰিখে দেৰগাঁও মাৰৱাড়ী পঞ্চায়ত ধৰ্মশালাৰ প্ৰাংগণত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰে। কাৰ্যসূচী অনুসৰি পুৱা ১০-০০ বজাত গোলাঘাট জিলা ভিত্তিত কবিতা আবৃত্তি আৰু চিত্ৰাংকন প্ৰতিযোগিতা; উদ্বোধন কৰে, ওমপ্ৰকাশ সোমানী(সভাপতি, মাৰৱাড়ী



সন্মিলন, দেৰগাঁও) দিনৰ ২-০০ বজাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। বন্তি প্ৰজ্জ্বলন কৰে ড° পৰাগ কুমাৰ ঠাকুৰ(প্ৰাক্তন অধ্যক্ষ, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়)মাল্যাৰ্পন কৰে মহাবীৰ প্ৰসাদ আগৰৱালা(সমাজকৰ্মী, বোকাখাত)। ইয়াৰ পিছতে দিনৰ ২-৩০ বজাত মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী যুৱ মঞ্চৰ সভাপতি ৰাজ চৌধৰীয়ে। মুকলি সভা উদ্বোধন কৰে, জয়শ্ৰী চলিহা, শিৱসাগৰ (ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কন্যা) নিৰ্দিষ্ট বক্তা, ড° জ্যোতিৰেখা হাজৰিকা, সম্পাদক, কেন্দ্ৰীয় কাৰ্যালয়, অসম সাহিত্য সভা। বিশিষ্ট অতিথি ক্ৰমে- সক্ষমা, সমজিলা আয়ুক্ত, দেৰগাঁও সমজিলা, প্ৰদীপ খাদৰীয়া, সভাপতি, মাৰৱাড়ী পঞ্চায়ত ধৰ্মশালা ট্ৰাষ্ট, দেৰগাঁও, ওমপ্ৰকাশ গাট্টানি, লেখক তথা সমাজকৰ্মী যোৰহাট, শ্যাম সুন্দৰ আগৰৱালা সভাপতি চেম্বাৰ্চ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীচ, দেৰগাঁও, শীতল সোমানী, সভানেত্ৰী, অখিল ভাৰতীয় মাৰৱাড়ী মহিলা সন্মিলন, অসম প্ৰদেশ, প্ৰদীপ বাকলিৱাল, সমাজকৰ্মী, গোলাঘাট, ডাঃ অৰুণজ্যোতি হাজৰিকা, বিশিষ্ট ফিজিঅ'থেৰাপীষ্ট, দেৰগাঁও। আনহাতে অনুষ্ঠানটিত বহু কেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত ব্যক্তি সকল ক্ৰমে; দেৱীপ্ৰসাদ বাগৰোডিয়া, লেখক আৰু অনুবাদক, ডিব্ৰুগড়, অজিত বৰা, অনাতাঁৰ শিল্পী, গণক পুখুৰী, বীৰেন্দ্ৰ কুমাৰ বৰা, অনাতাঁৰ শিল্পী, দেৰগাঁও, গোপাল জালান, লেখক, গুৱাহাটী। এই সমূহ কাৰ্যসূচীৰ পিছতে বিয়লি বিয়লি ৪-০০ বজাত, বঁটা বিতৰণী অনুষ্ঠিত হয়। বিয়লি ৫-০০ বজাৰ পৰা দেৰগাঁৱৰ ন-পুৰণি বহু কেইজন শিল্পীৰ গীত পৰিৱেশনেৰে অনুষ্ঠানটি সফল পৰিসমাপ্তি ঘটে।

# বঙাইগাঁও জিলাৰ মেৰেৰচৰ আৰক্ষী থানাৰ অন্তৰ্গত মুলবাৰীৰ নামনি অসমৰ অনলাইন জুৱাৰী মাষ্টাৰ মাইণ্ড শহিদুল ইছলামক আটক

**অসম বাৰ্তা, লেংটিছিঙা, ১৭ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ মুলবাৰীৰ যুৱক শহিদুল ইছলামে গাঁৱলীয়া ঠাইৰ পৰা গোটেই অসমত অনলাইন জুৱা পৰিচালনা কৰে কুখ্যাত ডিজিটেল জুৱাৰী শহিদুল ইছলামে। অসমৰ বিভিন্ন ঠাইৰ লগতে বালাৰচৰ আৰু মুলবাৰীত চলিছে কৌটি কৌটি টকাৰ ডিজিটেল জুৱা। শহিদুল ইছলাম অবৈধ জুৱা খেলৰ মাষ্টাৰ মাইণ্ড। যাৰ জৰিয়তে চলাইছে এই ডিজিটেল জুৱা খেল। মাষ্টাৰমাইণ্ডৰ লগত জড়িত হৈ দিনে নিশা চলাইছে অবৈধ জুৱা খেল বিভিন্নজনে। তেওঁলোকে নিজাববীয়াকৈ এখন বেৱ ছাইট তৈয়াৰ কৰি অনলাইনৰ মাধ্যমত লাখ লাখ নিৰনুৱাৰ পৰা ডিজিটেল জুৱাৰ জৰিয়তে ঘটিছে কোটি কোটি টকা। তেওঁলোকৰ বেৱ সমূহ হৈছে 20wicket আৰু T10exchange। ডিজিটেল জুৱা খেলি ইতিমধ্যে বহুলোকে স্বৰ্বশান্ত হৈছে। অসম আৰক্ষীয়ে ইতিমধ্যে অনলাইন জুৱাক নিষিদ্ধ ঘোষণা কৰিছে যদিও এই অনলাইন জুৱাৰী মাষ্টাৰ শহিদুল ইছলামৰ নৃত্যত চলি আছে অনলাইন জুৱা খেল। অসম আৰক্ষীক কেৰেপেনকৰে একাংশ ডিজিটেল জুৱাৰীয়ে। নিশা মেৰেৰচৰ আৰক্ষীয়ে গোপন খবৰ ভিত্তিত নিজৰ ঘৰৰ পৰা আটক কৰে কুখ্যাত ডিজিটেল জুৱাৰী শহিদুল ইছলামক। মেৰেৰচৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। এতিয়া প্ৰশ্ন হয় অসম আৰক্ষীয়ে এই ডিজিটেল জুৱাৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়ত হ'ব লক্ষণীয়।

# অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদকক আমন্ত্ৰণ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত পৰাক্ৰম দিৱস উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ জানুৱাৰী ঃ** ভাৰতৰ নৃতত্ত্বৰ জৰীপ (সংস্কৃতি মন্ত্ৰণালয়) ভাৰত চৰকাৰৰ উদ্যোগত স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মজয়ন্তী উপলক্ষে অহা ২৩ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ শ্ৰী বিজয়া পুৰমত উদযাপিত হ'ব পৰাক্ৰম দিৱসৰ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী। নেতাজী সুভাষ চন্দ্ৰ বসুৰ অতুলনীয় সাহস, ত্যাগ আৰু অদম্য মনোভাৱ আৰু ভাৰতীয় জাতীয় সেনাবাহিনী (আই এন এ)ৰ বীৰ সদস্যসকলৰ স্মৃতিত পৰাক্ৰম দিৱসৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটো উছৰ্গা কৰা হৈছে। দেশৰ ভৱিষ্যত প্ৰজন্মক প্ৰেৰণা দিবলৈ তথা পৰাক্ৰম দিৱসৰ কাৰ্যসূচী সমৃদ্ধ কৰিবলৈ বিশিষ্ট অতিথিৰূপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী উপস্থিত থাকিবলগীয়া উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক তথা স্বতন্ত্ৰতা সেনানীৰ মুখ্য সম্পাদক দ্বিজেন্দ্ৰমোহন শৰ্মাক উদ্যোক্তা সকলে আমন্ত্ৰণ জনাইছে বুলি জানিব পৰা গৈছে।

অসম সাহিত্য সভাৰ অৰ্ধ শতাধিক আজীৱন সভ্যক সম্বৰ্ধনা জ্ঞাপন

# গহপুৰৰ সুৰভি সাহিত্য সমাজৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, গহপুৰ, ১৭ জানুৱাৰী** ঃ অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা হিচাপে সু-পৰিচিত গহপুৰ সমজিলাৰ মধ্য ছয়দুৱাৰৰ সুৰভি সাহিত্য সমাজৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱসটি আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰাৰ লগতে শিল্পী দিৱস উপলক্ষে জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালালৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। এই উপলক্ষে আজি পুৱা ৯ বজাত সুৰভি সাহিত্য সমাজৰ কাৰ্যালয়ৰ প্ৰাংগণত বিশিষ্ট সমাজ সেৱক, শিক্ষাবিদ তথা সুৰভি সাহিত্য সমাজৰ সভাপতি চন্দন বৰুৱাই পতাকা উত্তোলন কৰাৰ পিছত পুৱা ১০ বজাৰ পৰা যাদৱ গোস্বামী জাতীয় বিদ্যালয়ৰ সভা গৃহত প্ৰতিষ্ঠা দিৱস তথা শিল্পী দিৱসৰ মূল সভাখন অনুষ্ঠিত হয়। চন্দন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভা খনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সামগ্ৰিক ভাৱে আঁত ধৰে সক্ৰিয় সমাজকৰ্মী তথা সুৰভি সাহিত্য সমাজৰ সম্পাদক ঘন শৰ্মাই। সভাৰ আৰম্ভণীতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগতে সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। লগতে স্মৃতি তৰ্পণ কাৰ্যসূচীত সুৰভি সাহিত্য সমাজৰ এলেকাৰ অন্তৰ্গত অসম সাহিত্য সভাৰ প্ৰয়াত আজীৱন সভ্য সকলৰ পবিত্ৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু সৃষ্টিৰাজিৰ সন্দৰ্ভত মনোগ্ৰাহী বক্তব্য প্ৰদান কৰে বিশিষ্ট কবি, নাট্যকাৰ তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য দিলীপ কুমাৰ শৰ্মাই। যাদৱ গোস্বামী জাতীয় বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীৰ লগতে একাধিক শিক্ষাৰ্থীয়ে গীত-নৃত্য পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰা সভাখনৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ বিশেষ কাৰ্যসূচীত বিগত ৫৬ বছৰত সুৰভি সাহিত্য সমাজৰ জৰিয়তে অসম সাহিত্য সভাৰ আজীৱন সভ্য পদ গ্ৰহণ কৰা অৰ্ধ শতাধিক সাহিত্যানুৰাগী ব্যক্তিক সুৰভি সাহিত্য সমাজৰ তৰফৰ পৰা প্ৰতিষ্ঠা দিৱস উপলক্ষে বিশেষ ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁলোকৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰা হয়। আজীৱন সভ্য সকলৰ লগতে সুৰভি সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি আৰু সম্পাদক সকলকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত ব্যক্তি সকলৰ তৰফৰ পৰা কৃতজ্ঞতা সূচক বক্তব্য প্ৰদান কৰি সুৰভি সাহিত্য সমাজৰ প্ৰাক্তন সম্পাদক তথা বিশিষ্ট সমাজ সেৱক সিদ্ধেশ্বৰ হাজৰিকাই সুৰভি সাহিত্য সমাজৰ এনে পদক্ষেপ প্ৰশংসনীয় বুলি মন্তব্য কৰে। সভা খনত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰা বিশিষ্ট সাহিত্যিক তথা বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈয়ে চমু বক্তব্য প্ৰদানেৰে বয়োজ্যেষ্ঠ সকলক যথাযোগ্য সন্মান প্ৰদৰ্শনৰ সমান্তৰাল ভাৱে অসম সাহিত্য সভাৰ প্ৰতি নৱ প্ৰজন্মক আকৰ্ষিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰাটো অপৰিহাৰ্য বুলি মত পোষণ কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনত আমন্ত্ৰিত অতিথিৰ আসনৰ পৰা চমু বক্তব্য প্ৰদান কৰি অসম সাহিত্য সভাৰ আজীৱন সভ্য তথা চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ সভাপতি বীৰেন কাথ হাজৰিকাই অসম সাহিত্য সভাৰ আজীৱন সভ্য সকলক সাদৰ- সম্বৰ্ধনা জ্ঞাপন কৰি সুৰভি সাহিত্য সমাজে কৃতজ্ঞতাবোধৰ চানেকি দাঙি ধৰিলে বুলি মন্তব্য কৰে। সমজুৱাৰ একাষাৰ কাৰ্যসূচীত বিশিষ্ট সমাজ সেৱক তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য যাদৱ চলিহাই চমু বক্তব্য প্ৰদান কৰে। সুৰভি সাহিত্য সমাজৰ প্ৰাক্তন সভাপতিদ্বয় উদয় নাৰায়ণ গৌতম, নিত্য ভূঞা, সহকাৰী সম্পাদক মনোজ কুমাৰ নাথ, পত্ৰিকা সম্পাদক পৰীক্ষি ৰাজখোৱা, কিৰণ লিম্বু, দীপক বৰুৱাসহ সুৰভি সাহিত্য সমাজৰ একাধিক বিষয়- ববীয়া উপস্থিত থকা সভা খনত সভাপতিৰ আসনৰ পৰা চমু বক্তব্য প্ৰদানেৰে চন্দন বৰুৱাই দিনজোৰা কাৰ্যসূচীৰ সভা খনত উপস্থিত থাকি সভাখন সাফল্য মণ্ডিত কৰি তোলাৰ বাবে সকলোকে কৃতজ্ঞতা সহকাৰে ধন্যবাদ জ্ঞাপন কৰে। শেষত জাতীয় সংগীত পৰিৱেশনৰে সভাখনৰ সফল সামৰণি ঘোষণা কৰা হয়।

অবৈধ সমিতিৰ বিৰুদ্ধে আদালতৰ কাষ চাপিছে অসম প্ৰদেশ সমিতি

# ভাৰতীয় চাহ মজদুৰ সংঘৰ নাম আৰু প্ৰতীক চিহ্ন ব্যৱহাৰেৰে ৰাজনৈতিক মুনাফাৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৭ জানুৱাৰী** ঃ অসমৰ চাহ শ্ৰমিকসকলৰ অন্যতম শক্তিশালী সংগঠন 'ভাৰতীয় চাহ মজদুৰ সংঘৰ নাম আৰু প্ৰতীক ব্যৱহাৰ কৰি একাংশই ৰাজ্যৰ চাহ শ্ৰমিকসকলক বিপথে পৰিচালিত কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ভাৰতীয় মজদুৰ সংঘৰ অন্তৰ্ভুক্ত এই সংগঠনটোৰ অসম প্ৰদেশ সমিতিৰ সম্পাদক মুখেশ জালে স্বাক্ষৰিত এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে আজি প্ৰাক্তন একাংশ বিষয়ববীয়াৰ বিৰুদ্ধে সৰৱ হৈ পৰে। উক্ত বিজ্ঞপ্তিত উল্লেখ অনুসৰি, ১৯৬৯ চনৰ ২৭ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা কৰা এই সংঘই অসমৰ চাহ শ্ৰমিকসকলৰ স্বাৰ্থত কাম কৰি আহিছে। কিন্তু ২০২২ চনত ডিব্ৰুগড়ৰ চাউলখোৱাত অনুষ্ঠিত অধিৱেশনত অশোক উৰাংক সভাপতি আৰু পৱন বেদিয়াক সম্পাদকৰ দায়িত্ব দিয়াৰ পাছৰে পৰা সংগঠনটোত বিসংগতিয়ে দেখা দিয়ে। অভিযোগ উত্থাপিত হৈছে যে এই নেতৃত্বই চাহ শ্ৰমিকৰ সমস্যা সমাধানৰ পৰিৱৰ্তে সংগঠনটোক সম্পূৰ্ণৰূপে ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। সংবিধান বিৰোধী কাৰ্যকলাপত লিপ্ত হোৱাৰ বাবে ভাৰতীয় মজদুৰ সংঘই সংশ্লিষ্ট পক্ষলৈ তিনিবাৰকৈ জাননী জাৰি কৰিছিল। কিন্তু অভিযুক্ত পক্ষই কোনো সঁহাৰি নিদি ওলোটাই বোকাখাতত এখন সভা পাতি তেওঁলোক ভাৰতীয় মজদুৰ সংঘৰ অন্তৰ্ভুক্ত নহয় বুলি ঘোষণা কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত, কেন্দ্ৰীয় সমিতিয়ে পুৰণি সমিতিখন ভংগ কৰি যোৱা ১ ডিচেম্বৰ, ২০২৪ তাৰিখে ভাস্কৰ দাসৰ সভাপতি আৰু মোকেশ জালক সাধাৰণ সম্পাদক হিচাপে লৈ নতুন ৰাজ্যিক সমিতি গঠন কৰি দিয়ে। সাধাৰণ সম্পাদক মোকেশ জালে জনোৱা মতে, ভংগ হোৱা সমিতিৰ সভাপতি আৰু সম্পাদকে বৰ্তমানো অবৈধভাৱে সংঘৰ চৰকাৰী ৬৪২ পঞ্জীয়ন নম্বৰ, লেটাৰ পেড আৰু শ্ল'গান ব্যৱহাৰ কৰি আছে। কেৱল সেয়াই নহয়, ৰাজনৈতিক মুনাফা আদায়ৰ বাবে তেওঁলোকে মুখ্যমন্ত্ৰীৰ আলোকচিত্ৰ আৰু বিশেষ ৰাজনৈতিক দলৰ প্ৰতিক ব্যৱহাৰ কৰি ৰাইজক বিভ্ৰান্ত কৰি আহিছে। এই সন্দৰ্ভত বৰ্তমানৰ সমিতিয়ে মহামান্য আদালতত গোচৰ ৰুজু কৰিছে আৰু আদালতে গোচৰটো গ্ৰহণ কৰি আইনী প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা প্ৰেছ বিজ্ঞপ্তি জৰিয়তে অসমৰ চাহ শ্ৰমিক আৰু ৰাইজক সতৰ্ক কৰি দি সমিতিয়ে জনাইছে যে ভাৰতীয় মজদুৰ সংঘৰ অন্তৰ্ভুক্ত "ভাৰতীয় চাহ মজদুৰ সংঘ, অসম প্ৰদেশ সমিতি" মাত্ৰ এখনেই আছে। আন কোনো ভুৱা গোটক ৬৪২ পঞ্জীয়ন নম্বৰ বা শ্ল'গান ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব বুলি সম্পাদক মোকেশ জালে স্পষ্ট কৰি দিয়ে।

ভাগৱত পাঠ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ ল'লে বিধায়ক গৰাকীয়ে

# উলুবাৰী বাসুদেৱ নামঘৰত বিধায়ক গণেশ কুমাৰ লিম্বু

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৭ জানুৱাৰী** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰছলা বিধানসভা সমষ্টি এলেকাৰ উলুবাৰীস্থিত বাসুদেৱ নামঘৰত আজি উপস্থিত হৈ স্থানীয় ৰাইজৰ সৈতে সৌজন্যমূলক মত বিনিময় কৰে ৬৬নং বৰছলা বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক গণেশ কুমাৰ লিম্বুৱে। ধৰ্মীয় আৰু সামাজিক ক্ষেত্ৰত নামঘৰৰ গুৰুত্ব উল্লেখ কৰি বিধায়কে ৰাইজৰ ঐক্যবদ্ধ প্ৰচেষ্টাক আন্তৰিক প্ৰশংসা কৰে। উল্লেখ্য যে ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ উলুবাৰী বাসুদেৱ নামঘৰত অহা ইংৰাজী ২৮ আৰু ২৯ তাৰিখে ৰাইজৰ উদ্যোগত পবিত্ৰ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান আয়োজন কৰা হ'ব। এই মহৎ ধৰ্মীয় অনুষ্ঠান উপলক্ষে নামঘৰত চলি থকা প্ৰস্তুতিৰ অৱস্থা বুজ লোৱাৰ উদ্দেশ্যে আজি বিধায়ক গণেশ কুমাৰ লিম্বুৱে নামঘৰত উপস্থিত হৈ আয়োজক সমিতি তথা ভক্তপ্ৰাণ ৰাইজৰ সৈতে বিস্তৃত আলোচনা কৰে। বিধায়কে অনুষ্ঠানৰ ব্যৱস্থাপনা, ভক্ত-



দৰ্শনাৰ্থীৰ সুবিধা-অসুবিধা, পৰিচ্ছন্নতা, শৃঙ্খলা আৰু সামগ্ৰিক আয়োজন সম্পৰ্কে ৰাইজৰ মতামত গ্ৰহণ কৰে। লগতে তেওঁ ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানখনে সমাজত নৈতিকতা, ভাতৃত্ববোধ আৰু আধ্যাত্মিক চেতনাৰ বিকাশ ঘটাব বুলি মন্তব্য কৰে। আজি ৰাইজৰ সৈতে মত বিনিময় কৰি বিধায়ক গণেশ কুমাৰ লিম্বুৱে আগন্তুক অনুষ্ঠানখন সাফল্যমণ্ডিত হোৱাৰ বাবে আন্তৰিক শুভকামনা জনোৱাৰ লগতে যিকোনো সহযোগিতাৰ আশ্বাসো প্ৰদান কৰে। বিধায়কৰ উপস্থিতিত উৎসাহিত হৈ স্থানীয় ৰাইজে অনুষ্ঠানখন সুশৃঙ্খল আৰু সফলভাৱে সম্পন্ন কৰাৰ দৃঢ় সংকল্প ব্যক্ত কৰে। আজি বিধায়কৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্যকৰ্তা সকলো উপস্থিত হ'য় উক্ত নামঘৰত।

# বকো সাহিত্য সভাৰ উদ্যোগত ৰূপান্তৰৰ শিল্পীৰ মৃত্যু তিথি পালন

**অসম বাৰ্তা, বকো, ১৭ জানুৱাৰী** ঃ অসমৰ স্বনামধন্য শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ৬৫ সংখ্যক মৃত্যু তিথি। এই ৰূপান্তৰৰ শিল্পী গৰাকীৰ মৃত্যু তিথি অসম সাহিত্য সভাই জ্যোতি দিৱস হিচাপে পালন কৰি আহিছে। সেয়ে অসম সাহিত্য সভাৰ নিৰ্দেশনা অনুসৰি কামৰূপ জিলাৰ বকোত বকো শতদল শাখা সাহিত্য সভায়ো আজি পালন জ্যোতি দিৱসৰ কাৰ্য্যসূচী। ইফালে বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক জনাৰ্দ্দন বড়োৰ তৎপৰতাত সাহিত্য সভা ভৱনত আনুষ্ঠানিকভাৱে পালন কৰা হয় শিল্পী দিৱসৰ কাৰ্য্যসূচী। অনুষ্ঠানত সভাপতি নৃপেন ভাগৱতী; প্ৰাক্তন সভাপতি সুৰেণ চন্দ্ৰ কলিতা, উপদেষ্টা প্ৰহ্লাদ বড়ো, সদস্যা অনন্যা দাসৰ উপৰিও বহু কেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে বুলি জানিব দিয়ে সহকাৰী সম্পাদক বিষ্ণুৰাম দাসে। শিল্পী দিৱসৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি প্ৰাক্তন সভাপতি সুৰেণ চন্দ্ৰ কলিতা, জ্যেষ্ঠ শিল্পী প্ৰহ্লাদ বড়ো আৰু সভাপতি নৃপেন ভাগৱতীয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰে।

# শিল্পী দিৱস উপলক্ষে বহৰিত সমাজ সেৱা আৰু সম্ভাৱনা বঁটা প্ৰদান

**অসম বাৰ্তা, চেঙা, ১৭ জানুৱাৰী** ঃ শিল্পী দিৱস উপলক্ষে স্বত্বাধিকাৰী সঞ্জীৱ শৰ্মাৰ কে বি এচ ফাউণ্ডেশনৰ অন্তৰ্গত কমলা কান্ত একাডেমিৰ উদ্যোগত আৰু বহৰি ছাত্ৰ সন্থা তথা বহৰি নাট্যগোষ্ঠীৰ সহযোগত বহৰিত এক গাম্ভীৰ্যপূৰ্ণ বঁটা প্ৰদান অনুষ্ঠান সফলভাৱে সম্পন্ন হয়। অনুষ্ঠানটোত শিল্প, সংস্কৃতি, শিক্ষা আৰু সমাজ সেৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তিসকলক সন্মান জনোৱাৰ লগতে নৱপ্ৰজন্মৰ প্ৰতিভাক উৎসাহিত কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সমাজ সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে বিশিষ্ট সমাজ সেৱক বিমল আগৰৱাল দেৱক "কমলেশ্বৰ দেৱ শৰ্মা সমাজ সেৱা বঁটা" প্ৰদান কৰা হয়। বঁটা প্ৰদানৰ সময়ত বক্তাসকলে সমাজৰ উন্নয়নৰ ক্ষেত্ৰত তেখেতৰ নিষ্ঠা আৰু ত্যাগৰ কথা উল্লেখ কৰি এই সন্মান তেখেতৰ বাবে সম্পূৰ্ণ যোগ্য বুলি মন্তব্য কৰে। অনুষ্ঠানত একেদৰে নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশ আৰু আগন্তুক দিনৰ সম্ভাৱনাময় ব্যক্তিত্বক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰদান কৰা "বিমলা দেৱী সম্ভাৱনা বঁটা" কোকৰাঝাৰ ইঞ্জিনিয়াৰিং কলেজত অধ্যয়নৰত শিক্ষাৰ্থী মৃণ্ময় তালুকদাৰক প্ৰদান কৰা হয়। লগতে শিক্ষা আৰু সামাজিক ক্ষেত্ৰত আগবঢ়োৱা সম্ভাৱনাময় অৱদানৰ বাবে বিক্ৰম মালো দাসকো একে বঁটাৰে সন্মানিত কৰা হয়। অনুষ্ঠানত বিশেষ অতিথি হিচাপে তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰয় উপস্থিত থাকে। তেখেতে শিল্পী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি সমাজ গঠনত শিল্প-সংস্কৃতি আৰু নৈতিক মূল্যবোধৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠান সফলভাৱে ৰূপায়ণ কৰাত অজয় দাসে গুৰুত্বপূৰ্ণ সহযোগিতা আগবঢ়োৱা বুলি উদ্যোক্তা সকলেই উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত অতিথি, সমাজকৰ্মী, শিল্পী আৰু সচেতন নাগৰিকসকলে এইধৰণৰ বঁটা প্ৰদান অনুষ্ঠান সমাজ গঢ়াৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। শিল্পী দিৱস উপলক্ষে আয়োজিত এই বঁটা প্ৰদান অনুষ্ঠানটোৱে শিল্প-সংস্কৃতিৰ প্ৰচাৰ, সমাজ সেৱাৰ মূল্যবোধ আৰু নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে বুলি উপস্থিত ৰাইজে অভিমত প্ৰকাশ কৰে।

# আদৰ্শ বিদ্যাপীঠ গেলেকীৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলক আশীৰ্বাদ প্ৰদান অনুষ্ঠান

সকলো পৰীক্ষাৰ্থীলৈ শুভেচ্ছা



**অসম বাৰ্তা, গেলেকী, ১৭ জানুৱাৰী** ঃ আদৰ্শ বিদ্যাপীঠ গেলেকীৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীক আশীৰ্বাদ প্ৰদানৰ উদ্দেশ্যে বিদ্যালয়ৰ প্ৰাঙ্গনত এক আশীৰ্বাদ প্ৰদানৰ অনুষ্ঠান অনুষ্ঠিত হয়। বিগত ১৫ বছৰ ধৰি এনেদৰে আশীৰ্বাদ প্ৰদানৰ অনুষ্ঠান আয়োজিত কৰি আহিছে শিক্ষানুষ্ঠানখনে। আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে অনুষ্ঠিত হয় চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদানৰ এই বিশেষ অনুষ্ঠানৰ। অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী দিৱসৰ লগত সংগতি ৰাখি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাপন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। তাৰ পিছতেই আৰম্ভ হয় আশীৰ্বাদ প্ৰদান অনুষ্ঠানৰ। বিদ্যালয়খনৰ সঞ্চালিকা কুন্তী ৰাণী বড়াই আঁত ধৰা অনুষ্ঠানটিত পৰিচালনা সমিতিৰ সভানেত্ৰী প্ৰাক্তন শিক্ষয়িত্ৰী গুণ গগৈৰ সভাপতিত্বত এখন সভাৰ যোগেদি এই আশীৰ্বাদ প্ৰদান অনুষ্ঠানৰ আৰম্ভ হয়। অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল প্ৰাক্তন শিক্ষক নামাচাৰ্য ফুলেশ্বৰ ৰাজখোৱা, সমাজকৰ্মী তথা প্ৰাক্তন আঠখেলৰ জিলা পৰিষদৰ সদস্য হেমন্ত ৰাজখোৱা, জেষ্ঠ খেলুৱৈ চম্পা বৰুৱা, প্ৰাক্তন শিক্ষয়িত্ৰী মামণি শৰ্মা হাজৰিকা, প্ৰাক্তন শিক্ষক বিৰেণ শইকীয়া, প্ৰাক্তন ছাত্ৰ নেতা হেমন্ত গগৈ, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৱাহিদ আলী। অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি আমন্ত্ৰিত অতিথি সকলে বক্তৃতা প্ৰদান কৰে। আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চ - মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰতিগৰাকী শিক্ষাৰ্থীক কেনেদৰে পৰীক্ষাৰ বাবে প্ৰস্তুত হব লাগে লগতে নতুন শিক্ষা নীতিৰ বিষয়েও বিষদভাৱে ছাত্ৰ-ছাত্ৰী সকলক অৱগত কৰে আমন্ত্ৰিত অতিথি সকলে তেওঁলোকৰ বক্তৃতাত। আগন্তুক পৰীক্ষাত অৱতীৰ্ণ শিক্ষাৰ্থী সকলক আশীৰ্বাদ প্ৰদান কৰে ভকত-বৈষ্ণৱ সকলে। অনুষ্ঠানত উপস্থিত প্ৰতিগৰাকী অভিভাৱকৰ লগতে বিদ্যালয় খনৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ চৰণ চুই সেৱা কৰি আশীৰ্বাদ গ্ৰহণ কৰে শিক্ষাৰ্থীসকলে। এইখিনিতে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী লগতে ছাত্ৰ-ছাত্ৰীসকল আৱেগিক হৈ পৰা দেখা যায়। অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী সকলক আগন্তুক পৰীক্ষাৰ বাবে শুভেচ্ছা জনাই এখনকৈ মানপত্ৰ, কলম প্ৰদান কৰে। লগতে পৰীক্ষাৰ্থীসকলেও শিক্ষানুষ্ঠান খনৰ শিক্ষক শিক্ষয়িত্ৰী তথা আমন্ত্ৰিত অতিথি সকলক একোখনকৈ ফুলাম গামোচাৰে সন্মান জনায়।

দুটা কণমানি সন্তান নিথৰুৱা, হত্যাকাৰীক ফাঁচিৰ দাবীত ৰাজপথ উত্তাল

# মাজুলীত নৃশংস হত্যাকাণ্ড

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ জানুৱাৰী** ঃ মাজুলীৰ নগৰ গাঁৱত সংঘটিত এক নৃশংস হত্যাকাণ্ডৰ পাছতেই সমগ্ৰ অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। ঘটনাক কেন্দ্ৰ কৰি আজি ক্ষুব্ধ গাঁওবাসীয়ে হত্যাকাৰীক ফাঁচিৰ দাবীত ৰাজপথত নামি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। জানিব পৰা মতে উৰুকাৰ নিশা উৰুকাৰ ভোজ-ভাতৰ সময়তে সাধাৰণ তৰ্কা-তৰ্কিৰ পৰাই কাজিয়াৰ সূত্ৰপাত হৈ প্ৰফুল্ল দাসে অমৰ দাস নামৰ এজন যুৱকক অতৰ্কিতে চোকা অস্ত্ৰে আক্ৰমণ কৰিছিল। গুৰুতৰভাৱে আহত অমৰ দাসক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও কালি চিকিৎসাধীন অৱস্থাত যুৱকজনৰ মৃত্যু ঘটে। মৃত্যুৰ খবৰ পোৱাৰ পাছতেই গাঁওখনত শোক আৰু ক্ষোভৰ পৰিৱেশে বিৰাজ কৰে। লোক জনৰ মৃত্যুৰ ফলত তেওঁৰ প্ৰথম শ্ৰেণীত পঢ়ি থকা ৮ বছৰীয়া মেধাবী কণমানি পুত্ৰ আৰু মাতৃৰ কোলাত থকা এবছৰীয়া এগৰাকী কণ্যা সন্তানো আজি নিথৰুৱা হৈ পৰিছে, যাৰ ফলত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। ইফালে, ঘটনাৰ পাছতেই অভিযুক্ত প্ৰফুল্ল দাসে পৰিয়ালসহ পলাই থকা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, আক্ৰমণৰ পাছত অভিযুক্তই চিকিৎসাৰ সম্পূৰ্ণ খৰচ বহন কৰাৰ আশ্বাস দিছিল যদিও আহত যুৱকজনৰ স্বাস্থ্য অৱস্থা সংকটজনক হোৱাত পৰিয়ালসহ পলায়ন কৰে। ইতিমধ্যে মাজুলী আৰক্ষীয়ে অভিযুক্ত প্ৰফুল্ল দাসক বিচাৰি অভিযান তীব্ৰতৰ কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণত ৰাখিবলৈ অঞ্চলটোত আৰক্ষীৰ কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষিকা ফৌজিয়া ৰহমানৰ মৃত্যুত কৰ্মচাৰী আৰু বিভিন্নজনৰ শোক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ জানুৱাৰী** ঃ যোৱা ১৬ জানুৱাৰীত আকাশবাণী ডিব্ৰুগড়ৰ জনপ্ৰিয় ঘোষিকা ফৌজিয়া ৰহমানৰ মৃত্যুত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত কেন্দ্ৰ সঞ্চালক লোহিত ডেকাৰ নেতৃত্বত কৰ্মচাৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সকলে প্ৰয়াত ৰহমানৰ পল্টন বজাৰত থকা নিজা বাসগৃহলৈ গৈ আজি শেষ শ্ৰদ্ধা নিবেদন কৰে। দলটোত আছিল ভূপেন গগৈ, ইন্দিৰা মৰাং, সুৰেশ হাতীমূৰীয়া, ৰাজেন গোহাঁই, ত্ৰিদিব কোঁৱৰ, অঞ্জনা বৰুৱা, পৰশা কোঁৱৰ, এম্ হাছিম আলী আদিকে ধৰি বহুসংখ্যক কৰ্মচাৰী আৰু অৱসৰী কৰ্মচাৰী। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক লোহিত ডেকাই আৱেগিক হৈ এই সন্দৰ্ভত কয় যে সকলোৰে মৰমৰ ইফি বাইদেউ সঁচা অৰ্থত আছিল মানৱ দৰদী। বাইদেউ আছিল আমাৰ অভিভাৱক স্বৰূপ। সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ দিয়া বাইদেউ আজি চিৰদিনৰ বাবে গুছি গ'ল, সকলো সময়তে বাইদেউ কায়িক ভাৱে নহলেও আমাৰ মাজত আছিল আৰু চিৰদিন থাকিব। একালৰ সতীৰ্থ অঞ্জনা বৰুৱাই চকুলো টুকি কয় যে মই দুখত ম্ৰিয়মাণ মোৰ কবলৈ ভাষা বিচাৰি পোৱা নাই, বাইদেউ যতে থাকে শান্তিৰে থাকক সেয়াই কামনা কৰিলোঁ। ১৯৪১ চনৰ ছয় জুন তাৰিখে পিতৃৰ কৰ্ম সূত্ৰে গুৱাহাটীত জন্মগ্ৰহণ কৰা প্ৰয়াত ফৌজিয়া ৰহমান( ইফি) বিবাহ পাশত আবদ্ধ হৈছিল ১৯৬১ চনত। তেওঁৰ স্বামী আছিল অসম চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডাঃ আল ফৰিদ মাহমুদুৰ ৰহমান (আলফ্ৰেড)। কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয় আৰু কালিয়ে ডিব্ৰুগড়ৰ পল্টন বজাৰত থকা নিজা ঘৰলৈ লৈ আহে। তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ এগৰাকী সুমধুৰ কণ্ঠৰ প্ৰাশ্চাত্য সংগীতৰ ঘোষিকা। সত্তৰৰ দশকৰ পৰা চলিত দশকৰ শেষলৈকে তেওঁ আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ সেৱা আগবঢ়াই থকাৰ লগতে সমান্তৰালকৈ ফৌজিয়া ৰহমানে ৰেডিঅ নাটক, তথ্যচিত্ৰ, ফিচাৰ লিখন আদি প্ৰযোজনা কৰি প্ৰশংসা অৰ্জন কৰে। প্ৰয়াত ৰহমানৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসগৃহত পৰিয়াল আৰু বন্ধুবৰ্গ আৰু অনুৰাগী সকল উপস্থিত হয়। আজি স্থানীয় নালিয়াপুল কবৰস্থানত অনেক আত্মীয় আৰু গুণমুগ্ধৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড় জাতীয় ঐক্য পৰিষদকে আদি কৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

# নগাঁৱত শিল্পী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ১৭ জানুৱাৰী** ঃ সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱতো ৰাষ্ট্ৰীয় যুৱ বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থা, সাংস্কৃতিক মহাসভা অসম, নগাঁও জিলা সমিতিৰ উদ্যোগত আৰু জামুগুৰিস্থিত গণশিল্পী সুনীল শইকীয়া সংগীত মহাবিদ্যালয়ৰ সহযোগত বিদ্যালয়ৰ প্ৰাঙ্গণত দিনযোৰা কাৰ্যসূচীৰে শিল্পী দিৱসটি উদযাপন কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানটি মুকলি কৰে বিশিষ্ট সাংবাদিক প্ৰাঞ্জল শইকীয়া, সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথ, বিদ্যালয়খনৰ অধ্যক্ষ তৰুন শইকীয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষক হীৰেণ ডেকাই। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা সভাখনত সভাপতিত্ব কৰে সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে। সভাত বিশিষ্ট অতিথি হিচাবে অংশ গ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত শিক্ষক হীৰেণ ডেকা, শিক্ষক পৰমামন্দ ডেকা, বিশিষ্ট সাংবাদিক প্ৰাঞ্জল শইকীয়াই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনাদৰ্শৰ ওপৰত এক সাৰুৱা বক্তব্য আগবঢ়ায়। সভাত গণশিল্পী সুনীল শইকীয়া সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে জ্যোতি সংগীত পৰিৱেশন কৰে। দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলক কলম আৰু গ্ৰন্থৰে আদৰণি জনোৱা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক ভূপেন চন্দ্ৰ নাথে আঁত ধৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই ডেইজী সেনাপতিয়ে। ইয়াৰ উপৰিও নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা শিল্পী দিৱসৰ কাৰ্যসূচীত সন্থাৰ বিষয়ববীয়া, কৰ্মচাৰী সকলে অংশ গ্ৰহণ কৰে।

গৰৈমাৰীৰ বৰাখাট-খলিহামাৰীত খহনীয়া প্ৰতিৰোধৰ কামৰ নিৰীক্ষণ কমিটি গঠন

# জনশক্তি উন্নয়ন মঞ্চৰ সাধাৰণ সভাত গুৰুত্বপূৰ্ণ সিদ্ধান্ত

**অসম বাৰ্তা, গৰৈমাৰী, ১৭ জানুৱাৰী** ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত ইন্দিৰা গান্ধী ২ নম্বৰ বৰাখাট প্ৰাথমিক বিদ্যালয় খেলপথাৰত আজি বিয়লি 'জনশক্তি উন্নয়ন মঞ্চ'ৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। জনশক্তি উন্নয়ন মঞ্চৰ সভাপতি আমিনুল হকৰ সঞ্চালনাত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ সম্পাদক সোণাউদ্দিনে। উক্ত সভাত বৰাখাট আৰু খলিহামাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধত যাতে কোনো দুৰ্নীতি সংঘটিত কৰিব নোৱাৰে তাৰ তীক্ষ্ণ নজৰ ৰখাৰ বাবে কেইবাখনো গাঁও সামৰি এখন সমিতি গঠন কৰা হয়। জনশক্তি উন্নয়ন মঞ্চৰ সভাপতি আমিনুল হকক সভাপতি, সোণাউদ্দিনক সম্পাদক আৰু আমজাদ হুছেইন, বিল্লাল হুছেইন, দিলবৰ আলী, আব্দুল হাই, চুলতান আলী, কাইউম আলী আৰু আবুশামাক সদস্য হিচাপে লৈ ৯ জনীয়া এখন কমিটি গঠন কৰা হয়। ইপিনে ৰাইজৰ পৰামৰ্শ আৰু সহযোগ লৈ সমিতিয়ে উক্ত কামৰ তীক্ষ্ণ নজৰ ৰখাৰ লগতে খহনীয়া প্ৰতিৰোধৰ ঠাইত কোনো লোকে যাতে অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰিব নোৱাৰে, তাৰ বাবে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত কাম যাতে বাৰিষাৰ পূৰ্বেই সম্পন্ন হয় তাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক মঞ্চৰ তৰফৰ পৰা স্মাৰকপত্ৰ প্ৰধানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন